# Assam Legislative Assembly Debates

## OFFICIAL REPORT

FIFTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION


VOL. I
NO. 19

The 26th March, 1987

Price—Rs. 17·10

# CONTENTS

BUDGET SESSION

Volume—I No.—19

Dated, the 26th March, 1987


1. **Starred Questions and Answers** ... ... ... **1—25**

2. **Unstarred Questions and Answers** ... ... ... **26—34**

3. **Voting on Demands for Grants** ... ... ... **35—90**

4. **Adjournment** ... ... ... **90**

## DEBATES OF THE
## ASSAM LEGISLATIVE ASSEMBLY, 1987

### Thursday, March 26, 1987

The House met at nine of the Clock in the Assembly Chamber, at Dispur with Mr. Speaker in the Chair.

### STARRED

### QUESTIONS AND ANSWERS
( To which oral answers were given )

**বিষয় : ছাগলীয়া পশু চিকিৎসালয় ।**

শ্ৰীডালিম ৰয়ে সুধিছে

* ৩৩৯ মাননীয় পশু চিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ছাগলীয়া পশু চিকিৎসালয়ত ডাক্তৰ নোহোৱা কথাটো সঁচানে ?

(খ) যদি সঁচা, কিমান বছৰ ধৰি উক্ত পশুচিকিৎসালয়ত ডাক্তৰ নিযুক্তি দিয়া হোৱা নাই আৰু অতি সোনকালে ডাক্তৰ নিযুক্তিৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীনগেন শৰ্মা ( পশুচিকিৎসা বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) বৰ্তমান ডাক্তৰ নোহোৱাটো সঁচা ।

(খ) এইখন পশুচিকিৎসালয় নহয় । এই অনুষ্ঠানটো গো-বসন্ত আঁচনিৰ আন্তঃ ৰাজ্যিক পৰীক্ষাচকী । ইয়াত ডাক্তৰ দিয়া হৈছিল । আৰু শেষৰজন ডাক্তৰ যোৱা নৱেম্বৰ মাহত বদলি হয় । এই ঠাইত ডাক্তৰ দিয়াটো বিবেচনা কৰা হব ।

শ্ৰীডালিম ৰয়ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা অবগত কৰিব বিচাৰিছো যে সেই চিকিৎসালয় খনত ডাক্তৰ ৰখাৰ ব্যৱস্থা আছে নে ?

শ্ৰীনগেন শৰ্মা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ প্ৰশ্নৰ উত্তৰত কওঁ যে আমাৰ এইটো এটা পৰীক্ষা চকীহে, যেতিয়াই প্ৰয়োজন হয় তাত কেম্প কৰি দিয়া হয়, আৰু সময়ে সময়ে ডাক্তৰ দিয়া হয়। এনেয়ে তাত ডাক্তৰ ৰখাৰ ব্যৱস্থা নাই।

শ্ৰীডালিম ৰয় : এই চিকিৎসালয়খন য'ত অৱস্থিত, এইটো এটা ডাঙৰ অঞ্চল, গতিকে এই চিকিৎসালয়খনক স্বচল এটা অৱস্থালৈ অনাৰ কাৰণে মন্ত্ৰী মহোদয়ে বিবেচনা কৰি চাবনে ?

শ্ৰীনগেন শৰ্মা (মন্ত্ৰী) : আমি এই পৰীক্ষা চকীটো স্থায়ী কৰিবৰ কাৰণে চিন্তা কৰিছো আৰু বিবেচনা কৰি আছো।

শ্ৰীগুণীন হাজৰিকা : মাননীয় অধ্যক্ষ মহোদয়, গ্ৰামাঞ্চলত বিশেষকৈ চিকিৎসকৰ অভাব দেখা আমাৰ যি সকল ছাত্ৰই পশুচিকিৎসা মহাবিদ্যালয়ৰ পৰা পাচ কৰি আছে তেখেত সকলক গ্ৰামাঞ্চলত ৰখাৰ কাৰণে বাধ্যতামূলক ব্যৱস্থা লবলৈ মন্ত্ৰী মহোদয়ে চিন্তা কৰি চাবনে ?

শ্ৰীনগেন শৰ্মা (মন্ত্ৰী) : আমি আগতেই সিদ্ধান্ত লৈছো যে আমাৰ যি সকলে পাচ কৰি ওলাব তেওঁলোকক কমেও পাচ বছৰ ৰাখিব লাগিব। কিন্তু এইটো কথা ঠিক যে আমাৰ বহুতো চিকিৎসালয়ত ডাক্তৰ নাই আৰু আগৰ কেবাটাও প্ৰশ্নৰ উত্তৰত এই কথা কৈছো। আমাক বহুতো ডাক্তৰ লাগে কিন্তু ডাক্তৰ পাচ কৰি ওলোৱা নাই।

Starred Question No. 340 was not called for.

**বিষয় : চিকিৎসালয়ৰ ভেটি স্থাপন**

শ্ৰীগোলক ৰাজবংশী, বিধায়কে সুধিছে :

*৩৪১ মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৮৬-৮৭ চনৰ ভিতৰত এতিয়ালৈকে অসমত বিভিন্ন পৰ্য্যায়ৰ কিমানখন চিকিৎসালয়ৰ ভেটি স্থাপন কৰা হৈছে ?

(খ) এই চিকিৎসালয় বিলাক নিৰ্মান কৰিবৰ কাৰণে বাজেট ব্যৱস্থা, প্ৰশাসনীয় অনুমোদন ও প্ৰয়োজনীয় আঁচনি বিলাক যুগুত কৰা হৈছে নেকি ?

(গ) এই চিকিৎসালয় বিলাকৰ কাম কেতিয়া সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা ও মুকলি কৰিব পৰা হব তাৰ বাবে নিৰ্দ্ধাৰিত সময়ৰ সীমা নিৰ্দ্ধাৰিত কৰা হৈছে নেকি ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ ৩৫ (পয়ত্ৰিশ) খন আৰু ৩০ খন বিচনা যুক্ত চিকিৎসালয় ২৮ (আঠাইছ) খন ।

(খ) হয় ।

(গ) প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ বিলাক ৭ম—৫ বছৰীয়া পৰিকল্পনাৰ কালছোৱাত আৰু ৩০ খনীয়া বিচনাযুক্ত হস্পিতাল কিছুসংখ্যক উক্ত পৰিকল্পনাত ও কিছুসংখ্যক ৮ম পৰিকল্পনাৰ আৱন্তনি ভাগত হব । (পেৰিপূৰক প্ৰশ্ন নাই)

**বিষয় : মালিবাৰী প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ ।**

শ্ৰীগোপীনাথ দাস, য়ে সুধিছে :

৩৪২ মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) কামৰূপ জিলাৰ মালিবাড়ী PHC ৰ গৃহ নিৰ্মাণৰ বাবে নিৰ্দিষ্ট সময়-সীমা নিৰ্দ্ধাৰণ কৰি দিয়া হৈছিল নে ?

(খ) যদি হৈছিল তেন্তে উক্ত সময়ৰ ভিতৰত নিৰ্মাণ কাৰ্য্য শেষ হৈছে নে ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) য় উত্তৰ দিছে :

(ক) নাই হোৱা ।

(খ) প্ৰশ্ন নুঠে ।

শ্ৰীগোপীনাথ দাস : মাননীয় অধ্যক্ষ মহোদয়, এই মালিবাড়ী পি, এইচ, চি টোৰ নিৰ্মাণ কাৰ্য্য যেনে ধৰণে আগবাঢ়িব ধৰিছে তাৰ পৰা অনুমান কৰিব পাৰি এই খন দুই তিনিবছৰেও শেষ নহব, এটা বছৰ ইতিমধ্যে পাৰ হ'ল । এই ক্ষেত্ৰত মোৰ প্ৰশ্নটো হৈছে এই চেন্টাৰটোৰ নিৰ্মান কাৰ্য্য সোনকালে শেষ কৰাৰ কাৰণে বিহিত ব্যৱস্থা লবনে ? বাইজৰ অনুৰোধ ক্ৰমে মই যেতিয়া সেই চিকিৎসালয় খনৰ নিৰ্মান কাৰ্য্য চাবলৈ গৈছিলো তেতিয়া দেখিছিলো তাত যিবিলাক ইটা ব্যৱহাৰ কৰা হৈছে সেইবিলাক তেনেই নিম্নস্তৰৰ । মন্ত্ৰী মহোদয়ে এইটো পৰীক্ষা কৰি চোৱাৰ ব্যৱস্থা কৰিব নে ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মালিবাড়ী চিকিৎসালয় খনৰ কাৰণে ৬ লাখ ১২ হাজাৰ ৭৫০ টকা অনুমোদন দিয়া হৈছে, সেই কাম গড়কপ্তানী বিভাগে কৰি আছে । আমি পইচা থিনিহে দিও । কোনোবাই কৰবাত বেয়া ইটা দিছে লাহে লাহে কাম কৰিছে সেইটো আমাৰ

লগত কথা নাই। কেৱল ঘৰটো সম্পূৰ্ণ হোৱাৰ পিচত আমাক হেণ্ডঅভাৰ কৰে আৰু আমি লওঁ। বাকী সমস্ত নিৰ্মাণ কাৰ্য্য গড়কপ্তানী বিভাগে কৰিছে।

শ্ৰীগোপীনাথ দাস : অধ্যক্ষ মহোদয়, যিহেতু এই চিকিৎসালয়টোৰ নিৰ্মাণ কাৰ্য্যৰ ক্ষেত্ৰত অভিযোগ উঠিছে গতিকে মন্ত্ৰী মহোদয়ে গড়কপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ৰ লগত যোগাযোগ কৰি ইয়াৰ এটা বিহিত ব্যৱস্থা লবনে?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) : মই গড়কপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ৰ লগত যোগাযোগ কৰিম, কেৱল মালিবাড়ীৰ ক্ষেত্ৰতেই নহয় গোটেই ৰাজ্যখনৰ চিকিৎসালয়ৰ কথা চিন্তা কৰিব লাগিব। মাননীয় সদস্য গৰাকীয়েও গড়কপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ৰ লগত যোগাযোগ কৰিব।

শ্ৰীমাজ্জিৰুদ্দীন আহমেদ : এই যিটো টকা দিয়া হয় সেইটো সময়ত ব্যৱহাৰ হব নে নহয় সেই বিষয়ে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, পইচাখিনি আমি দিছো, পইচা খিনি দিয়াৰ পিচত গড়কপ্তানী বিভাগে কি কৰে সেইটো মই কব নোৱাৰিম। যিমান সোনকালে কৰিবপৰা যায় সিমান সোনকালে কৰিবলৈ যোগাযোগ কৰি আছো।

**Re : Goalpara Civil Hospital**

Shri Dewan Joynal Abedin asked :

*343 Will the Minister Health & F. W. be pleased to state :—

(a) The number of beds in Goalpara Civil Hospital ?

(b) How many of them in good condition ?

(c) Whether, it is a fact that it has been upgraded in to a District Hospital ?

Shri Chandra Mohan Patowary (Minister Health & F.W. Assam) replied :

(a) 63 Nos.

(b) 9 Nos.

(c) Of late Government have decided to construction 200

beded District Hospital at Goalpara at a new sited already allowed by the Government.

Shri Dewan Joynal Abedin : Mr. Speaker sir, the hon'ble Health Minister has replied in answer to my question (B) that in the Goalpara Civil Hospital the total number of beds is 50 and out of this, he has replied that only 9 beds are in good condition, that means, only 9 beds are in working condition and moreover, in reply to question (c) the hon'ble Minister has answered that it has been upgraded into a District level hospital since Goalpara has been converted into a District headquarter. Whether 200 beds would be provided in a separate hospital which has not yet been done. Sir, in view of this reply, may I ask the honourable Minister why out of 60 beds only 9 beds are in working condition in a district level hospital ?

Shri Chandra Mohan Patowary, (Minister) : Mr. Speaker, Sir, this is not my fault or the fault of the Government. Here I would like to refer to a letter from Director of Health services No. HT/16/84/51/726 dated 11.11.86 and later on we also issued another letter to C.M.&H.O to let us know the position of the Goalpara Civil Hospital. I personally visited the hospital also. I have seen all these things and have instructed our Health Transport to change some beds immediately in the Hospital in order to run it properly. Secondly, we also propose to construct one 200 beded hospital separately from that hospital. We are giving more importance to construct the new hospital. The position will improve within a short time because this is being done by our Health Transport Organisation.

Shri Dewan Joynal Abedin : Sir, I thank the Hon,ble Minister for his instruction to the concerned officials but at the same time we express our concern that the Government should see not only that instructions are issued to the concerned offiials but they should also ensure the instructions are carried out. In a district level hospital where there should be 200 beds, there are only 60 beds and out of this only 9 are working and they are flouting the instructions of the Minister. Sir, I would like to ask the Hon'ble Minister to ensure that his instructions are carried out in letter and spirit and I would like to ask another supplementary whether it is a fact that there is no ambulance in the Goalpara Civil Hospital ?

Shri Chandra Mohan Patowari, (Minister) : Sir, there is an ambulance but I would like to inform the House that the previous Government had purchased some vehicles which were below the standard and that is why even the new vehicles became out of order and these had to be put under repair. Now I can assure the House that we will be able to provide with vehicles immediately because we have placed orders to purchase new Tata vehicles and probably it will be available within a very short time. Unless the new Vehicles are available it is not possible to provide vehicle. There is, however, one ambulance and it is under repair now.

বিষয় ঃ দৰকা ৰাজ্যিক চিকিৎসালয়।

শ্ৰীআব্দুল জলিল ৰাগিৰী, য়ে সুধিছে :

* ৩৪৪ মাননীয় স্বাস্থ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) যমুনামুখ সমষ্টিৰ দৰকা আৰু যমুনামুখৰ ৰাজ্যিক চিকিৎসালয় দুটিব উন্নতিৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

(খ) যদি কৰা নাই তেন্তে বৰ্তমানে কৰিব নে ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) কৰা হৈছে।

(খ) প্ৰশ্ন নুঠে।

শ্ৰীদুৰ্গাদাস বড়ো : মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্ন টোৰ লগত যদিও অলপ মই অনুভৱ কৰিছো যে, এটা বেলেগ প্ৰশ্ন কৰা হব বুলি কব তথাপিতো দৰং জিলাৰ লগত ইয়াৰ সামঞ্জস্য আছে। দৰং জিলাৰ পশ্চিম কুটসাত যিখন ৰাজ্যিক চিকিৎসালয় আছে সেইখন পি, এইচ, চি লৈ উন্নিতকৰণ কৰা হ'ল আৰু তাত যি ষ্টাফ কোৱাৰ্টাৰ বনোৱা হৈছে ইতিমধ্যে পি, ডব্লিউ, ডি বিভাগে হেণ্ড অভাৰ কৰিবলৈ ওলাইছে। ঠিক সেই সময়তে মই গৈ সেই কোৱাৰ্টাৰ বিলাকৰ ওৱাল হাতেৰে চুই চালো। হাতেৰে চুই চাওঁতেই ওৱাল বেকাবেকাঁকৈ এৰি গল। এতিয়া মেডিকেল বিভাগৰ কোন মানুহে গৈ পি, ডব্লিউ, ডি বিভাগক এই ঘৰটো ভাল বুলি চাৰ্টিফিকেট দি গ্ৰহণ কৰিবলৈ কলে। এনেকুৱা ধৰণৰ যি বিলাক নতুন পি, এইচ, চিৰ ঘৰ সেই বিলাক গ্ৰহণ ক'ৰাতে পৰীক্ষা ক'ৰ চাব লাগে। কাগজে কলমে গ্ৰহণ নকৰি প্ৰেক্টিকেলী পৰীক্ষা কৰি চাই গ্ৰহণ কৰিবনে ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, উক্ত চিকিৎসালয় খন সম্পৰ্কত সুকীয়া প্ৰশ্নৰ প্ৰয়োজন আছে। মই উত্তৰতো দিছো। আমি পইচা দিয়াৰ পাচত বা ৰাইজক পইচা দিয়াৰ পাচত যদি কোনোবাই বেয়া কোৱালিটিৰ ঘৰ বান্ধে নিশ্চয় তাৰ ওপৰত ব্যৱস্থা লোৱা হব। মই দুখৰে জনাব বিচাৰিছো আমাৰ চৰকাৰ অহাৰ আগতে যিবিলাক হস্পিতাল বনাইছিল বা বনাইছে, আমি সেই হস্পিতাল বিলাক লোৱা নাই। বিশেষকৈ তিনিচুকীয়া হস্পিতালখন নোলোৱাৰ আগতেই ঘৰটোত ফাট মেলিছেই। শিৱসাগৰ চিভিল হস্পিতালতো ডাঙৰ ডাঙৰ ফাট মেলিছে। এইবোৰ কথাবোৰ আমি দৃষ্টি গোচৰ কৰিছো। মাননীয় দুৰ্গাদাস বড়ো ডাঙৰীয়াই যি প্ৰশ্ন উৎথাপন কৰিছে তেখেতে যদি মোক লিখিত ভাবে দিয়ে ভাল হয়।

শ্ৰীদুৰ্গা দাস বড়ো : দিয়া যাব।

শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, হেল্‌থ ডিপাৰ্টমেণ্টে নিজৰ এটা উইং খোলাৰ কাৰণে ব্যৱস্থা কৰিছে নেকি?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এইটো আমি কৰি আছো। এই বিষয়ে প্লেনিং কমিচনৰ লগত আলোচনা কৰি আছো।

Shri Shanti Ranjan Dasgupta : Sir, it has been seen that in different Government departments whenever the question of construction arises, they entrust the responsibility on the shoulder of the P.W.D. but the P.W.D says that they are overloaded because beginning from Rural Development Deppt. all other departmental work is on them. Why the different departments cannot entrust the job on the shoulder of the Assam Government Construction Corporation or they cannot build up any other method, by which the work can be speeded up and the standard also is maintained—will the Minister answer to that question ?

Shri Chandra Mohan Patowary, (Minister) : Mr. Speaker, Sir, already I have mentioned in reply to the Questions of the Hon'ble Member that we are thinking to from one construction cell of our own so that quality can be maintained. We are thinking about it and probably we will from that cell of construction of our own. I would like to assure the House that after that is done we can construct the buildings very properly.

**বিষয় : খেমেচী পশু চিকিৎসালয়ৰ গৃহ নিৰ্মাণ।**

শ্ৰীকিৰণ কুমাৰ গগৈ, য়ে সুধিছে :

*৩৪। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ডিব্ৰুগড় জিলাৰ মৰাণ সমষ্টিৰ চেপন মৌজাৰ অন্তৰ্গত খেমেচী পশু

চিকিৎসা কেন্দ্রটিৰ গৃহ নিৰ্মাণৰ বাবে চৰকাৰে বৰ্ত্তমানলৈকে কিমান টকা মঞ্জুৰী দিছে ?

(খ) উক্ত মঞ্জুৰীৰে গৃহ নিৰ্মানৰ কাম সম্পূৰ্ণ হ'লনে ?

(গ) যদি হোৱা নাই, কিয় হোৱা নাই তাৰ এটা তদন্ত কৰিবনে ?

শ্ৰীনগেন শৰ্মা (পশুপালন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ডিব্ৰুগড় জিলাৰ মৰাণ সমষ্টিৰ ধেমেচীত পশু চিকিৎসা কেন্দ্ৰ নহয় পশু চিকিৎসালয়হে আছে। ১৯৭৯-৮০ চনত ধেমেচী পশুচিকিৎসালয়টিৰ ডাক্তৰৰ আবাস গৃহ নিৰ্মাণৰ বাবে ৫১,০০০.০০ টকা আৰু চকিদাৰৰ বাস গৃহৰ বাবে ২৯,২০০.০০ টকা মুঠ ৮০,২০০.০০ টকা মঞ্জুৰী দিয়া হয়।

(খ) গৃহ নিৰ্মাণ কাম সম্পূৰ্ণ হোৱা নাই।

(গ) গৃহ নিৰ্মাণৰ কাৰ্য্য আৰম্ভ কৰি ১৯৮০-৮১ চনৰ ভিতৰত কাম প্ৰায় শেষ হোৱা অৱস্থাত ৰাস্তা বন্ধ হোৱা বাবে নিৰ্মাণৰ কাম ঠিকাদাৰে বন্ধ ৰাখে। ২৮-৩-৮৩ তাৰিখৰ পিছত কাম আৰম্ভ কৰিব পৰা হৈছিল যদিও ১৯৭৯-৮০ চনৰ প্ৰাককলনৰ বস্তুৰ দামত কাম কৰিব নোৱাৰো বুলি ঠিকাদাৰে কয় আৰু সেই মৰ্মে নতুনকৈ প্ৰাককলন তৈয়াৰ কৰি বাকী থকা কামখিনি কৰিবলৈ-যাবতীয় ব্যৱস্থা হাতত লোৱা হৈছে।

(পৰিপূৰক প্ৰশ্ন নাই)

## বিষয়: দুধনৈ সমষ্টিত পশু চিকিৎসালয়।

শ্ৰীঅকণ চন্দ্ৰ ৰাভাই সুধিছে :

* ৩১৬ মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) দুধনৈ সমষ্টিত কিমানখন পশু চিকিৎসালয় এই বছৰৰ ভিতৰত স্থাপন কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছে জনাবনে ?

(খ) দৰংগিৰি পশু চিকিৎসালয় খনৰ কাম কেতিয়া আৰম্ভ হব জনাবনে ?

শ্ৰীনগেন শৰ্মা (পশুপালন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) দুধনৈ সমষ্টিত এখন পশু চিকিৎসালয় আৰু এখন প্ৰাথমিক পশু

চিকিৎসা কেন্দ্ৰ এই বিত্তীয় বছৰতে স্থাপন কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছে।

(খ) সম্প্ৰতি দৰংগিৰিত পশু চিকিৎসালয় স্থাপনৰ কোনো প্ৰস্তাৱ নাই।

শ্ৰীঅকন চন্দ্ৰ ৰাভা: অধ্যক্ষ মহোদয়, প্ৰশ্ন 'ক'ৰ উত্তৰত সন্তুষ্ট হৈছো। কিন্তু প্ৰশ্ন 'খ'ৰ উত্তৰত সন্তুষ্ট হ'ব পৰা নাই। কাৰণ দৰংগিৰি ৰাজহুৱা সভা এখনত মন্ত্ৰী মহোদয়ে ঘোষণা দিছিল যে ১৯৮৭-৮৮ চনৰ ভিতৰত এটা পশু চিকিৎসালয় স্থাপন কৰা হ'ব। কিন্তু আজি যিটো উত্তৰ দিছে তাত বিসংগতি হৈছে। এই বিসংগতিৰ কাৰণ কি মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীনগেন শৰ্মা (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ প্ৰশ্নৰ উত্তৰত কব খুজিছো যে, বৰ্তমান ১৯৮৬-৮৭ চনৰ বাজেটহে চলি আছে। ১৯৮৭-৮৮ চনৰ বাজেট এতিয়া আৰম্ভই হোৱা নাই। সেইটো বছৰত হ'ব।

## বিষয়: চিকিৎসালয়ৰ ঘৰ মেৰামতি

শ্ৰীসুৰেণ স্বৰ্গীয়াৰী য়ে সুধিছে:

* ৩৪৭ মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) লোকেল বোৰ্ডৰ দিনতে সজোৱা চাপাগুৰি বিধানসভা সমষ্টিৰ চিকিৎসালয় সমূহৰ ঘৰবোৰ ভাঙি চিঙি শেষ হৈ যাব ধৰিছে এই বিষয়ে চৰকাৰে জানে নে?

(খ) যদি জানে, এই ঘৰবোৰৰ মেৰামতি কৰাৰ আঁচনি চৰকাৰৰ আছে নেকি?

(গ) যদি আছে, ঘৰবোৰ কেতিয়ালৈ মেৰামতি কৰা হ'ব?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) হয়

(খ) কিছুসংখ্যক ঘৰ মেৰামতি কৰাৰ আঁচনি আছে।

(গ) পুঁজিৰ ওপৰত নিৰ্ভৰ কৰি লোৱা হ'ব।

শ্ৰীসুৰেণ স্বৰ্গীয়াৰী: মাননীয় অধ্যক্ষ মহোদয়, চাপাগুৰি সমষ্টিৰ চিকিৎসালয়ৰ ঘৰবোৰ পুঁজিৰ ওপৰত নিৰ্ভৰ কৰি মেৰামতি কৰা কাম হাতত লোৱা হ'ব বুলি কৈছে। এই বিত্তীয় বছৰতেই ঘৰবোৰ মেৰামতি কৰাৰ ব্যৱস্থা লবনে?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ প্ৰশ্নৰ উত্তৰত জনাও যে, চাপাগুৰি সমষ্টিৰ জালাহৰ যিখন হস্পিতাল আছে, তাৰ ঘৰ দুৱাৰ বিলাক বেয়া হৈ আছে। তাৰওপৰি এই অঞ্চলটো মেলেৰীয়া পীড়িত ভিতৰুৱা জনজাতীয় অঞ্চল। এইবাৰ আমি ৩৪ লাখ ২২ হাজাৰ ৯০০ টকা দি ৩০ খন বিচনাযুক্ত হস্পিতালৰ বাবে প্ৰশাসনীক অনুমোদন দিছো।

শ্ৰীদুৰ্গা দাস বড়ো : মই জনাত লোকেল বোৰ্ডৰ ভিতৰত পৰা বিভিন্ন বিভাগত ঘৰ আছে। সেই ঘৰ বিলাক ভাঙি কৰবাত পি, এইচ, চি কৰা হৈছে। এই বিলাক ভাঙি দিয়াৰ পাচত টিং কাঠ বিলাক কোনে নিব ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) : মাননীয় সদস্য গৰাকীয়ে স্কুলত এই বস্তু বিলাক দিব পাৰি নেকি প্ৰশ্ন কৰিব। কিন্তু তাৰ আগতে মই কওঁ যে সেই বিলাক বেলেগক নিদিও আমাৰ বিভাগতে থাকিব।

## বিষয় : গোৱালপাৰা চিভিল হস্পিতেলৰ গাড়ী

শ্ৰীমজিৰুদ্দিন আহমেদে, সুধিছে :

* ৩৪৮ মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) গোৱালপাৰা চিভিল হস্পিতেলত এ, এচ, ইউ—৩৮৩৭ নং যানবাহন খন কোন তাৰিখে দিয়া হৈছিল আৰু কোন তাৰিখে মেৰামতিৰ বাবে কেন্দ্ৰীয় workshop ত জমা দিয়া হৈছে ?

(খ) সেই গাড়ীখন মেৰামতি হলনে আৰু যদি হৈছে গড়ীখন কেতিয়া গোৱালপাৰা হস্পিতালত workshopৰ পৰা ঘূৰাই দিয়া হৈছে।

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) এ, এচ, ইউ, ৩৮৩৭ নং গাড়ীখন ১৯৭৫ চনত গোৱালপাৰা মহকুমা স্বাস্থ্য বিষয়াৰ নামত দিয়া হৈছিল আৰু ৩/৪/৮৬ ইং তাৰিখত মেৰামতিৰ বাবে গুৱাহাটীৰ কেন্দ্ৰীয় কাৰখানাত জমা দিয়া হৈছে।

(খ) হোৱা নাই, কাৰণ গাড়ীখন ব্যৱহাৰৰ অনুপযোগী।

শ্ৰীমজিৰুদ্দিন আহমেদ : মাননীয় অধ্যক্ষ মহোদয়, এ, এচ, ইউ, ৩৮৩৭

গাড়ীখন আনিবৰ এবছৰেই হ'ল । কিন্তু আজিও মেৰামতি কৰা নহ'ল । গতিকে মন্ত্রী মহোদয়ে জনাবনে মেৰামতি কেতিয়া কৰা হব আৰু যদি মেৰামতি কৰা নহয় হস্পিতালৰ ব্যৱহাৰৰ কাৰণে নতুন এখন গাড়ী দিবনে ?

শ্রীচন্দ্রমোহন পাটোৱাৰী (মন্ত্রী) : আগৰ যিখন গাড়ী আছিল, সেই খন ১৯৭৫ চনত স্বল্পশক্তি নিৰাৱনিৰ কাৰণে পাইছিল । গাড়ীখন ৰিপিয়াৰ কৰা অৱস্থাত নাই । এতিয়া এটা নতুন গাড়ী কিনিবলৈ দিয়া হৈছে । তাৰ ভিতৰত কোনে কিমান পায় পাব ।

শ্রীমজিৰুদ্দিন আহমেদ : নতুন গাড়ী আহিলে গোৱালপাৰাত এখন দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্রীচন্দ্রমোহন পাটোৱাৰী (মন্ত্রী) : ইয়াৰ আগতে মই মাননীয় সদস্য জয়নাল আবেদিনক কৈছো । এতিয়া আপোনাক কলে আপুনিও এখন পাব আৰু তেখেতেও এখন পাব ।

## বিষয় : NREP আৰু RLEGP Scheme

শ্রীইউছুফ আলী আহমেদে সুধিছে :

* ৩৪৯ মাননীয় গ্ৰামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) ১৯৮৩-৮৪ আৰু ১৯৮৪-৮৫ চনৰ বিলাসীপাৰা উন্নয়ন খণ্ডৰ N.R.E.P আৰু RLEGP Scheme ৰ অধিকৰ্ত্তা হৈ থকা স্কুল সমূহৰ ঘৰবোৰ সম্পূৰ্ণ কৰাৰ বাবে অতিৰিক্ত মঞ্জুৰী দিয়া হবনে ?

(খ) যদি দিয়া নহয় ইয়াৰ কাৰণ কি ?

(গ) যদি দিয়া হয় তেন্তে কেতিয়াৰ পৰা দিয়া হব ?

শ্রীচন্দ্র আৱঙ্কৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্রী) যে উত্তৰ দিছে :

(ক) ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ আচনি আৰু ৰাষ্ট্ৰীয় গ্ৰাম্য ভূমিহীন লোকৰ নিশ্চিত নিয়োগ আঁচনিৰ অন্তৰ্ভুক্ত অসমাপ্ত আঁচনিসমূহ সমাপ্ত কৰাৰ বাবে অতিৰিক্ত মঞ্জুৰীৰ কথা নাহে । এটা বছৰৰ অসমাপ্ত কামখিনি তাৰ পিছৰ নতুন বছৰত সেই বছৰৰ ধাৰ্য্য ( Allocation ) ধনৰ পৰা লৈ অগ্ৰাধিকাৰ ভিত্তিত সেই কাম সমাপ্ত কৰাটোৱে নিয়ম ।

(খ) আৰু

(গ) প্ৰশ্ন নুঠে

শ্ৰীইউছুফ আলী আহমেদ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে, আগৰ বছৰৰ আধৰুৱা হৈ থকা কাম বিলাক বিত্তীয় বছৰত অগ্ৰাধিকাৰ হিচাবে কৰা হয়। গতিকে আজি ৩/৪ বছৰে আধৰুৱা হৈ থকা কাম বিলাক অগ্ৰাধিকাৰ দি কৰিবলৈ প্ৰজেক্ট ডিৰেক্টৰক নিৰ্দ্দেশ দিব নেকি ?

শ্ৰীচন্দ্ৰ আৰক্ষৰা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই সদনত আগতে কৈছো যে, বিভিন্ন জিলাৰ কাম বিলাক ক্ষীপ্ৰতাৰে কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে ।

শ্ৰীশান্তিৰঞ্জন দাসগুপ্ত : এই আৰ, এল, ই, জি, পি টকাটোযে আছে সেইটো ৰাজ্যিক চৰকাৰৰনে কেন্দ্ৰীয় চৰকাৰৰ ?

শ্ৰীচন্দ্ৰ আৰক্ষৰা (মন্ত্ৰী) : এই টকাটো সমুদায় কেন্দ্ৰীয় চৰকাৰে দিয়ে ।

শ্ৰীঅমৃতলাল বসুমতাৰী : এন, আৰ, ই, পি আৰু আৰ এল, ই, জি, পিৰ আচনিত লোৱা ৰাস্তা বিলাকত বহুত দুৰ্নীতিৰ প্ৰভিজন আছে। এই বিলাক হৰ নে নহয় ? দুতমাত ১৯৮৩/৮৪ চনত এন,আৰ,ই,পি আচনিত জুনিয়ৰ বেচিক স্কুল এখন সজা হৈছিল। ডি, আইক হস্তান্তৰ কৰাৰ আগতে ৰতাহত ভাঙি গ'ল । বহুতো অভিযোগ কৰা হৈছে মন্ত্ৰী মহোদয়ে কিবা একচন লৈছে নেকি ?

শ্ৰীচন্দ্ৰ আৰক্ষৰা (মন্ত্ৰী) : এই এন,আৰ,ই,পি আৰু আৰ এল,ই,জি,পিত যিবিলাক আলিবাট সজা হৈছে তাত দুৰ্নীতিৰ কামো চলি আছে । তাৰ কাৰণে নিৰ্দ্দেশ দিয়া হৈছে । যি খন স্কুলৰ কথা কৈছে মই সিদিনা দুতমালৈ যাওঁতে চাই আহিছো । এইটো তদন্ত কৰিবলৈ দিয়া হৈছে । যদি কোনোবা দোষী বুলি প্ৰমানিত হয় তেনেহলে ব্যৱস্থা লোৱা হব ।

শ্ৰীদুৰ্গা দাসবড়ো : দৰং জিলাত এন,আৰ,ই,পি আৰু আৰ এল,ই,জি,পি আচনিত কৰা স্কুল বিলাকৰ কাঠ কমিটিক কিনিবলৈ দিয়া হৈছে । কোনোবা ব্লকত স্কুল বিলাকৰ কাঠ কমিটিক কিনিবলৈ দিয়া হৈছে আৰু কোনোবা ব্লকত ডিৰেক্টৰৰ অফিচক টেণ্ডাৰ কল কৰিব দিয়া হৈছে । যিবিলাক স্কুলত টেণ্ডাৰৰ জৰিয়তে দিয়া হৈছে, সেই বিলাকত বেয়া কাঠ । কমিটিৰ জৰিয়তে কিনা কাঠ বিলাক ভাল কাঠ । গতিকে এনেধৰণৰ বিসংগতি নাৰাখি কেৱল কমিটিকেই কাঠ কিনিবলৈ নিৰ্দ্দেশ দিব লাগে । মোৰ নিজৰ সমষ্টিতে দুখন বিদ্যালয়ত দেখিছো, ব্যৱহাৰ কৰিব পৰা ধৰণৰ কাঠ দিয়া নাই । গতিকে এই দুৰ্নীতিৰ বিষয়ে তদন্ত

কৰি সেই কাঠ বিলাক সলনি কৰি এই মাহতে নতুন কাঠ দিয়াৰ ব্যৱস্থা কৰিব নে ?

শ্ৰীচন্দ্ৰ আৰেঙ্কৰা (মন্ত্ৰী) : আমাৰ ইতিমধ্যে স্কুল ঘৰ সজা কমিটি কৰি দিয়া হৈছে । বিভাগৰ পৰা তেনেকুৱা কোনো ধৰাবন্ধা নিয়ম নাই যে কাঠ বিলাক প্ৰকল্প সঞ্চালকৰ অৰ্ডাৰৰ পৰা কিনিব লাগিব । স্কুলখন সজাৰ দায়িত্ব কমিটিৰ । এই যি বিলাক নিম্ন মানৰ ইটা বালি যোগান ধৰাৰ কথা কৈছে সেই সম্পৰ্কত বিভাগীয় বিষয়াক মাতি আনি চাম ।

শ্ৰীপ্ৰদীপ হাজৰিকা : এন, আৰ, ই, পি আদি আচনিত যি কোনো কাম কৰোতে ৪০–৬০ হাজাৰ টকাৰ প্লেন এষ্টিমেট কৰা হয় । এতিয়া দেখা যায় এটা ব্লকৰে কোনোটো কাম সম্পূৰ্ণ হয় আৰু কোনোটো কাম আধৰুৱা হৈ থাকে । অৰ্থাত স্কুলখন হৈ যায় বাৰান্দা সম্পূৰ্ণ নহয় । সেই কাৰণে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে যি খিনি বাকী থকা কাম সেইখিনিৰ পইচা খিনি উলিয়াই সম্পূৰ্ণ কৰাৰ ব্যৱস্থা লবনে ?

শ্ৰীচন্দ্ৰ আৰেঙ্কৰা (মন্ত্ৰী) : মাননীয় সদস্যই যি প্ৰশ্ন কৰিছে সেইটো হয় । মই ঘূৰি ফুৰি দেখিছো যে খণ্ড উন্নয়ণ কাৰ্যালয় এটাৰ অধীনত কোনো এখন স্কুল ৪৫ হাজাৰ টকাত সম্পূৰ্ণ হয় আৰু কোনোবা খনত বেৰখনেই সম্পূৰ্ণ হৈ নুঠে । নিৰ্দ্দিষ্ট কৰি দিয়া টকা যদি সম্পূৰ্ণ আদায় কৰি দিয়া হৈছে তেন্তে নতুনকৈ টকা দিয়াত অসুবিধা আছে । সেই কাৰণে এই কথা বিলাক ভালকৈ চালিজাৰি চাইহে কাম কৰিব লাগিব ।

**Re : Roaster System for Selection of Doctor.**

Shri Silvius Condpan, asked :

*350 Will the Minister, Health be pleased to State :

(a) Whether Roaster System is followed in Case of Scheduled Tribes/Scheduled Castes Doctors for post-Graduate Studies in Medical Colleges of Assam ?

Shri Chandra Mohan Patowary (Minister of Health) replied :

(a) No.

শ্ৰীচিলভিউচ কন্দপান : অনুসূচীত জাতি আৰু জনজাতিৰ প্ৰাৰ্থীৰ পোষ্ট গ্ৰেজুৱেট পঢ়াৰ ক্ষেত্ৰত উক্ত জাতিৰ প্ৰাৰ্থীৰ ৰোষ্টাৰ মেইনটেইন কৰা হয়নে নহয় ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) : পঢ়াৰ কাৰণে নিৰ্দিষ্ট নিয়ম নীতি আছে। গতিকে পঢ়াৰ কাৰণে ৰোষ্টাৰ নাই।

Shri Abdul Muqtadir Choudhury: Mr. Speaker, Sir, may I know from the Hon'ble Minister, Health, whether Government will consider selecting candidates from the Scheduled-castes and Scheduled-tribes for Post-graduate Studies according to proportionate basis or it should go as it is now?

Shri Chandra Mohan Patowary (Minister) : Sir, as far as the existing rules for Post-Graduate-Studies, there is no such provision. But if the Hon'ble Members of this House so desire, then we may discuss the matter separately.

**Re : Health Sub-Centres**

Shri Ardhendu Kr. Dey, asked :

351. Will the Minister, Health &.F.W. be pleased to State.

(a) Whether it is within the knowledge of the Government that the proposed Health Sub-Centres under Lumding constituency have not yet been constructed ?

(b) If so, what action Government is going to take about early construction of the Sub-Centres ?

Shri Chandra Mohan Patowary (Minister, Health & F.W.) replied :

(a) Yes.

(b) The Chief Medical Health officer and Additional Chief Medical & Health officer, (FW), have already been instructed to hand over the land to PWD for construction of Sub-Centres where ever land is available. On receipt of Plan & estimate from the PWD the necessary fund will be provided for construction of Sub-Centres.

Shri Ardhendu Kr. Dey : Mr. Speaker Sir, thanks to the Hon'ble Minister, Health, Dr. Patowary for giving the reply.

Shri Zoii Nath Sharma : Sir, the Hon'ble Member is to withdraw the word 'Doctor Patowary'.

Shri Ardhendu Kr. Dey : Sir, I have withdrawn the word. Then, sir, before coming to the supplementary question, I would like to state that there are certain difficulties for which the construction works of Health Sub-centres cannot be taken up. We have seen that there is lack of coordination and co-cperation between the Sub-deputy collector and the P.W.D. Whenever such occasion arises, the Madical Department, after giving specific sanction, instructs the Sub-deputy collector to hand over the land to P.W.D. But, sir, the Sub-deputy Collector in variably in all cases shows a very letharjic attitude and lacks all sincerity to hand over the land to the P.W.D. and as a result of that most of the Sub-centres cannot come up. In view of this, may I know from the Hon'ble Minister what action he can take in this respect ?

Shri Chandra Mohan Patowary (Minister) : Mr. Speaker. sir, I am sorry to say that Honourable Member of this

House should not make such insinuation. He should not say 'Doctor Patowary'. This is not fair. I am really sorry to hear it from the Hon'ble Member Mr. Dey.

Mr. Speaker : The Hon'ble Member has withdrawn it.

Shri Chandra Mohan Patowary (Minister) : Yes, sir, he has withdrawn it but it is not fair. I am also a Law Graduate and more withdrawal is not enough. I know what it means. According to legal term, utterance of such word relates to its intention.

Mr. Speaker : I think it will not be repeated.

Shri A. F. Golam Osmani : Mr. Speaker sir, on behalf of our Legislature Party, we sincerely express our regret over this, but of course the Hon'ble Member has not meant any insinuation. So let us take it in good sense.

**(Voice—Yes, Yes)**

Shri Chandra Mohan Patowary (Minister) : Sir, as I have said, we have already instructed the concerned Chief Medical Officers to hand over land to P.W.D. for constructing the Sub-Centres; but the particular information wanted by the Hon'ble Member as he has put it here. I think, the Hon'ble Revenue Minister will be the proper authority to answer this question.

Mr Speaker : Next Question No. 352.

**বিষয় ঃ খণ্ডউন্নয়ন কাৰ্য্যালয়ৰ বাবে মাটি**

শ্ৰীমছিৰ উদ্দিন সেখে সুধিছে ঃ

* ৩৫২ মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

নতুনকৈ হ'বলগীয়া উন্নয়ন খণ্ডৰ কাৰ্য্যালয়ৰ বাবে কিমান বিঘাকৈ জমি লাগিব বুলি চৰকাৰে নিৰ্দ্ধাৰণ কৰিছে ?

শ্ৰীচন্দ্ৰ আবন্ধৱা (পঞ্চায়ত বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

বৰ্ত্তমান অৱস্থাত এটা নতুন উন্নয়ন খণ্ডৰ কাৰ্য্যালয়, আবাস গৃহ আদিৰ বাবে প্ৰায় ৩০ (ত্ৰিশ) বিঘা মাটিৰ আৱশ্যক।

শ্ৰীমছিৰ উদ্দিন সেখ : অধ্যক্ষ মহোদয়, নতুনকৈ হবলগীয়া উন্নয়ন খণ্ডৰ কাৰ্য্যালয়ৰ বাবে ৩০ বিঘাকৈ মাটি বিচাৰিছে, কিন্তু উন্নয়ন খণ্ডৰ হেড কোৱাৰ্টাৰ কৰিব পৰা ঠাইত ৩০ বিঘা আমি পোৱা টান। গতিকে যি ৩০ বিঘা মাটি লাগিব বুলি কৈছে তাৰ নিৰিখ হ্ৰাস কৰিব নোৱাৰিব নে ? দ্বিতীয়তে এই মাটি লোৱাৰ বাবে ক্ষতিপূৰণ দিয়া হবনে নহয়, মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীচন্দ্ৰ আবন্ধৱা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, বৰ্ত্তমান চৰকাৰে লোৱা গ্ৰাম্য উন্নয়নৰ ক্ষেত্ৰত আঁচনিৰ শিতানত খণ্ড উন্নয়ন কাৰ্য্যালয়ৰ কাম কৰিবৰ বাবে ৩০ বিঘা মাটি লাগিব বুলি চিন্তা কৰিছো। আৰু যদি কাৰোবাৰ পৰা মাটি অধিগ্ৰহন কৰা হয়, তেন্তে নীতিগত হিচাবে তেওঁক ক্ষতিপূৰণ দিয়া হব।

**বিষয় : কাকাধোৱা প্ৰাথমিক বিদ্যালয়।**

শ্ৰীমুক্তাৰ হুছেইনে সুধিছে :

* ৩৫৩ মাননীয় গ্ৰাম্যউন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰপেটা জিলাৰ চেঙা ব্লকৰ কাকাধোৱা প্ৰাথমিক বিদ্যালয়ৰ ঘৰ এন, আৰ, ই, পি আঁচনি মতে সজা হৈছিল কিন্তু বৰষুনৰ পানী পৰাত গলি যোৱাৰ বিষয়ে চৰকাৰ অৱগত নে ?

(খ) উক্ত স্কুলঘৰ নিৰ্ম্মাণ কৰোতে বিভাগৰ পৰা অনা লোহাৰ ৰড এটাও ঘৰখনত লগোৱা হোৱা নাই, এই কথাটোও সচাঁনে ?

(গ) এইটোও সচাঁ নে যে, স্কুল ঘৰখন গলি যোৱাৰ পাচত ঠিকাদাৰক সম্পূৰ্ণ বিলৰ টকা দিয়া হৈছে ?

(ঘ) যদি সচাঁ এই বিষয়টো তদন্ত কৰি যথা বিহিত ব্যৱস্থা লবনে ?

শ্ৰীচন্দ্ৰ আবন্ধৱা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) বৰপেটা জিলাৰ চেঙা উন্নয়ন খণ্ডৰ কাকাধোৱা প্ৰাথমিক বিদ্যালয়ৰ ঘৰটো এন, আৰ, ই, পি আঁচনিত ১৯৮৪-৮৫, চনত নিৰ্ম্মান কৰা

হৈছিল। বৰপেটা গ্ৰামোন্নয়ন সংস্থাৰ পৰা পোৱা তথ্য অনুসৰি ঘৰটো প্ৰবল ধুমুহাত বিধ্বস্ত হয়।

(গ) এই স্কুল ঘৰটোৰ নিৰ্মানৰ কাম সম্পূৰ্ণ হোৱাৰ পাচত দিব লগা টকাৰ বিল দাখিল কৰাত ঠিকাদাৰক সম্পূৰ্ণ টকা আদায় দিয়া সত্য।

(খ) আৰু (ঘ) এই বিষয়টো সম্পৰ্কে গ্ৰামোন্নয়ন-সঞ্চালকক তদন্ত কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে। তদন্তৰ প্ৰতিবেদন অনুযায়ী ব্যৱস্থা লোৱা হব।

শ্ৰীমুক্তাৰ হুছেইন : মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ প্ৰশ্নৰ উত্তৰত সন্তুষ্ট হব পৰা নাই। বৰং আচৰিতহে হৈছো। মোৰ গাৱৰ পৰা ১॥ কিলোমিটাৰ দূৰত যোৱা ১৯৮৪ চনৰ পৰা ১৯৮৭ চনৰ ভিতৰত কোনো বতাহ ধুমুহা আদি হোৱা নাই। আনকি কলগছ এজোপাও পৰা নাই। এই স্কুলখনত দুৰ্ভাগ্য ক্ৰমে ববষুণ হৈছিল। সেই কাৰণে ঘৰটো ভাঙি পৰিছিল। সেই ঠাইত ঐতিহাসিক স্তম্ভ এতিয়াও আছে। গতিকে মন্ত্ৰী মহোদয়ে চৰজমিনে তদন্ত কৰিব লাগে যে, ১৯৮৪ চনৰ পৰা ১৯৮৭ চনলৈ তাত ধুমুহা হৈছিলনে নাই? বৰষুণ হোৱা বাবে খেৰি ঘৰ আৰু ২/১ জোপা কলগছ ভাঙিছে। সেইকাৰণে এই সক্ৰান্তত মই উপায়ুক্তৰ ওচৰত প্ৰথমেই অভিযোগ দিছিলো। ইয়াৰ ফল স্বৰূপে তাৰ জুনিয়ৰ ইঞ্জিনিয়াৰক চেঙালৈ আৰু চেঙাৰ জুনিয়ৰ ইঞ্জিনিয়াৰক কলগাছিয়া ব্লকলৈ বদলি কৰা হৈছে। আৰু ঠিকাদাৰক সম্পূৰ্ণ বিল আদায় দিয়া হৈছে। এই বিলৰ টকা স্কুল কৰ্ত্তৃপক্ষক দিয়া হলেও স্কুলৰ লৰা ছোৱালী বাহিৰ পৰাকৈ বেঞ্চ আদি আনি আৰু স্কুল ঘৰৰ বেৰ আদি বনাব পাৰিলেহেতেন। কিন্তু বিভাগে ঠিকাদাৰক বিলৰ টকা দি দিছে। চেঙা ব্লকৰ আৰু বহুতো স্কুল আছে, যিকেইটাৰ টিনপাত বিভাগে দিয়া স্কুলঘৰত লগোৱা হোৱা নাই। সেই টিনপাত কত গৈছে আৰু কাৰ ঘৰত লগাইছে সেই কথা মই জানো। গতিকে মন্ত্ৰী মহোদয়ে গোটেই কথাটো চৰজমিনে তদন্ত কৰিবনে?

শ্ৰীচন্দ্ৰ আৰিন্ধৰা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, কথাটো হৈছে যে, 'কেচু খান্দিলে সাপ' ওলায়। ১৯৮৪ চনৰ পৰা ১৯৮৬ চনৰ ভিতৰত বহুতো স্কুল ঘৰ সজা হৈছে। আৰু ৭ খন স্কুল ধুমুহা নোহোৱাকৈ ভাঙি পৰিছে। এই ক্ষেত্ৰত তদন্ত কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে। মাননীয় সদস্য গৰাকীয়ে সদনত দাবী কৰিছে

যে, বিষয়টো চৰজমিনে তদন্ত কৰিব লাগে। গতিকে গোটেই বিষয়টো তদন্ত কৰি উপযুক্ত দোষীৰ ওপৰত বিহিত ব্যৱস্থা গ্ৰহন কৰা হব।

## বিষয় ঃ বাঘবৰ সমষ্টিত স্বাস্থ্য উপকেন্দ্ৰ স্থাপন

শ্ৰীশেখ আব্দুল হামিদে, সুধিছে ;

*৩৫৪। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসম বিধান সভাৰ প্ৰত্যেকটো সমষ্টিতে (৫) পাঁচটাকৈ উপস্বাস্থ্যকেন্দ্ৰ স্থাপন কৰিবলৈ লোৱা সিদ্ধান্তটো সচানে ?

(খ) যদি হয়, তেন্তে ৪৫ নং বাঘবৰ বিধান সভা সমষ্টিত তেনে উপস্বাস্থ্য কেন্দ্ৰ ক'ত ক'ত স্থাপন কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) যে উত্তৰ দিছে ঃ

(ক) তেনে কোনো সিদ্ধান্ত চৰকাৰে এতিয়ালৈ লোৱা নাই।

(খ) তলত দিয়া ঠাই সমুহত বৰ্তমান বছৰত স্বাস্থ্য উপকেন্দ্ৰৰ মঞ্জুৰী দিয়া হৈছে। (১) বাঘবৰ (২) উজিৰৰ চৰ (৩) বাগমাৰাচৰ (৪) গোপালপুৰ আৰু (৫) সাতবালোবা।

শ্ৰীশেখ আব্দুল হামিদ ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ উত্তৰৰ পৰা জানিব পাৰিছো যে, যদিও ১ নং প্ৰশ্নৰ উত্তৰত ৫ টা চাব চেণ্টাৰ দিয়া বাবে সিদ্ধান্ত এতিয়ালৈকে চৰকাৰে লোৱা নাই বুলি কৈছে, মোৰ 'খ' প্ৰশ্নৰ উত্তৰত দেখা গৈছে যে, ৫ টা চাব চেণ্টাৰ দিয়া হৈছে। এতিয়া প্ৰশ্ন হল যে, ৪ নংত গোপালপুৰত স্বাস্থ্য উপকেন্দ্ৰৰ বাবে মঞ্জুৰী দিয়া হৈছে বুলি কৈছে। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, গোপালপুৰত আজি ৪/৫ বছৰৰ আগতেই চাব চেণ্টাৰ কৰা হৈছে। এতিয়া তাত কেনেকৈ দিয়া হব ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, গোপালপুৰত ৪/৫ বছৰৰ আগতেই চাব চেণ্টাৰ দিয়া হৈছে বুলি আমি চৰকাৰী হিচাব মতে জানিব লাগিব। চৰকাৰী হিচাবমতে নজনাৰ বাবেই তাত দিয়া হৈছে।

শ্ৰীশেখ আব্দুল হামিদ ঃ অধ্যক্ষ মহোদয়, গোপালপুৰৰ চাব চেণ্টাৰত আনকি ষ্টাফ আদিও দিয়া হৈছে। কিন্তু এতিয়া পুনৰ গোপালপুৰতে চাব চেণ্টাৰ কৰাৰ

বাবে মজুৰী দিছে। যিহেতুকে গোপালপুৰত চাব চেন্টাৰ আছে, সেই হেতুকে এই টকা বাঘবৰত দিয়া হবনে ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, চৰকাৰী কাগজপত্ৰ আৰু ফাইল আদি চাই যদি দেখা যায় যে গোপালপুৰত চাব চেন্টাৰ আছে তেনেহলে বেলেগক দিয়া হব। প্ৰয়োজন হলে, এটা কিয় আৰু ৫ টা দিবপৰা হব।

**Re : Bidyaratanpur State Dispensary**

Shri Digendra Purkayastha, asked.

*355 Will the Minister Health & F. W. be pleased to State :

(a) Whether it is a fact that the Bidyaratanpur State Dispensary in Silchar Sub-Division is running without any doctor since August, 1986 ?

(b) If so why ?

(c) Whether it is also a fact that the Pharmacist of the said Dispensary is also on Medical Leave for the last few months ?

(d) If so how the dispensary is functioning at present ?

Shri Chandra Mohan Patowary ( Minister **Health** & F.W. ) replied :

(a) Yes.

(b) The Doctor of the said Dispensary have been transferred to Harinagar P.H.C.

(c) Yes, But another Pharmacist has already been posted there.

(d) The said Dispensary is presently functioning with one Pharmacist and one A.N.M.

Shri Abdul Rob Laskar : Mr. Speaker sir, the Bidyaratanpur State Dispensary has been running without a Doctor since last 8 months. This post has been lying for such a long time sir, and posting of another Doctor has not been done before the transfer of the earlier doctor to another Dispensary. May I know from the Hon'ble Minister whether because of want of the doctors to be posted, this State Dispensary is running without a Doctor ; and secondly, if there is no Doctor available for posting, will the Hon'ble Minister take immediate steps for providing a Doctor at the said Dispensary ?

Shri Chandra Mohan Patowary (Minister) : Sir, Government is facing a practical problem in posting a doctor. There is dearth of doctors, and that is why, Government have already advertised for recruitment of 257 number of doctors, and after recruitment the situation will ease. Secondly there is so much of problem in finding a willing doctor to work in some parts of the State, particularly in the district of the Hon'ble Member. There is no secret about it, but it is not possible on my part to describe the position here, we finding some problem; it is a very vital problem. Anyway, after our recruitment of new doctor is completed, I would like to assure hundred percent to the Hon'ble Member that we will be posting a doctor there.

Mr. Speaker : Next Question No. 356.

বিষয় : চাহ শ্ৰমিকক যোগান ধৰা খাদ্য সামগ্ৰী।

শ্ৰীপদ্ম নাথ কৈৰী, য়ে সুধিছে :

* ৩৫৬ মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমৰ চাহ বাগিছাবোৰত শ্ৰমিকৰ বাবে সস্তিয়া দৰত আটা আৰু চাউল যোগান ধৰিবৰ বাবে মালিক সকলক কোনে উক্ত বস্তুবোৰ যোগান ধৰে ?

(খ) বাগিছাবোৰত খাদ্য সামগ্ৰী যোগান ধৰোতে ভাল বেয়াৰ মান কোনে নিৰ্ণয় কৰে ?

শ্ৰীবিৰাজ কুমাৰ শৰ্মা (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) বৰ্ত্তমান ভাৰত চৰকাৰে, আমাৰ ৰাজ্যৰ বাবে মাহে ৫৪০,০০০ টন চাউল আৰু ৩৬,৪০০ টন ঘেঁহু আবণ্টন দিয়ে। তাৰে এটা ভাগ অসমৰ চাহ বাগিছা সমূহৰ শ্ৰমিক শ্ৰেণীৰ মাজত বিতৰণ কৰাৰ বাবে ৰাজ্য চৰকাৰে মাহে মাহে আবণ্টন কৰে। বাগিছা কৰ্ত্তৃপক্ষয় এই নিৰ্দ্ধাৰিত আবণ্টন সামগ্ৰী নিজা নিজা সন্থাৰ (Association) মাধ্যমেৰে ভাৰতীয় খাদ্য নিগমৰ ভৰালৰ পৰা উঠাই বিতৰণ কৰে। কেৱল মাত্ৰ ৯ খন বাগিছাইহে (যি কোনো সন্থাৰ সভ্য নহয়) নিজে বিতৰণ কৰে। চৰকাৰৰ তৰফৰ পৰা ঘেঁহুৰ আবণ্টন দিয়া হয়। ওপৰোক্ত সন্থা বা এজেণ্টে জাঁত (Chakki) কলত ঘেঁহু পিহি আটা হিচাবে বাগিছাবোৰত যোগান ধৰে।

(খ) ন্যায্য গুণবিশিষ্ট সামগ্ৰীৰ যোগান ধৰাৰ বাবে ভাৰতীয় খাদ্য নিগম, সংশ্লিষ্ট সন্থা আৰু সংশ্লিষ্ট বিভাগৰ বিষয়াৰ ওপৰত নিৰ্দ্দেশ দিয়া আছে। ইয়াৰ ব্যতিক্ৰম হলে বা ভেজাল কৰিলে আইনৰ ধাৰামতে বিহিত ব্যৱস্থাৰ বিধান আছে।

শ্ৰীপদ্ম নাথ কৈৱী: মাননীয় অধ্যক্ষ মহোদয়, চাহ বাগান বিলাকত ঘেহু যোগান ধৰা হয় সন্থাই যোগেদি। কিন্তু এই মিলিং কৰোতে চাকি মিলৰ যোগেদি মিলিং কৰা কথাটো উল্লেখ কৰিছে কিন্তু এই নিৰ্দ্দেশ অসম চৰকাৰে দিয়েনে তেওঁলোকে নিজে নিজে কৰি লব পাৰে।

শ্ৰীবিৰাজ কুমাৰ শৰ্মা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ তৰফৰ পৰা যিবিলাক ঘেহু দিয়া হয় চাকি মিলিং কৰি যোগান ধৰা হয়। চাকি মিলিংৰ

বাহিৰেও বাহিৰত মিলিং কৰিব পাৰিব বুলি কোনো নিৰ্দ্দেশ নাই। সাধাৰণতে চাকি মিলিঙেই যেহু তৈয়াৰ কৰি শ্ৰমিকৰ মাজত বিতৰণ কৰিবলৈ দিয়া হয়।

শ্ৰীপদ্মনাথ কৈৰী : মাননীয় অধ্যক্ষ মহোদয়, কিছুমান বাগানৰ বাহিৰৰ পৰা আটা যায় কিছু ক্ষেত্ৰত প্ৰো' চাকি মিল কৰি যেহু তৈয়াৰ কৰোতে এফালে জাবৰ, এফালে আটা, এফালে চুজি আদি ওলায় আৰু যিখিনি জাবৰ, হয় সেইখিনি বাগানত দিয়া হয়। গতিকে প্ৰো' চাকি মিল নকৰিবৰ কাৰণে এটা ষ্ট্ৰিক অৰ্ডাৰ দিব লাগে। এটি ষ্ট্ৰিক অৰ্ডাৰ সন্থা বিলাকক দিবলৈ অনুৰোধ জনালো।

শ্ৰীবিৰাজ কুমাৰ শৰ্মা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এনেধৰণৰ অভিযোগ আমি এতিয়াও পোৱা নাই। যদি কিবা বেয়া ধৰণে বিতৰণ কৰা হৈছে স্পেচিয়েলী প্ৰশ্ন কৰিলে মই তাৰ তদন্ত কৰিম।

শ্ৰীপদ্মনাথ কৈৰী : মাননীয় অধ্যক্ষ মহোদয়, মই এই কথাটো বাহিৰত চিঞৰি চিঞৰি কৈ ফুৰিছো আৰু এতিয়া এই কথাটো সদনত উত্থাপন কৰিছো। সেইবাবে নিজে অনুসন্ধান কৰি বিহিত ব্যৱস্থা মন্ত্ৰী মহোদয়ে লবনে ? মই নিজেই বাতিপুৱা এনেধৰণৰ আটা খাওঁ।

শ্ৰীবিৰাজ কুমাৰ শৰ্মা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই এইটো তদন্ত কৰি বিহিত ব্যৱস্থা লম।

শ্ৰীদীলেশ্বৰ তাঁতী : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এইটো জনাবনে যে বাগান বিলাক শ্ৰমিক সকলক বিতৰণ কৰিবলগীয়া ৰিকুৱাৰমেণ্ট কিমান ? কিমান প্ৰয়োজন হয়। কৰ্তৃপক্ষই যদি সেই পৰিমাণে যোগান ধৰিব নোৱাৰে তেতিয়াহলে বাগানৰ মালিক সন্থা বিলাকে নিজে বাকী খিনি কিনিবৰ কাৰণে লাইচেঞ্চ দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীবিৰাজ কুমাৰ শৰ্মা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে ৬২ হেজাৰ মেট্ৰিক টন চাউল লাগে, তাৰ ঠাইত ৪০ হেজাৰ মেট্ৰিক টন চাউল মাহে মাহে দিয়ে। সেই অনুপাতে বাগানৰ সন্থা বিলাকে যি ধৰণে বিচাৰে সেই ধৰণে দি আছে। যদি আমাক ভাৰত চৰকাৰে আমি বিচৰা মতে ৬২ হেজাৰ মেট্ৰিক টন চাউল যোগান ধৰে তেতিয়াহলে আমি দিব পাৰিম।

শ্ৰীদীলেশ্বৰ তাঁতী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা আমি এডিচনেল ৰিকুৱাৰমেণ্টৰ বিষয়ে জানিব বিচাৰিছো। এই খিনি কিনিবলৈ দিয়া হবনে ?

শ্ৰীবিৰাজ কুমাৰ শৰ্মা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, বাগানৰ মন্ত্ৰী বিলাকে যদি সেইধৰণে বাহিৰত কিনিবলৈ বিচাৰে তেতিয়াহলে অনুমতি দিয়া হব।

**Re. : Sanction of 30 bedded Hospital etc.**

Shri Dinesh Prasad Goala, asked :

*357 Will the Minister Health & F.W. be pleased to state :

(a) Whether the Government has any proposal to sanction thirty bedded Hospital at Pailapool, One Primary Health Centre at Jirighat and one State Dispensary at Chattomamola under Silchar Sub-Division ?

(b) If not, will the Government take immediate step for sanction of thirty bedded Hospital P.H.C. and State Dispensary in the above mentioned places ?

Shri Chandra Mohan Patowary, (Minister, Health & F.W.) replied :

(a) Yes, except Chattomamolla

(b) Does not arise.

Shri Dinesh Prasad Goala : Sir, the Minister has stated that the Government has proposal for establishment of 30 bedded hospital at Pailapool and one Primary Health Centre at Jirighat but there is no proposal for Chattomamolla. Sir, there are three villages covered under T.S.P. area and there is no any other state dispensary or PHC within my constituency. So, may I request the Hon'ble Minister to consider atleast one PHC at Jirighat ?

Shri Chandra Mohan Patowary, (Minister, Health) : Sir,

already I admitted that a 30-bedded hospital at Pailapool and one PHC at Jirighat will be established.

শ্ৰীদুৰ্গাদাস বড়ো : মাননীয় অধ্যক্ষ মহোদয়, সিদিনাথন বাতৰি কাকতত ৩০ খন বিচনাযুক্ত হস্পিতেল কত কত হব এথন লিষ্ট ওলাইছে। দৰং জিলাৰ ওদালগুৰি বৰঙা জুলিতো হব বুলি ওলাইছে। কথাটো কিমানদুৰ সঁচা মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, বাতৰি কাকতত বহুটো কথা ওলায়, সেইবিলাক যদি প্ৰত্যেকটো কথা সঁচাই হয় তেতিয়া বহুত সমস্যা হব। চৰকাৰী ফাইল পত্ৰ চাইহে সেইটো কব পাৰিম।

## বিষয় : গোলোকগঞ্জ সমষ্টিত ৰেচম বিভাগৰ আঁচনি

শ্ৰীডালিম ৰয়ে সুধিছে :

* ৩৫৮ মাননীয় ৰেচম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

গোলোকগঞ্জ বিধান সভা সমষ্টিত ৰেচম বিভাগৰ অধীনৰ কোনো আঁচনি যোৱা বছৰটোত লোৱা হৈছে নেকি ?

শ্ৰীনগেন শৰ্মা (ৰেচম বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

গোলোকগঞ্জ বিধান সভা সমষ্টিত ৰেচম বিভাগৰ অধীনৰ কোনো আঁচনি যোৱা বছৰটোত লোৱা হোৱা নাই।

শ্ৰীডালিম ৰয় : মাননীয় অধ্যক্ষ মহোদয়, গোলোকগঞ্জত অহা বছৰৰ বাবে ৰেচম বিভাগে কোনো আঁচনি লোৱা হবনে ?

শ্ৰীনগেন শৰ্মা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আমি নিবনুৱা সংস্থাপনৰ আঁচনি সমূহৰ বাবে বিবেচনা কৰি আছো।

# UNSTARRED QUESTIONS AND ANSWERS

## বিষয় : কীৰ্ত্তন পাৰাৰ পৰা ৰবাইচালালৈ বনোৱা ৰাষ্টা।

শ্ৰীমকবুল হুচেইনে সুধিছে :

৪৪২ মাননীয় গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৮৬-৮৭ চনত কৰা স্বজনগ্ৰাম উন্নয়ন খণ্ডৰ অন্তৰ্গত কীৰ্ত্তনপাৰাৰ

পৰা বৰাইচালালৈ ( RLEGP ) ৰাষ্টাৰ মূল আঁচনি ( Estimate ৰ খৰচৰ শিতান সমূহ পৰিবৰ্ত্তন কম বেচি ) কৰা হৈছে নেকি ?

(খ) যদি হৈছে, তাৰ কাৰণ কি ?

(গ) উক্ত ৰাস্তাটোৰ তুয়োকাষে ঘাঁহৰ চাপৰি ( Tarpin ) নবহোৱাৰ ফলত আৰু Hume pipe বিলাক ঠিকমতে নোহোৱাৰ ফলত ৰাস্তাটো ঠিকভাৱে উপযোগী হৈ নুঠাৰ বিষয়ে চৰকাৰ অবগত নে আৰু ইয়াৰ বিভাগীয় তদন্ত কৰি যথোপোযুক্ত ব্যৱস্থা অতি সোনকালে লব নে ?

শ্ৰীচন্দ্ৰ আৰক্ষৰা, ( পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ) যে উত্তৰ দিছে :

(ক) সৃজনগ্ৰাম উন্নয়ন খণ্ডৰ কীৰ্ত্তনপাৰাৰ পৰা বৰাইচালালৈ এটি পথ ১৯৮৫-৮৬ চনৰ গ্ৰাম্য ভূমিহীন লোকৰ নিশ্চিত আঁচনিত সজা হৈছিল । ৰাষ্টাৰ মূল আঁচনিৰ খৰছৰ পৰিমান কম বেছি কৰি পৰিবৰ্ত্তন কৰা হোৱা নাছিল ।

(খ) প্ৰশ্ন নাহে ।

(গ) পথৰ তুয়োকাষে ঘাঁহ বন লগোৱাৰ [ Turfing ] ব্যৱস্থা এই আঁচনিত নাছিল । যোৱা বছৰৰ বানপানীত হিউম পাইপৰ পুল সমূহ ভাগি যায় । এই তুয়োটা বিষয়ে আৱশ্যকীয় ব্যৱস্থা লোৱাৰ দিহা কৰা হৈছে ।

**Re : HEALTH GUIDES**

Shri Altaf Hussain Mazumder, asked :

443 Will the Minister, Health & F.W. be pleased to state :

(a) The total number of health guides both males and females in Assam and how many of them are in service now ? ( Figures of males and females separately)

(b) Is it a fact that orders been passed for discontinuance of their service ?

If cso, will the Government reconsider it ?

(d) Has actually any Health Guide been discharged ?

(e) If so, the number of discharge persons ?

Shri Chandra Mohan Patowary, (Minister, Health & F.W. ) replied :

(a) Total numbers of Health Guides is 10909

Male — Nil

Femal — 10909

(b) Yes, in respect of Male Health Guides only.

(c) No. As the Health guide Scheme was sanctioned by the Government of India and the Government of India Discontinued the retention of the Male Health Guides, it depends upon the policy of the Government of India to review its order.

(d) Yes, Male Health Guides have been discontinued.

(e) 7506 Nos.

বিষয় : গোলাঘাট সমষ্টিৰ উন্নয়ন খণ্ড ।

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে :

৪৪৪ মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) গোলাঘাট সমষ্টিত খণ্ডউন্নয়ন দুটা কৰিবলৈ লোৱা চৰকাৰী সিদ্ধান্ত কিমান দূৰ কাৰ্য্যকৰী হৈছে ?

খ) যদি হোৱা নাই, কিয় হোৱা নাই ?

গ) ১৯৮৭-৮৮ চনৰ বাৰ্ষিক পৰিকল্পনাত গঠন কৰা হবনে ?

শ্ৰীচন্দ্ৰ আৰব্ধৰা (পঞ্চায়ত বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক), খ) আৰু ঘ)অসমৰ উন্নয়ন খণ্ড সমূহৰ পূৰ্ণ গঠনৰ বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে ।

বিষয় ঃ নিল বাগানত প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ

শ্ৰীআব্দুল জলিল ৰাগিবীয়ে সুধিছে :

৪৪৫। মাননীয় স্বাস্থ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক] হোজাই মহকুমাৰ যমুনামুখ সমষ্টিৰ নিল বাগানত নতুনকৈ নিৰ্মান হব লগীয়া P H C ৰ নিৰ্মান কাম কেতিয়া আৰম্ভ কৰা হব আৰু কেতিয়া শেষ হব ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (স্বাস্থ্য বিভাগৰ মন্ত্ৰীয়ে) উত্তৰ দিছে :

ক] নিল বাগানত এখন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ নিৰ্মানৰ বাবে ৮, ৫৫, ৯০০ টকা (আঠ লাখ পচপন্ন হাজাৰ ন শ টকা) ৰ প্ৰসাশনীয় অনুমোদন জনোৱা হৈছে। গড়কাপ্তানী বিভাগে সোনকালেই কাম আৰম্ভ কৰিব আৰু ২/৩ বছৰৰ ভিতৰত কাম শেষ হব বুলি আশা কৰা হৈছে।

বিষয় ঃ থবলপাৰা স্বাস্থ্য কেন্দ্ৰৰ গৃহ নিৰ্মান।

শ্ৰীঅকন চন্দ্ৰ ৰাভা, যে সুধিছে ঃ

৪৪৬ মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক] দুধনৈ সমষ্টিৰ অন্তৰ্গত থবলপাৰা স্বাস্থ্য কেন্দ্ৰৰ গৃহ নিৰ্মানৰ কাম সম্পূৰ্ণ হৈ নুঠাৰ কাৰণ কি ?

খ] অতি সোনকালে সম্পূৰ্ণ কৰাৰ ব্যৱস্থা লবনে ?

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, (স্বাস্থ্য বিভাগৰ মন্ত্ৰীয়ে) উত্তৰ দিছে ঃ

ক] গোৱালপাৰা জিলাৰ থবল পাৰাত এখন ৰাজ্যিক চিকিৎসালয়ৰ গৃহ নিৰ্মানৰ বাবে কাম আৰম্ভ কৰা হয় ১৯৮৪—৮৫ চনত কিন্তু নিৰ্মানৰ কাম প্ৰায় ১০ % ভাগ হোৱাত উক্ত কামৰ ঠিকাদাৰিজনে কামটো আধৰোৱাকৈ এৰি থৈ যায়। গতিকে গৃহ নিৰ্মানৰ কামটো সম্পূৰ্ণ হোৱা নাই।

খ] বিহিত ব্যৱস্থা লোৱা হব।

বিষয়ঃ পঞ্চায়ত সমূহৰ কৰ্ম্মচাৰী

শ্ৰীঅকন চন্দ্ৰ ৰাভায়ে সুধিছে ঃ

* ৪৪৭ মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক] পঞ্চায়ত সমূহৰ লগত জড়িত কৰ্ম্মচাৰী সকলকো চৰকাৰী চাকৰীয়াল

হিচাবে লোৱাৰ কথা চৰকাৰে ভাৱিছে নেকি ?

খ] যদি ভাবিছে তেনেহলে কেতিয়াৰ পৰা জনাবনে ?

শ্ৰীচন্দ্ৰ আৰন্ধৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰীয়ে) যে উত্তৰ দিছে :

ক] আৰু [খ ১৯৮৬ চনৰ পঞ্চায়তী ৰাজ আইন অনুসৰি গাওঁ পঞ্চায়তৰ সম্পাদক জনক চৰকাৰে নিযুক্তি দিব পৰা ব্যৱস্থা আছে ।

**বিষয়ঃ ধুপধৰাত মুগা লেটাৰ বজাৰ**

শ্ৰীঅকন চন্দ্ৰ ৰাভা যে সুধিছেঃ

৪৪৮ মাননীয় ৰেচম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক] দুধনৈ সমষ্টিৰ ধুপধৰাত মুগা লেটাৰ বজাৰ এখন খোলাৰ বাবে ব্যৱস্থা লোৱা কথাটো সচাঁনে ?

খ] যদি সচাঁ তেনেহলে কেতিয়াৰ পৰা খোলা হব জনাবনে ?

শ্ৰীনগেন শৰ্মা, (ৰেচম বিভাগৰ মন্ত্ৰী) যে উত্তৰ দিছে :

ক] সচাঁ নহয় ।

খ] প্ৰশ্ন নুঠে ।

**বিষয়ঃ ঘিউৰ দাম নিৰ্দ্ধাৰণ ।**

শ্ৰীঅকণ চন্দ্ৰ ৰাভা, যে সুধিছেঃ

৪৪৯ মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক] ঘিউৰ দাম ৩৪.১০ টকাৰ পৰা ৩৫.০০ টকালৈ আৰু চানাৰ দাম ২২.২০ টকাৰ পৰা ২৫.০০ টকালৈ নিৰ্দ্ধাৰণ কৰাৰ ব্যৱস্থা চৰকাৰে লৈছে নেকি ?

খ] যদি লৈছে, কেতিয়াৰ পৰা উক্ত নিৰিখ বলবত্ হব জনাবনে ?

শ্ৰীনগেন শৰ্মা (পশুপালন বিভাগৰ মন্ত্ৰী) যে উত্তৰ দিছে :

ক] দুগ্ধ উন্নয়ন আঁচনিৰ উৎপাদিত ঘিউৰ দাম ৩৪.১০ টকাৰ পৰা ৩৫.০০ টকালৈ নিৰ্দ্ধাৰণ কৰা কথাটো সত্য নহয় । বৰ্ত্তমান প্ৰতি কেজি ঘিউৰ মূল্য ৫০.০০ টকা আৰু প্ৰতি কেজি ক্ৰীমৰ মূল্য ৩২.০০ টকা হিচাবে বাইজক বিতৰণ কৰা হৈছে । কিন্তু এই আঁচনিত চানাক উৎপাদন কৰাৰ কোনো ব্যৱস্থা এতিয়ালৈকে লোৱা হোৱা নাই ।

খ] ওপৰত উল্লেখিত উৎপাদিত সামগ্ৰীৰ মূল্য ১৯৮৬ চনৰ ডিচেম্বৰ মাহৰ

পৰা কাৰ্য্যকৰী কৰা হৈছে।

বিষয়ঃ আয়ুৰ্বেদিক Subsidised ডাক্তৰখানা।

শ্ৰীইউছুফ আলী আহমেদ য়ে সুধিছেঃ

৪৫০ স্বাস্থ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক] অসমত আয়ুৰ্বেদিক subsidised ডাক্তৰখানা কেইখন আছে ?

খ] এই খিলাকৰ কিমান খনক উন্নতিকৰণ (up-egradcd. Dispensary) কৰা হৈছে ?

গ] বাকী থকা বিলাকক চৰকাৰী কৰনৰ ইচ্ছা চৰকাৰৰ আছে নে ?

ঘ] M/o দৰমহাৰ নিৰিখ কি আৰু এই দৰমহাৰ নিৰিখ বঢ়োৱাৰ বাবে সিদ্ধান্ত লবনে ?

ঙ] এই আয়ুৰ্বেদিক ডাক্তৰখানা বিলাকত ৪ৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী আছেনে ?

চ] যদি নাই, লোৱা হবনে ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

ক] ৬০ (বাঠী) খন।

খ] ২ (দুই) খনক।

গ] এতিয়ালৈ ভবা নাই।

ঘ] আয়ুৰ্বেদিক Subsidised ডাক্তৰখানা ডিপ্লমা হলডাৰ চিকিৎসকক মাহিলী ৪০০.০০ (চাৰিশ) কৈ আৰু নন ডিপ্লমা হলডাৰ চিকিৎসকক ৩০০.০০ (তিনিশ) টকাকৈ কনচলিদেটেদ পে দিয়া হয়। দৰমহা বঢ়োৱাৰ প্ৰস্তাৱ বিবেচনাধীন।

ঙ] নাই

চ] এতিয়া লোৱাৰ কোনো প্ৰস্তাব নাই।

**Re : Medical Sub Cantres at Cachar.**

Shri Digendra Purkayastha, asked :

451 Will the Minister, Health & FW, be plesed to State :

a) The number of medical Sub-Centres sanctioned in the district of Cacher for the year 1986-87.

b) In which places these will be constructed ?

c) The total estimated amount against each Sub-Centres ?

Shri Chandra Mohan Patowari, (Minister, Health & F w.) repqlied :

a) 20 Nos of Sub-Centres.

b) (1) Dharamkhal (2) Motinagar (3) Hatikhal (4) Satkar-akandi, (5) santipur (6) Dhol Chena, (7) Baroak Pt. II (8) Amreghat (9) Nichintapur Manikpur, (10) Chandpur, (11) Peladar (12) Mashirpur, (13) Dolidhan Grant. (14) Tutkhana. (15) Kalinagar (16) Lakhinagar (17) Bhubanbar (18) Talengrass (19) Durga Nagar (20) Rangpur.

c) govenrment, ceiling is Rs. 75,000/-for each Sub-Centre Average cost is about Rs. 1,20,000/-

**Re : SALARY OF GAON PANCAYAT STAFF.**

Shri Altaf Hussain Mazumdar, asked :

452 Will the Minister of Panchayat, be pleased to State :

a) Have the G.P. Staff of Assam been Paid their Salary upto date ?

b) If not since when ?

c) When they will be Paid their Salaries ?

Shri Chandra Arandhara, (Minister of Panchayat) and R.D) replied :

a) & b) Gaon Panchayats Employees have not been paid their dues in full due to lack of resources with the Gaon Panchayats for quite sometime Past.

c) It will depend on the resource position of respective Gaon Panchayats.

**Re : Indira Awass.**

Shri Altaf Hussain Mazumdar, asked :

453 Will the Minister Rural Development be Pleased to state :—

a) Number of Indira Awaas (Adhas) houses were allotted to each Block for the year 1986-87 and how many houses have been constructed in the entire State of Assam ?

b) How many houses Indira Awaas were allotted to each Block of Silchar Sub-division and foundations laid when and how many houses been completed ?

c) When foundations were laid in Salchapra Development Block, Cachar and what progress has been made ?

Shri Chandra Arandhara (Minister of Rural Development) replied :

a) Under Indira Awaas Yojana Scheme, construction of 2630 houses has been sanctioned for Assam for the year 1986—87. The allotment of houses Per block comes to 19 to 20 houses. The approval of Government of India was obtained in the month of February 1987. Steps have been initiated to implement the scheme.

b) In Silchar Sub-Division 19 houses have been allotted to Sonai Block. 20 numbers of houses have been allotted to each the remaining 6 blocks in Silchar Sub-division. So for no house has been completed.

c) No such foundations were laid for the scheme for 1986—87 so far.

**বিষয়ঃ— ভুধনৈ সমষ্টিত স্বাস্থ্যউপকেন্দ্ৰ স্থাপন**

শ্ৰীঅকন চন্দ্ৰ ৰাভা, য়ে সুধিছেঃ

৪৫৪ মাননীয় স্বাস্থ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) দুধনৈ সমষ্টিত কিমানখন স্বাস্থ্য উপকেন্দ্ৰ আছে ?

খ) উক্ত সমষ্টিত নতুন উপকেন্দ্ৰ খোলাৰ ব্যৱস্থা লৈছে নেকি ?

গ) যদি লৈছে কিমানখন আৰু কোন কোন ঠাইত ?

ঘ) ধ্‌পধৰাৰ অম্বুৰ নামৰ ঠাইখনতো উপকেন্দ্ৰ খোলাৰ বাবে ব্যৱস্থা লোৱা হৈছে নেকি ?

ঙ) যদি হৈছে কেতিয়াৰ পৰা খোলা হব ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

ক) ১৬ খন।

খ) হয়।

গ) ৭ [সাত] খন [১] গাঠিয়াপাৰা [২] দিঘলী [৩] মুসকলি গাৰু পাৰা [৪] দাইৰং [৫] বামুনাপানি খোৱা [৬] বাঘডোৱা আৰু [৭] চিলড্‌বি।

ঘ) জিলা কৰ্তৃপক্ষৰ বিবেচনাধীন হৈ আছে।

ঙ) জিলা কৰ্তৃপক্ষৰ আৰু স্বাস্থ্য সঞ্চালকৰ পৰা বিশদ তথ্য আদি পোৱাৰ পাচত বিহিত ব্যৱস্থা লোৱা হব।

**বিষয়ঃ— গ্ৰামীন উন্নয়ন সংস্থাৰ উন্নয়ন**

শ্ৰীৰামেন্দ্ৰ দেয়ে সুধিছেঃ

৬১ মাননীয় গ্ৰামোন্নয়ন বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি

ক) গ্ৰামীন উন্নয়ন সংস্থাকে আরো ব্যাপক, সক্ষম ও প্ৰশাসনিক দক্ষ সংস্থা হিসাবে গড়ে তুলার ব্যাপারে চৰকারের কোন পরিকল্পনা আছে কি ?

খ) আসামৰাজ্য উন্নয়নমূলক কাজ পরিচালনার জন্য প্ৰতিটি জিলায় একজন করে দক্ষ প্ৰশাসক নিয়োগ করার পরিকল্পনা চৰকারের আছে কি ?

গ) দক্ষিণ করিমগঞ্জ ব্লক এর সুভাষ নগর গাওঁ সভায় D.R.D.A এর মধ্যেমে ১৯৮৩—৮৪—৮৫—৮৬ কি কি উন্নয়নমূলক কার্য্যসূচী গ্ৰহন কৰা হয়েছে ?

শ্ৰীচন্দ্ৰ আবন্ধৰা, (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে।

ক) তেনে নতুন আচঁনি নাই, অৱশ্যে কাৰিকৰী অভিজ্ঞ লোক যেনে কাৰ্য্যবাহী অভিযন্তা আদি নিয়োগ কৰি গ্ৰামোন্নয়ন সংস্থাক আৰু শক্তিশালী কৰিবলৈ চেষ্টা কৰা হৈছে।

খ) গ্ৰামোন্নয়ন বিভাগৰ ফালৰ পৰা অসম প্ৰশাসনীয় সেৱা প্ৰথম শ্ৰেণীৰ একোজন জ্যেষ্ঠ বিষয়াক বা ভাৰতীয় প্ৰশাসনীয় সেৱাৰ একোজন বিষয়াক প্ৰকল্প সঞ্চালক হিচাবে বিভিন্ন জিলা গ্ৰামোন্নয়ন সংস্থাত নিযুক্তি দিয়া হৈছে।

গ) IRDP, NREP আৰু RLEGP ৰ যোগেদি বিভিন্ন আচঁনি গ্ৰহন কৰা হৈছে

## VOTING ON DEMANDS FOR GRANTS :

Mr. Speaker : Question is over. Now item No 2 Hon'ble Member Kumar Dipak Das. will speak

কুমাৰ দীপক দাস * মাননীয় অধ্যক্ষ মহোদয়, পৰিবহন বিভাগৰ বিষয়ে ইতিমধ্যে ভালেখিনি আলোচনা হৈ গৈছো পৰিবহনৰ ক্ষেত্ৰত অসমত নতুন গণ পৰিষদ চৰকাৰ অহাৰ পাছত এটা যুগান্তকাৰী পৰিবৰ্ত্তন আনিছে বুলি মই নিজে অনুভৱ কৰিছো। ইতিমধ্যে অসমৰ যাতায়ত ব্যৱস্থাৰ ক্ষেত্ৰত বিভিন্ন ঠাইত জনসাধাৰণে ভুগি অহা অসুবিধাবিলাক দূৰ কৰিবলৈ লোৱা ব্যৱস্থাৰ পাছতো কিছু কিছু খেলিমেলি পৰিলক্ষিত হৈছে। সেইখিনি মই বক্তৃতাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব খুজিছো। অধ্যক্ষ মহোদয়, বৰপেটা জিলাৰ হাউলী অঞ্চল এটা পৰিবহনৰ ক্ষেত্ৰত বিশেষ গুৰুত্বপূৰ্ণ অঞ্চল বুলি ভাবো। হাউলী অঞ্চলত বিভিন্ন ঠাইৰ পৰা বাছসমূহ আহি লগ লাগে নামনিৰ পৰা অহা বাছ আৰু উজনিৰ পৰা যোৱা বাছ আটাইবিলাকেই তাত কিছু সময়ৰ কাৰণে ৰয়। এটা কথা বৰ দুখজনক হৈ আছে যে তাত যিটো পৰিবহন নিগমৰ আস্থান আছে চৰকাৰী-

* Speech not Corrected.

ভাবে নিৰ্ম্মানকাৰ্য্য নহোৱাত সকলোবিলাক সুবিধা নথকাত, যাত্ৰী সকলে বিশেষ অসুবিধা ভোগ কৰিবলগীয়া হৈছে বিশেষকৈ মহিলা যাত্ৰী সকলৰ অবৰ্ননীয় কষ্ট চকুৰ আগত ভাহি উঠে। আমাৰ পৰিবহন মন্ত্ৰী ডাঙৰীয়াই অসমৰ বিভিন্ন ঠাইত যি ধৰণে পৰিবহনৰ আস্থান সমূহ সুন্দৰ কৰি তোলাৰ কাৰণে অপৰিসীম চেষ্টা চলাইছে আমাৰ হাউলী আস্থানটোকো যাত্ৰী সকলৰ অসুবিধালৈ লক্ষ্য ৰাখি সুন্দৰ কৰি গঢ়ি তুলিবলৈ মই অনুৰোধ জনালো। আনহাতে আমাৰ যিবিলাক ৰাস্তা নতুনকৈ লোৱা হৈছে অথচ এতিয়ালৈকে ৰাষ্ট্ৰীয়কৰণ হোৱা নাই আৰু যিবিলাক ৰাস্তাৰ মাজেৰে পৰিবহন নিগমৰ বাছ চলাচল কৰা নাই বিশেষকৈ বৰপেটা জিলাত সেই বিলাক ৰাস্তাত পৰিবহনৰ বাছ দিয়াৰ ব্যৱস্থা কৰিব লাগে। আপোনালোকে জানে যে বৰপেটা জিলাত বাছ সম্পৰ্কে এটা গুৰুত্বপূৰ্ণ ভূমিকা আছে। গতিকে মই মন্ত্ৰী মহোদয়ক এটা কথা কব বিছাৰিছো এই ৰাস্তা সমূহৰ পৰিকল্পনা হাতত লবলৈ মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। মই দিঘলীয়া কৰিব বিছৰা নাই, পৰিবহন মন্ত্ৰী ডাঙৰীয়াই পৰিবহন সেৱাৰ কাৰণে যি যুগান্তকাৰী প্ৰচেষ্টা লৈছে তাৰ কাৰণে তেখেতক ধন্যবাদ জনাইছো। লগতে নামনি আৰু উজনিৰ পৰা গৈ লগ লগা যাত্ৰী সকলৰ সুবিধাৰ কাৰণে হাউলী আস্থানটো সুন্দৰকৈ গঢ়ি তোলাৰ কাৰণে অনুৰোধ জনাই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

"জয় আই অসম।"

দুৰ্গা দাস বড়ো * মাননীয় চেয়াৰমেন মহোদয়, পৰিবহন সেৱাৰ কাৰণে যি অনুদান বিছাৰিছে সেইখিনি বাকীবিলাক দাবীৰ লেখিয়া যঠেষ্ঠ নহয়। গোটেই বাজেটত যিমানখিনি টকা কেন্দ্ৰৰ পৰা চিৰবা হয় সেইখিনি টকা সম্পূৰ্ণৰূপে নোপোৱাৰ কাৰণে আমাৰ ৰাজ্যৰ পৰা বাজেটৰ বিভিন্ন শিতানত যিমান টকা দিব লাগে সেইখিনি টকা দিব পৰা নাযায়। গতিকে পৰিবহনৰ কাৰণে যিমান টকাৰ দৰকাৰ এইখিনি যঠেষ্ঠ নহয় তথাপি এই সীমিত টকাৰে পৰিকল্পিত ভাবে যাতায়তৰ যাতে উন্নয়ন কৰিব পৰা যায় তাৰ চেষ্টা কৰিব লাগে। মই বক্তৃতা দিঘলীয়া কৰিব খোজা নাই, চেয়াৰমেন মহোদয় মই মন্ত্ৰী মহোদয়লৈ দুটামান যুক্তি আৰু পৰামৰ্শ আগবঢ়াব খুজিছো। আমি জনা হোৱাৰে পৰা এম, এল, এ হোৱালৈ পৰিবহন বিভাগত বাছ বৃদ্ধি হ'ল ১০/২০/৩০/ কৈ এতিয়া হাজাৰো পাৰ হব

* Speech not Corrected

আৰু বাছ বৃদ্ধি হোৱাৰ লগে লগে কৰ্মচাৰীও বৃদ্ধি হ'ল লগে লগে অসমত বেচৰকাৰী বাছসমূহৰো সংখ্যা বৃদ্ধি হ'ল আৰু সেই অনুপাতে তেওঁলোকে কৰ্মচাৰীও ৰাখিলে কিন্তু চেয়াৰমেন মহোদয় আমি বাছ বৃদ্ধি দেখিলো কিন্তু কৰ্ম্ম দক্ষতা বৃদ্ধি নহ'ল। আমাৰ হিচাৱত বছৰি টকা খৰচ কৰা হৈছে কিন্তু বাছ বা আস্থানসমূহৰ কিন্তু কোনো উন্নতি হোৱা নাই। বাছ বছৰি বছৰি কিনি থকা হৈছে কিন্তু টকা প্ৰইছাৰ সত ব্যৱহাৰ হৈছে নে নাই মোৰ সন্দেহ হয়। যাতায়তৰ উন্নতি কৰিবলৈ অসম গণ পৰিষদ চৰকাৰ অহাৰ পাছৰে প্ৰৱা শ হিচাৱত বাছ কিনিবলৈ লোৱা হৈছে। কিন্তু শৰ হিচাৱত বাছ কিনাৰ পাছতো এবছৰ পাছতে আপোনালোকে দেখিব সেই বাছ বিলাক চৰকাৰী গেৰেজত পৰি আছে। আপোনালোকে যদি নম্বৰ হিচাৱত চায় তেতিয়া দেখিব অধিক সংখ্যক বাছেই গেৰেজত আছে। গতিকে বাজেট এলোকেচন কৰাৰ পাছত সেইখিনি টকাৰ যাতে সতব্যৱহাৰ হয় তাৰ কাৰণে কেইটামান পৰামৰ্শ আগবঢ়াব খুজিছো। কেইবাগৰাকীও বিৰোধীপক্ষ আৰু চৰকাৰ-পক্ষৰ সদস্যই ইয়াৰ আগতে একেবিলাক পৰামৰ্শ আগবঢ়াই গৈছে। আমাৰ ইয়াৰ চৰকাৰী বাছো চলিছে আৰু বেচৰকাৰী বাছো চলিছে এই বস্তুটো এনেকুৱা হৈছে যে চেনীৰ নিচিনা চেনী বাহিৰতো পায় আৰু সমবায়তো পায়, চাউল বাহিৰতো পায় আৰু সময়বায়তো পায় গতিকে বস্তুৰ চৰকাৰী আৰু বেচৰকাৰী দুটা বস্তু আছে। আমি দেখি থকা হিচাৱত মোৰ সমষ্টি টংলাৰ পৰা গুৱাহাটী মহা নগৰীলৈ পৰিবহনৰ ৪-খন বাছ আছে এখন আগবেলা আৰু আনখন পিছবেলা এনেধৰণে। সেই টংলা চহৰৰ পৰা আকৌ গুৱাহাটীলৈ বেচৰকাৰী বাছ ২০ খন আছে। আমাৰ চৰকাৰী বাছ ৪খনত ১৫/২০ জন মান মাত্ৰ মানুহ আহে-৫০/৬০ মাইল দূৰ কিন্তু যিবিলাক বেচৰকাৰী বাছ সেইবিলাকত মানুহ বাদুলি ওলোমা দি আহে।

এই পাৰ্থক্য কিয় হৈছে ? চৰকাৰী বাছত কিয় মানুহ উঠিব নোখোজে ? কাৰণ বাকী সদস্য সকলেই কৈছেই। এজন সদস্যই বৰ সুন্দৰ ভাৱে কৈছে এটা কথা যে বৰষুন দিলে পানী নপৰিবৰ কাৰণে যদি খিৰিকী খন মাৰিব খোজা হয় তেতিয়া হলে দেখা যাব যে বাছৰ খিৰিকীয়েই নাই। বহা ছিটৰ কুচন বোলা বস্তুটো বহুত বাছত নায়েই। কথাবাৰ্ত্তা আধা থাকে বাকী আধা খিনি কটাকুটা আৰু তাতো উৰহৰ উতপাত। এনে বেয়া অৱস্থাত বেচৰকাৰী

বাছৰ সুন্দৰ ব্যৱস্থা থকা বাছত মানুহ নাহি চৰকাৰী বাছত আহিবনে ? সেই কাৰণেই সদস্য সকলে একমত প্ৰকাশ কৰিছে যে বেচৰকাৰী বাছৰ লগত প্ৰতিযোগিতাত ফেৰ মাৰি চৰকাৰী বাছসমূহ উন্নত কৰিব নোৱাৰিলে মন্ত্ৰী মহোদয়ৰ এইবাৰৰ হিচাপত ৫ কোটি পিচৰ বছৰত হয়তো ৭ কোটি আৰু পিচৰ বছৰত হয়তো ১০ কোটিলৈও লোকচান বাঢ়ি যাব বুলি আমাৰ ধাৰনা।

অন্য এজন সদস্যই এটা কথা বৰ ধুনীয়াকৈ কৈ গৈছে যে নিজৰ নামটো চহী কৰিব নজনা মানুহেও এখন বাছ কিনি কাৰবাৰ কৰি এবছৰত আন মানুহক টকা ধাৰে দিব পৰা অৱস্থা হয়। একেবাৰে নাম চহী কৰিব নজনা মানুহেও বাছ এখনৰ পিচত এখনকৈ কিনি কাৰবাৰ বঢ়াই যায়। লোকচান হোৱাহলে তেওঁ কেতিয়াও এইটো কৰিব নোৱাৰে, নিশ্চয় তেওঁৰ লাভ হয়। মই আশাকৰোঁ আমাৰ মন্ত্ৰী মহোদয়ে তেখেতৰ তলতীয়া কৰ্ম্মচাৰী সকলক এই কথাটো বা বাছৰ এই অৱস্থাটোৰ কথা ভালদৰে বুজাই দিয়া উচিত। অৱশ্যে এটা খেলিমেলি আছে, সেইটো হৈছে যি বিলাক বেচৰকাৰী বাছৰ ৰাস্তাৰ পাৰ্মিট যি ৰাস্তাৰ ওপৰত নাই সেইবিলাক ৰাস্তাইদিও বাছবোৰ চলাচল কৰে। চৰকাৰী বাছ অহা ৰাস্তাইদিও বেচৰকাৰী বাছ চলিছে। যদি এখন বাছ ৯ বজাত শিৱসাগৰৰ পৰা গুৱাহাটীলৈ আহে তেন্তে নিশ্চয় বাছৰ যাত্ৰীবোৰ দুভাগ হৈ আধা চৰকাৰী আৰু বাকী বেচৰকাৰী বাছত আহিব। গতিকে ৰাস্তাৰ পাৰ্মিট দিওঁতে সেইবিলাক কথালৈ লক্ষ্য ৰখা উচিত। মই এই ক্ষেত্ৰত কেইবাটাও আপত্তি ইতিমধ্যে দিছোঁ। কাৰ্য্যালয়তো দিছোঁ আৰু আৰ, টি, এব মিটিংতো কৈছোঁ। কিন্তু তাত এনে 'কিছুমান আইন কানুন আছে যে বাছৰ মালিকৰ মাত্ৰ এহেজাৰ টকা জৰিমনা কৰে আৰু বাছৰ মালিকে সেইটো বৰ ভাল পায়, তেওঁলোকে এহেজাৰ টকা জৰিমনা দিয়ে আৰু কামটো আকৌ চলাই থাকে। কাৰণ দুদিনৰ ভাবাত তেওঁলোকে এই এহেজাৰ টকা উলিয়াই লয়। ইয়াৰ বিকল্প ব্যৱস্থা কৰিব পৰা নাযায় নে ? এই বেচৰকাৰী বাছৰ পাৰ্মিটৰ এই নিয়ম কানুণবোৰ অলপ চাব লাগে। এই কথাটো মহোদয়ে লক্ষ কৰে যেন। এই বিভাগটোৰ অকল চাকৰি দিয়াটোৱেই উদ্দেশ্য হব নালাগে। ইয়াৰ উদ্দেশ্য হবলাগে ৰাইজৰ সেৱা কৰা। ৰাইজৰ সেৱাৰ লগতে ইয়াৰ মূল উদ্দেশ্যটো নিহিত হৈ আছে আৰু সেইটো হল ৰাজ্য চৰকাৰৰ পুজি টনকিয়াল কৰা। ৰাজ্যৰ আয় বঢ়োৱা। কিন্তু কাৰ্য্যক্ষেত্ৰত

এইবিভাগটো এটা বৃহত অংকৰ ব্যয়ৰ বিভাগৰ হোৱা দেখা গৈছে। সেয়ে মই আশা ৰাখিছোঁ। মন্ত্ৰী মহোদয়ে এই পৰিবহন বিভাগ কৰ্মচাৰী সকলক বৃহত অংকৰ ব্যয় কমাবলৈ কেনেকৈ উৎসাহ উদ্দীপনা দিব পাৰি সেইটো চাব আৰু আমাৰ পৰামৰ্শসমূহ গ্ৰহন কৰিব। মোৰ বোধহয় কোনো দলৰ সদস্যই মোৰ লগত দ্বিমত নহব যে এই বিভাগৰ কাৰ্য্যালয় সমূহত বিশেষকৈ ডি, টি, অ'ৰ অফিছত যি দূৰ্নীতি চলিছে সেইটো সকলোৱে জানে। আমাৰ উলুবাৰীত যিটো অফিছ আছে সেইটো হেনো আটাইতকৈ বেছি বাহিৰা পইচা অহা অফিছ। লাইচেন্স এখন পইচা দিলেই ড্ৰাইভাৰক দি দিয়ে। তেওঁ হয়তো কেতিয়াও গাড়ী চুই পোৱাই নাই। দালালক পইচা অলপ দিলেই তেওঁলোকে বিভাগৰ বিষয়াসকলৰ পৰা যি কোনো প্ৰকাৰে টকা পইচাদিয়েই হওঁক বা অন্য বস্তু দিয়েই হওঁক লাইচেন্স আদায় কৰে। তেনে অপৰিপক্ক ড্ৰাইভাৰ।

অকল সেয়ে নহয় ট্ৰাকবোৰতো দেখা যায় এখন ট্ৰাকে যদি ৮ টন ওজন টানিব পাৰে তেনেহলে কেইটামান পইচা দিলেই ১০ টন টানিব পৰা ট্ৰাক বুলি চাৰ্টিফিকেট দিয়ে এই বিভাগেই। তেওঁলোকে এইবিলাক নিশ্চয় এনেয়ে কৰি নিদিয়ে। একে গাড়ীকে ৮টন, কাৰোবাক আকৌ ১০ টন বুলি চাৰ্টিফিকেট কেনেকৈ দিয়ে? টেবুলৰ তলেৰে হাত দিলেই কিবা পায় কাৰণেই নিশ্চয় এইদৰে লিখি দিয়ে? আকৌ এম, ভি, আই, নিযুক্তিৰ ক্ষেত্ৰতো বহুত পইচা দিয়ে বুলি শুনিছোঁ। ৩(এফ) ত এম, ভি, আই নিযুক্তি দিয়াৰ সময়ত এইদৰে টকা পইচা লৈ দিছে বুলি শুনিছোঁ। আকৌ মাদ্ৰাজৰ পৰা কিনি অনা চাৰ্টিফিকেটৰ ওপৰত ভিত্তি কৰিও চাকৰি পোৱা মানুহ আছে। তেওঁ জ্ঞান আহৰন কৰি সেই চাৰ্টিফিকেট অনা নাই আনিছে কিনি। অলপ খবৰ ললেই তেওঁ সেই নিৰ্দ্দিষ্ট অনুষ্ঠানত ক্লাচ কৰিছিলনে নাই সেইটো গম পোৱা যাব। এই গুৱাহটীতে তেনেকৈ চাকৰি পোৱা লোক এই বিভাগত আছে। অলপ অনুসন্ধান কৰিলেই ওলাব।

গতিকে চেয়াৰমেন মহোদয়, বিৰোধী পক্ষই কৰ্ত্তন প্ৰস্তাৱ যদিও আনিছে মই জানো তেখেতসকলে সেইটো উঠাই লব, কাৰণ আলোচনা আদি কৰিবলৈ সুবিধা দিবৰ কাৰণেই এই প্ৰস্তাৱটো আনিছে আৰু সেইবোৰ আলোচনা

সমালোচনা আদি হৈ গল সেয়ে মই আশা বাখিছোঁ তেখেতসকলে এইটো উঠাই লব এই বিভাগটোৰ উন্নতিৰ কাৰণে বহুতো পৰামৰ্শ আগবঢ়াব বুলি আশা ৰাখি মই সামৰণী মাৰিলো।

श्रीशिव शम्भू ओझा * माननीय सभापति महोदय, हमारे पार्टी के माननीय सदस्य श्री अब्दुल मुक्तदीर चौधुरी द्वारा लाया गया संशोधनीय प्रस्ताव का मैं समर्थन करते हुए इस संदर्भ में अपना व्यक्तव्य रखना चाहता हुं असम की परिवहन व्यवस्था के बारे में जितना भी कहा जाये कम ही होगा। सभापति महोदय, इसमें तीन बातें आती है। पहली बात है स्टेट ट्रान्सपोर्ट की बात। असम की स्टेट ट्रान्सपोर्ट की अवस्था जो है यह सर्वविदित है। एसटो सी की जो बसे हैं वह इतनी खराब और अनियमित है कि यात्री उन बसों पर चढ़ना नहीं चाहते। यदि कोई बस अपने गन्तव्य स्थान पर जा रही है तो रास्ते में ही उसका कई पार्ट खाराब हो जाता है और बस बीच रास्ते में ही रह जाती है जिससे यात्रियों को अनेक तरह कठिनाईयो का सामना करना पड़ता है। इन बसों के खराब होने पर इनकी मरम्मत का कोई उचित व्यवस्था भी नहीं है। एस टी सी के जो वार्कशाप हैं इतने निकमी और अव्यवस्थित हैं कि ऐक गाड़ी को ठीक करने में एक-एक साल लग जाते है और भी ठीक तरह से नहीं चल पाती हैं। एस टी सी के प्रबन्धक और कर्मचारियों की तो कोई बात ही नहीं। वे अपनी ही मनमानी करते हैं। यही कारण है कि एस टी सी का नुकसान सालों साल बढ़ रहा है। सभापति महोदय, तिनसुकिया से जोरहाट को लाइन में जो बस चल रहीं हैं उनकी अवस्था तो और भी है निय है। उन बसों पर यात्री चढ़ना ही नहीं चाहते। इनकी अवस्था इतनी खाराब रहती हैं कि रास्ते में कहा पर खाराब हो जायेंगी कहना कठिन है इसीलिए ज्यादेतर लोग प्राइवेट बसों पर ही यात्रा करना चाहते है और ये बसे जल्दी पहुंचा भी देती हैं। सभापति महोदय, जबतक इन बसों की हालत ठीक नहीं हो जायेगीं यात्री ऐसी बसों पर यात्रा नहीं करना चाहेंगें। यदि उन्हे अन्य सुविधा ये दुसरी जगह मिल जाती हैं तो क्यों एस टी सी की बसों में यात्रा करेगा। अब मैं परिवहन विभाग के मंत्री जी का ध्यान इस

---

* Speech not Corrected.

ओर अ कर्षित करता हुँ वे ऐसी बयसदथा करे ताकि लोग एसंढीसी की बसों को ओर आकर्षित हों और उन पर यात्रा करें ताकि एरुढीसी को आय बढ सके

सभापति महोदय, दूसरी बात है टी ई ओ आ'पस को। इस आफिस के कर्मचारी केसे हैं और किस तरह से काम करने हैं सभी जानते है। आपको गाड़ी चलाने आता है या नहीं केवल पैसा दे देने, पर डीढीओ आफिस में लाइसेन्स बन जाताहै। इसी तरह परीमिढ की बात है। वहाँ पर पैसा खर्च करने पर परमिढ भी बन जाता है। यदि परमिढ नहों भी है तो वहाँ से कन्टैक्टकरने पर कोई न किई उपाय हो ही जाती है क्यों कि गाड़ियों को चेक करने वाले भी इन्सफीरमेंढ आफिसर वहीं के होने हैं। अतः यहा पर पेंसा खर्च करने पर सब काम हो जाते हैं। सभापति महोदय, कूछ टेम्पशेरी परमिढ पहले दिया गया था किन्तु इस सरकार के आने पर उन परमिढी को कैंसिल कर दिया गया। जो लोग कर्ज लेकर बसें खरीदें हैं उनकी हालत खराब है क्योंकि उन्हें बैंक का पैसा तो देना ही पड़ेगा। इसलिए सरकार से मेरा अनुरोध है कि उन बसों के लिए परमिढ दे दिया जाय। सभापति महोदय, मैं एक बात और कहना चाहता हूँ। मैं और मेरे विधान सभा के सदस्य गण दिल्ली से राजस्थान जा रहे थी। उस बस में भीड़ थी। हमलोगों को बैठने के लिए सीटें नहीं मिलि थीं। वहाँ पर लिखा हुआ था बिधायक सीढा वहाँ के आदमियों ने हम लोगों को उन सीढ़ों पर बेठने के लिए अनुरोध किया और कहा कि किसी भी स्टेढ के विधायक हीं उनके लिए ही ये सीढें आरक्षित रहनी हैं। तो सभापति महोदय, मैं सरकार से अनुरोध करता हूँ कि यहाँ पर भी ऐसी ब्यवस्था करे ताकि, हम बिधायकों को काम करने में सुविधा हो। तीसरी बात है कि असम गन परिषद सरकार जब से बनी है तभी से पूल कारें इन्दीं लोगों के हाथ में है। मैंने कितनी बार कोशिश किया किन्तु कोई पुल कार कभी खाली नही मिली। ये लोग २ रुपये डेलो देकर पुल कारका उपयोग कर रहें हैं। कुछ कारें तो एमपी के नाम है जो दिल्ली में हैं और उनकी पुल कार धर के लोग व्यवहार करते हैं किन्तु उसे वापिस नहीं करते। अतः मैं इस बारे मे भी सरकार से अनुरोध करना हूँ कि इस बात पर भी ध्यान दें ताकि सभी को एक समान सुविधा मिल सके। सभापति महोदय, इन्दीं बानीं के साथ मैं अपना व्यकतबय समाप्त करता हुँ।

* শ্ৰীমহেন্দ্ৰ মোহন ৰায় চৌধুৰীঃ মাননীয় চেয়াৰমেন মহোদয়, আমাৰ পৰিবহনৰ শিতানত যি মঞ্জুৰী বিচাৰিছে তাক মই পূৰ্ণ সমৰ্থন জনাইছোঁ। আৰু বিৰোধী পক্ষই অনা কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি কৈছোঁ। যে আগলতে ৭০ লাখ কিয় তাতকৈ যদি বেছি টকাও দিয়া হয় তথাপি অসমৰ পৰিবহন বিভাগৰ যিটো বাস্তৱ সমস্যা তাৰ সমাধান নহব। কিন্তু এটা কথা আছে যে ফুটা খালৈত যিমানেই বস্তু জাপি নাথাকক কিয় সি কাহিনিও ভৰ্ত্তি নহয়। এই খিনিতে মই এটা কাহিনী কওঁ— এজন মানুহে এটা বাঘ পুহিছিল, তাক কোৱা হল যে তই বস্তু আনি খালৈ ভৰাই থবি। বাঘটোৱে টকা পইচা বা আন যি কোনো বস্তু আনি খালৈত ভৰাই, কিন্তু মালিকে দেখে যে খালৈ নভৰে হে নভৰে ইয়াৰ কাৰণটো হল খালৈটো তুলি ফুটা''। ঠিক তেনেকৈ আমাৰ পৰিবহন বিভাগটো তলি ফুটা খালৈৰ নিচিনা হৈছে। আমাৰ শাসক দলৰ মাননীয় সদস্য সকলে যিখিনি কথা এই শিতানত উল্লেখ কৰিছে সেইখিনি যুক্তি সঙ্গত হৈছে। বিধায়কেই হওক বা আন উচ্চ পৰ্য্যায়ৰ লোকেই হওঁক তেওঁলোকৰ কাৰণে বাছত সুকীয়া আসন লাগে। কাৰণ সাধাৰণতে চৰকাৰী পৰিবহন নিগমৰ বাছত ভি আই পি বা আন উচ্চ পৰ্য্যায়ৰ বিষয়া সকলে অহা যোৱা নকৰে তেওঁলোকৰ নিজা গাড়ী আছে তাৰে অহা যোৱা কৰে, গতিকে পৰিবহনৰ যিটো অসুবিধা তাক তেওঁলোকে উপলব্ধি কৰিব নোৱাৰে। যোৱা ১৪ তাৰিখে হোৱা এটা অসুবিধাৰ কথা মই কব খুজিছোঁ। মই মঙ্গলদৈৰ পৰা লক্ষীমপুৰলৈ গৈছিলো, মোৰ আগত এগৰাকী মাইকী মানুহ বহিছিল, মোৰ বেগটো মানুহ গৰাকীৰ মূৰত পৰিল। কি হৈছে চাবলৈ কলিং বেল বা লাইট নাই, লাইটৰ ব্যৱস্থা গাড়ীত নায়েই। এইদৰেই আমাৰ পৰিবহনৰ ব্যৱস্থা দিনক দিনে বেয়াৰ ফালে গৈছে। যদিও মন্ত্ৰীয়ে কৈছে যে এশ খনতকৈ অধিক গাড়ী কিনাৰ ব্যৱস্থা কৰা হৈছে হাফলং আদিৰ নিচিনা ঠাইলৈ অধিক গাড়ী দিয়াৰ ব্যৱস্থা কৰা হৈছে তথাপি এই বাছবোৰৰ পৰা কিবা লাভ হব বুলি মই ভবা নাই। মাছখোৱাৰ পৰিবহন আস্থানৰ উন্নতি কৰিবলৈ লোৱা হৈছে বুলি কোৱা হৈছে, এইটো ভাল কথা, এনেদৰে সকলোবিলাক আস্থানৰ উন্নতি হোৱাটো বাঞ্চনীয়। কিন্তু পৰিবহন নিগমৰ বাছবোৰৰ ক্ষেত্ৰত আমি এটা কথা লক্ষ কৰিছোঁ। যে কিমা দিন ধৰি আৰু বাছবোৰ ধোৱা পখলা দেখা নাই বা মেৰামতি কৰা নহয়। এবাৰ ষ্টেশ্যন আহি পালেই পেলাই থয়। চুইপাৰবোৰৰো ছাফা

* Speech not Corrected.

কৰাৰ সময় নাই। কাৰণ মই নিজে জানো যে মঙ্গলদৈৰ পৰা দলগাৱলৈ এজন চুইপাৰ অহা-যোৱা কৰে। পুৱা দহটাত আহি অফিচ পাই আৰু ৰাতি সাতটাত ঘৰ পাইগৈ। গতিকে তেওঁ পৰিবহনৰ কাম কৰিবলৈ সময় পাই কত? চতুৰ্থ শ্ৰেণীৰ কাম কৰা বুলি কবলৈ তেওঁলোকে বেয়া পায়। গাড়ী পৰিচালকৰ কথা সুন্দৰ ভাৱে সদনত আলোচনা কৰা হৈছে। এই পৰিচালক অৰ্থাত কণ্ডাক্টৰৰ ঘৰ আমাৰ উচ পৰ্য্যায়ৰ বিষয়া সকলতকৈ ভাল। এদিন এজন কণ্ডক্টৰক মই সুধিলো- তোমালোকে কেনেকৈ ইমান টকা ক্ৰবিব পাৰা হে। কণ্ডাৰৰ সকলে ডাবোল টিকেট ইচু কৰে, তাৰোপৰি তেওঁলোকৰ নিজাববীয়াকৈ যিটো চিট থাকে সেইটোও বিক্ৰী কৰি দিয়ে।

চেয়াৰমেন মহোদয়, তেওঁলোকৰ এটা সন্থা আছে। বাছ বিলাক মঙ্গলদৈৰ পৰা তেজপুৰলৈ যায়। এই বাছ বিলাক যোৱাৰ এটা সীমা আছে। তাৰ ভিতৰত টকা বিলাক ভাগ হয়। সেই টকা ড্ৰাইভাৰকো দিব লাগে। সেই টকাৰ এটা লিমিট আছে। দুশকৈ বা দেৰশকৈ এটা লিমিটৰ ভিতৰত দিব। এই ব্যৱস্থাটোৰ সম্পূৰ্ণ এটা এনকুৱাৰী কৰিব লাগে। আমাৰ যিসকল কণ্ডক্টৰ আছে তেওঁলোকে ভুলকৈ টিকট ইচু কৰাৰ কাৰণে মাহেকত তিনিবাৰ চাচপেনচনত যায়। এজনক চাচপেনচন কৰিবলৈ ওলাওতে কলে যে মই হিৰণ্য বৰাৰ ভায়েক, সেই কাৰণে তেওঁক চাচপেনচন নকৰিলে। গতিকে দেখা যায় এইবিলাকৰ এটা সুৰঙা আছে। এই ব্যৱস্থা চলিয়েই থাকিব। গতিকে এনফৰ্চমেণ্টৰ ব্যৱস্থা কৰিব লাগে। ৰাষ্টাই ঘাতে গাড়ীবোৰ চেক কৰিব লাগে।

চেয়াৰমেন মহোদয়, আমাৰ পৰিবহন সন্থাই ৰাইজৰ সেৱাৰ লগত জৰিত নাথাকে। কৰ্ম্মচাৰী সকল যদি নিক্ৰা নহয়, তেনেহলে এই ব্যৱস্থা শোচনীয় হব। গুৱাহাটীৰ পৰিবহন নিগমৰ ছিটি বাছ এখনে দিনটোত কিমান প্ৰাব লাগে। তাৰ হিচাব থাকিব লাগে। গুৱাহাটীৰ পৰা যোৱা এখন বাছত এটা সুকীয়া ছিট থাকে। সেই ছিটটো ৰাইজৰ কাৰণে নহয়। কিন্তু সেই ছিটটোও এলোট কৰি দিয়ে। সেই হিচাবটো কেনেকৈ মিলায়। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো এই ব্যৱস্থাৰ উন্নত কৰিবলৈ বিহিত ব্যৱস্থা লব লাগে। এই বিষয়ত এটা ভিজিলেঞ্চচেল বহুৱাই এদিনত এখন গাড়ীয়ে কিমান উপাৰ্জন কৰে তাক চাব লাগে। ইয়াত আলোচনা হৈছে যে ৰেচৰকাৰী বাছ বিলাকে সমস্যাত পেলাইছে। টঙলাৰ পৰা খৈৰাবাৰীলৈ ১০খন বাছ চলে। মঙ্গলদৈৰ মাজেৰে চলা বেচৰকাৰী বাচৰ পাৰমিচন

নাই। কিন্তু ৰাতিপুৱাই ১০/১২ খন বাছ আহে। নিজৰ লাইনেৰে নাহে, নিজৰ লাইন এৰি ৰাষ্ট্ৰীয় পথেৰে অহা যোৱা কৰে। কাৰণ নিজৰ লাইনেৰে অহাযোৱা কৰিলে পইচা নেপায়। যিহেতু এই বেচৰকাৰী লাইনৰ গাড়ীবিলাকে নিয়ম মানি চলা নাই, সেয়েহে সেই বেচৰকাৰী লাইন কেনচেল কৰিব লাগে।

চেয়াৰমেন মহোদয়, আমাৰ পৰিবহন নিগমৰ বাছ বিলাকৰ কনডিচন ভাল নহয়। কেতিয়াবা বেয়াহৈ ৰাস্তাত পৰি থাকিবলীয়া হয়। সেই কাৰণে মাজে মাজে গেৰেজৰ ব্যৱস্থা থাকিব লাগে। এই ব্যৱস্থা থকাটো আমি বাঞ্চা কৰো। মঙ্গলদৈৰ আটাইবিলাক বাছে পুৰনা। অৱশ্যে এতিয়া ঢেকীয়াজুলীলৈ যোৱা দুখন নতুন গাড়ী দিয়া দেখা গৈছে। মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে নতুন বাছ আহিলে আমাৰ মঙ্গলদৈ লাইনতো ভৰাই দিয়াৰ ব্যৱস্থা কৰে যেন। থৈবাবাৰী মঙ্গলদৈ বাছ বিলাক লাহে লাহে যায়। বহুত দেৰি কৰে। সেয়েহে গোটেই যাত্ৰীৰ খং উঠে। ফলত কণ্ডক্টৰে মাৰ খাবলগীয়া হয়। তেওঁলোকৰ ভিতৰতো দোষ আছে। যিহেতু গাড়ীবোৰ বেয়া, যোৱাৰ আগতে তেওঁলোকে চেকিং কৰি নেচায়। গাড়ী চলাব লাগে চলায়। গুৱাহাটীৰ পৰা যোৱাগাড়ী এখনৰ ড্ৰাইভাৰে নিজৰ ঘৰত গৈ থাকে। যাহৰ সময়ত দৌৰা দৌৰিকৈ ড্ৰাইভাৰৰ ছিটত আহি বহে। তাৰ আগতে গাড়ীখন চাইচিতি লোৱাৰ কোনো ব্যৱস্থা নলয়। আন আন ঠাইত দেখিছো- গাড়ীখন যোৱাৰ আগতে এবাৰ চাই লয়। ড্ৰাইভাৰ নহলেও কোনোবা তেনেকুৱা জনা মানুহ বা চৌকিদাৰে আগতে গাড়ীখন চাই লয়।

চেয়াৰমেন মহোদয়, আমাৰ মঙ্গলদৈত পৰিবহন নিগমৰ বাছ যোৱাৰ আগতে প্ৰাইভেট বাছবোৰে আস্থানৰ ওচৰত আহি হৰ্ণ দি থাকে। কাৰণ এইটোৱে যে আস্থানৰ পৰা যাত্ৰী সকল গৈ সেই প্ৰাইভেট বাছত উঠিব। এইদৰে তেওঁলোকে মানুহ গোটাই লয়। আমাৰ পৰিবহনৰ নিগমৰ প্ৰায় আস্থানবোৰতে তেনেকুৱা হয়।

চেয়াৰমেন মহোদয়, এইবাৰ এই পবিত্ৰ সদনত প্ৰশ্নৰ শিতানত মই কলাইগাওঁ বাছ আস্থানৰ কথা কৈছিলো। কলাইগাওঁ আস্থানৰ পৰিবেশ একেবাৰে ভাল নহয়। তাত লেট্ৰিনৰ ভাল ব্যৱস্থা নাই। আস্থানৰ ঘৰটো দুজন ঠিকাদাৰক সাজিবলৈ দিয়া হৈছিল। কিন্তু সেই ঘৰটো এতিয়াও সম্পূৰ্ণ নহল। এই ক্ষেত্ৰত ঠিকাদাৰে কি কৰিলে তাৰ এটা এনকুৱাৰী কৰি চাই তাত আস্থানৰ ব্যৱস্থা কৰিলে ভাল হয়।

চেয়াৰমেন মহোদয়, আগতে কলাইগাওৰ পৰা তেজপুৰলৈ বাছ চলাচলৰ ব্যৱস্থা আছিল। এতিয়া যদি গন পৰিষদ চৰকাৰৰ দিনত তাক উঠাই দিয়া হয়, তেতিয়া হলে ৰাইজৰ কাৰণে এইটো বৰ দুখজনক কথা হব। কলাইগাওৰ পৰা গুৱাহাটী, খৈৰাবাৰীৰ পৰা গুৱাহাটীলৈ বাছৰ যোগাযোগ কৰিবলৈ অনুৰোধ জনালো। আজি ৩৮ বছৰে ইয়াৰ কোনো ব্যৱস্থা নহল। আমাৰ গন পৰিষদ চৰকাৰক যাতে ৰাইজে সমালোচনা কৰিব নোৱাৰে তালৈ লক্ষ্য ৰাখি এই ব্যৱস্থাবোৰ কৰিলে ভাল হয়।

শেষত মই এই কৰ্ত্তন প্ৰস্তাবৰ বিৰোধিতা কৰি পৰিবহন মন্ত্ৰী মহোদয়ে আন দাবী মঞ্জুৰীৰ প্ৰতি সমৰ্থন জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীমতি দাস : শ্ৰদ্ধেয় সভাপতি মহোদয়, আজি পৰিবহন শিতানত পৰিবহন মন্ত্ৰী ডাঙৰীয়াই অহা বছৰৰ বাবে যি টকা মঞ্জুৰী বিচাৰিছে সেইখিনি সামান্য হৈছে! পৰিবহন সেৱা শিতানৰ প্ৰশাসনৰ ক্ষেত্ৰত বহন কৰিবলগীয়া ১৮,৪১,৩৮,০০০ টকা নিশ্চই সামান্য হৈছে। আমাৰ বিৰোধী পক্ষৰ মাননীয় সদস্য সকলে ইয়াৰ ওপৰত যি কৰ্ত্তন প্ৰস্তাৱ আনিছে, আমি ভাবো সেই কৰ্ত্তন প্ৰস্তাৱ নানি বৰ্দ্ধন প্ৰস্তাৱহে আনিব লাগিছিল। যাহওঁক, আমাৰ সুবিধা হৈছে যে আমি পৰামৰ্শ দিব পাৰিম। আমাৰ পৰিবহন সেৱা অভাবনীয় হিচাবে অৱনতি হোৱা দেখি আহিছো। এতিয়াও অসমত পৰিবহন সেৱা চাহিদা মতে হোৱা নাই। আমি স্বীকাৰ কৰিছো যে আমাৰ মন্ত্ৰীসভা হোৱাৰ পিচৰ পৰা বিগত বছৰত কিছু পৰিবৰ্ত্তণ হোৱা দেখিছো বৰ্ত্তমান আগেয়ে নযোৱা ঠাইলৈ বাছবোৰ গৈছে। গতিকে মন্ত্ৰী মহোদয় পৰিবহন সেৱা আগ বঢ়াই নিবলৈ সমৰ্থ হৈছে। কাৰন আজি দুকুৰি বছৰ পাচত বিভিন্ন নযোৱা ঠাইলৈ বাছ যাবলৈ সক্ষম হৈছে। দুশ খন বাছ কিনি পৰিবহন সেৱা কৰাৰ পাচতো এই বিভাগে একো কৰা নাই বুলি কলে ভাল নহব। এই সেৱা অতি গুৰুত্বপূৰ্ণ সেৱা, যিটো সেৱাৰ দ্বাৰা জনসাধাৰণৰ সময় বচাই দিব পাৰে। বাচ সেৱাটোৱেই হৈছে জন জীৱনৰ বিশেষ গুৰুত্বপূৰ্ণ সেৱা। যিটো সেৱাই মানুহৰ সময় বচোৱাই দিয়ে আৰু কষ্টও কমাই দিয়ে। আমি এই ফালৰ পৰা আমাৰ বাচ সেৱাটো যিমান উন্নত দেখিবলৈ পাব লাগিছিল দিনক দিনে সিমান উন্নত দেখিবলৈ পোৱা নাই। আগতে ব্যক্তিগত চিটি বাছ আৰু চৰকাৰী চিটি বাছ বিলাকে গুৱাহাটীৰ চাহিদা পুৰণ কৰিব পাৰিছিল। কিন্তু এতিয়া নিগমে চিটি বাচ দিছে যদিও

অভাৱ পূৰণ কৰিব পৰা নাই। গতিকে নিগমৰ ফালৰ পৰা যিমানেই পাৰে গুৱাহাটীত চিটি বাঁচ বঢ়াই দিয়াৰ ব্যৱস্থা কৰিব লাগে। চিটি বাচৰ ক্ষেত্ৰত এটা কথা দেখা গৈছে যে চিটি বাঁচ বিলাকে এটা ট্ৰিপ মাৰি যিমান বাৰেই জজ খেল পথাৰৰ আস্থান পোৱাৰ লগে লগেই তাত যিজন সহকাৰী আস্থান অধিক্ষক থাকে তেখেতক ৫ টকাকৈ দিব লাগে। অকল চিটি বাচেই নহয় যিমান বিলাক পৰিবহন নিগমৰ বাচ চলে সেই আটাই বিলাকেই এঠাইৰ পৰা গৈ আনঠাই পোৱাৰ লগে লগেই তাৰ যি জন বুকিং ক্লাৰ্ক থাকে তেওঁক ২টকা আৰু আস্থান অধিক্ষকক ১০ টকা, ২০ টকালৈকে দিবলগীয়া হয়। এই ব্যৱস্থাৰ দ্বাৰা দুনিতী কৰিবলৈ সুবিধা দিয়া হৈছে। আমাৰ গনপৰিষদ চৰকাৰৰ উদীয়মান মন্ত্ৰী মহোদয়ে এই বিষয়ত মনোনিবেশ কৰিব বুলি আশা কৰিছো।

মই এতিয়া এই বিভাগত থকা কিছুমান অভাৱ অভিযোগৰ কথা মন্ত্ৰীৰ দৃষ্টিলৈ আনিব খুজিছোঁ। আমাৰ পৰিবহন আস্থান সমূহৰ অৱস্থাৰ বিষয়ে ইতিমধ্যে আমাৰ কেইবাজনো মাননীয় সদস্যই কৈ গৈছে। পৰিবহন আস্থান সমূহত ১০।১৫ মিনিটৰ ওপৰ সময় মানুহ বৈ থাকিব নোৱাৰে। ওচৰতে প্ৰচাৰাগাৰ থকাৰ কাৰণে তাৰ দুৰ্গন্ধত মানুহ থাকিব নোৱাৰি ওচৰৰ দোকানতগৈ বৈ থাকিবলগীয়া হয়। মই বিশেষকৈ জাগিৰোডৰ আস্থানৰ কথা কব খুজিছো। জাগিৰোড আস্থানত জিৰণি-লৰৰ কাৰণে দুটা কোঠা আছিল। এটা পুৰুষৰ আৰু আনটো মহিলাৰ কাৰণে। কিন্তু তালৈ এজন সহকাৰী অধিক্ষক অহাৰ কাৰণে তেওঁক থকা ঠাই দিবলগীয়া হোৱাৰ কাৰণে আগৰ মহিলা জিৰণি কোঠাটো তেওঁক দিয়া হয় আৰু পুৰুষৰ যিটো জিৰণি কোঠা আছিল সেইটো মহিলাৰ জিৰণি কোঠ কৰা হয় তাৰ ফলত পুৰুষৰ জিৰণি কোঠা নোহোৱা হয়। আৰু ওচৰতে শৌচাগাৰ থকাৰ কাৰণে সেই ঠাইত কোনো থাকিব নোৱাৰে। জাগিৰোড আস্থানত দেখিবলৈ সদায়েই পোৱা যায় যে ১০।১২ খন মান গাড়ী অথালি পথালিকৈ ৰখা হয়। তাৰ কাৰণে দুৰ্ঘটনা হোৱাৰ প্ৰায়েই সম্ভৱনা থাকে। মই আগতে এটা প্ৰশ্ন এই সম্পৰ্কত দিছিলো যদিও তাৰ সদোত্তৰ মই নাপালো। এই আস্থানটো বৰ্ত্তমান থকা ঠাইৰ পৰা পশ্চিম ফালে আনিব পাৰিলে ভাল হয়। এইটো কথা বিশেষ ভাবে বিবেচনা কৰি চাব লাগে। কাৰণ এইটো অকল জাগিৰোডৰ যাত্ৰীৰ কাৰণেই নহয় গোটেই ওপৰ অসমৰ কাৰণেই সুবিধা হব।

মই এই খিনিতে আৰু এটা কথা কব বিচাৰিছো যে মৰিগাওঁ মহকুমা হোৱাৰ পিচতো মৰিগাৱলৈ পৰিবহন নিগমে এখন বাচ দিছিল। কিন্তু আজি বহুত দিন ধৰি সেই বাচখন নচলাত খবৰ লৈ জানিব পাৰিলো যে চকাৰ অভাৱত বোলে সেইখন বাচ চলাব পৰা নাই। মৰিগাওঁ মহকুমা হোৱাৰ পিচত যি এখন পৰিবহন নিগমৰ বাচ দিছিল সেইখনো চকাৰ অভাৱত চলাব নোৱাৰা হোৱাটো বৰ আচৰিত কথা। এই খিনিতে মই মন্ত্ৰী মহোদয়ক এটা সুখবৰ দিব বিছাৰিছো যে বানপানীৰ সময়ত যিখন দলং বেয়া হোৱাৰ কাৰণে ৰহাহৈ মৰিগাৱলৈ বাচ চলাব লগীয়া হৈছিল এতিয়া সেইখন দলং ভাল হৈছে আৰু মুকলি কৰা হৈছে। তাৰ কাৰণে মই গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। এই দলংখন ভাল হোৱাৰ কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে কালি পৰহিৰ পৰা পাৰিলে ২।৩ খন পৰিবহনৰ বাচ মৰিগাৱলৈ দিব লাগে।

এটা কথা দেখা গৈছে যে পৰিবহন নিগমৰ বাচ বিলাকত যাবলৈ যাত্ৰী সকলৰ আগ্ৰহ তেনেই কম। ইয়াৰ কাৰণ হৈছে যে পৰিবহন নিগমৰ বাচ বিলাকে নিৰ্দ্দিষ্ট সময়ত গৈ গন্তব্য স্থান পাইগৈনে নাপায় যাত্ৰীৰ এই কথাত সংশয়। কিয়নো প্ৰায়েই দেখা যায় যে পৰিবহন নিগমৰ বাচ বিলাক ভালকৈ চেক নকৰাৰ কাৰণে আধা বাটতে গৈ পৰি থাকে। তেতিয়া ড্ৰাইভাৰে উপাই নাপায় ৰেন্স এপাট আনি কিবা অলপ কুক কাৰং কৰে। ড্ৰাইভাৰে বাচ ভাল কৰাৰ অধিকাৰ নাই। বেচেৰাৰ কোনো উপাই নাই। তেনে অৱস্থাত বেলেগ বাচ নিদিয়ালৈকে বা বেলেগ ঠাইৰ পৰা মেকানিক আনি গাড়ী ভাল নকৰালৈকে যাত্ৰী সকল সেই ঠাইতেই বোলা পৰ দি ৰহি থাকিবলগীয়া হয়। কিন্তু ব্যক্তিগত মালিকৰ বাচ বিলাকত তেনে অসুবিধাহ প্ৰায়েই দেখা নাযায়। তেওঁলোকে যাত্ৰীক নি সময়মতে গন্তব্য স্থান পোৱায়গৈ আৰু তেওঁলোকৰ যাত্ৰীৰ প্ৰতি আগবঢ়োৱা সা সুবিধা পৰিবহন নিগমৰ বাচতকৈ বহোতো বেচি। যাত্ৰী সকল সময়মতে গন্তব্য স্থান নাপায়, বাটত বেয়া হলে ৰদে বৰষুনে বহি থাকিবলগীয়া হয় আৰু যাত্ৰীৰ প্ৰতি সা সুবিধা নথকাৰ কাৰণেই যাত্ৰী পৰিবহন বাচত যাবলৈ বেয়া পায়। গতিকে পৰিবহন নিগৰম বাচ বিলাক আস্থানলৈ অনাৰ আগতেই ভালকৈ চেক কৰিব লাগে আৰু যাত্ৰীৰ প্ৰতি সা সুবিধা দিয়াৰ ব্যৱস্থা কৰিব লাগে। মই মন্ত্ৰী মহোদয়ক এক বলিষ্ঠ পদক্ষেপ লবলৈ অনুৰোধ জনাইছো। তেখেতে যাতে এই বিভাগটো উন্নত কৰাত ব্ৰতী হয় তাৰ বাবে অনুৰোধ

জনাইছো আৰু বিৰোধী পক্ষৰ মাননীয় সদস্যে সকলে কৰ্তণ প্ৰস্তাবটো উঠাই লৈ পৰিপূৰক দাবীটো সমৰ্থণ কৰিবলৈ অনুৰোধ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

Shri Dewan Joynal Abedin : Mr Chairman Sir, I shall speak a few words on this Cut Motion on grant for Tran sport. Sir, I have an apprehension that within a few years, we may be deprived of thae opportunity of moving any Car Motion on any Grant on this head of Transport because there may not be any grants to be moved at all on this head. It has already been discussed- the condition of the transport services in the state by not only the members of opposit.on but even by some Hon'ble members of the Treasury Bench as well It is to be ... ... ...

It is to be admitted by all that the transport services are really in a very bad condition and one apprehends that very soon this department may be closed at all. There may not be any requirement for any demands for grants of Transport Department at all in hear future. sir, it is a known fact that rampant corruption is going on in this department from the past. Now, sir, people had expected a change for the coming of this new government. because this new govern ment has assured a clean asnished But, sir, we are administra- tion to see that it has been admitted by many Hon'ble Members of this house that corruption has become an open secret. Money is being regularly paid to the higher officials and corruption, like a liquid, flows from top to bottom. Therefore, sir, if the Government want to check crruption, it must be che- cked at the bottem. The leakage must be checked at the bottom. The leakage must be stopped at the top. Now, it percolates right from the top and down to the bottom. Sir, how, there

can be improvement when the corruption is going on right from top to the bottom ? So, sir, if the Government is sincere, then they should take drastic action. They should formulate certain policies to revitalise the .department Ctherwise, sir, very soon this department will have to be closed. Sir, we fail to understand what is the wrong with this department. We have heard that lot of buses are purchased every year. But their income is not increased. Whereas we find that private Bus Owners are making profits like anything. They are earning huge profits compared to our Transport Services. They are expanding their services day by day. We fail to understand why our State Transport buses suffer loss. Therefore, sir, if the Government. cannot check such corruption, then they have no right to hold this portfolio. Then, sir, we find that Parallel Bus Services are also running by the private owners on almost all the routes. There should be a clear cut policy in this direction. Parallel Bus Services of private Owners on certain nationalised Roads are earnig huge profits as they do not have any fixed rates. They charge as they like and the passengers are compelled to pay the amount as they are not sure when the State Transport Bus will come and even if it comes it may go out of order at any moment. Therefore, sir, the passengers do not hesitate to pay the higher rate of fares to the private bus owners. Therefore, sir, Government should come out with a clear policy whether they should denationalise it and handed it over to the private owners or nationalise it properly and not to encourage such parallel services. Sir, my suggestion is that Government should nationalise all the important

routes and all parallel services by the private owners should be discontinued. The private owners are extracting more fares without giving any facility. Pessengers are compelled to travel by the private services as there is no guarantee whether they should get the Transport Bus according to time schedule etc. Therefore, sir, all the important new routes should be nationalised. It is the government responsibility to maintain communication and transport system in the State. Well, this responsibility cannot be given to the individual bus owners. Sir, this is a very important question and it should be taken up seriously. Then, sir, we find that government is providing tempoary permits for 3/4 months. I suggest that it should be discontiued and if permit is to be given at all-then it should be given for a longer period. Tempoary permits 3/4 for months make unnecessary harassment to the bus-owners. There are other reasons why the condition of our transport buses is like that. Sir, they need regular and constant maintenance ,and for that they need workshops all over the State. We find that right from Gauhati to Dhubri-where there is a small workshop, there is no engineer. How they can maintain bus in a tip-top condition. Where there is a small workshop, there are no technical personnel to run the workshop. Then, sir, there are lots of corruption in the workshop. In the name of maintenance, a group of officers are indulging in corrupt practices. Those orring officers should be brought to book. Government should give exemplary punishment to those orring officers. If they take such an attitude, things will definitely improve. Then, sir, we have seen that towards the beginning. Towards the beginning

the things were showing a better tendency, but again we are seeing that tendency has slowed down. That is why, I like to request our Honourable Transport Minister to look into this matter and arrange for repair work by their own arragement. In doing so, he will also see that efficient engineers and mechanics are placed in all the important State Transport workshops.

Next important point is about the I.W.T. This inland water transport also comes under the purview of the Transport Department. Here Government is maintaining a skeleton service. In the whole of Brahmaputra valley, the river route plays an important role in the life of the people. For transport, rural People use country boats over river waters and other low lying areas under water. So conutry boats plays a vital part in our inland water transport system. Nowadays even there also sir, some improvement has taken place by fitting power engines in the country boats for river transport, but here the Inland Water Transport Department is coming in the way though the Department I. W. T. system is not able to meet the total need of water transport of our people. I. W. T. should come forward, in that circumstances, with the motive of helping the people. Instead of that, we are astonished to see that the Department is taking a deterrent attitude and putting impediments to the people. People are fitting small irrigation pumps in their boats and by this they can pump water easily. This is a revolutionary step and with their power engines and pumps they try to modernise the water transport system with the country boats, but sir, the Government is putting up constraints upon them instead of helping them in their

attempt to modernise the service. These constraints are coming from four departments. Firstly, the I.W T. Department - they are to issue permits to the people engaged in water transport service, secondly the Mahkuma parishad - they may not allow any villager to play his country boat for transporting people; then thirdly the district and subdivisional officers - they also impose some kind of restrictions; and lastly the Irrigation Department- they will demand for some sort of minimum qualification; whether you have fitted any Pump set and so on. Sir, for quick and efficient water transport of the rural people, these modern engine sets should be allowed to be utilised for the benefit of mankind, but we are astonished that the Government is not allowing the People to utilise them for service of the mankind. Here I would like to suggest that the Government should declare only one authority for regulating the plying the country-boats, so that harrassment of the country-boat plyers is minimised.

Sir, I am to comment on another kind of transport; that is our railway transport. Here also our Government is very much concerned as it is the vital means of transport; but on this they have almost stated nothing; the picture of railway system does not come at all. We have expected that a railway bridge over Jogighopa- Pancharatna will come up. We are expecting that a rail cum road bridge would be constructed at that site and also a rail head would be constructed subsequently connecting upto Gauhati in order to provide efficient railway transport benefitting the entire southern bank of the State including Meghalaya

and this is how the entire railway transport system would be revolutionized. But sir, we are astonished to find that in Assam Tribune an editorial is written saying that in this years annual plan one crore of rupees has been allotted for this rail cum road bridge, and from that we could understand that this plan has not yet been dropped. otherwise we were under the imporession that the rail cum road bridge at Jogighopa-pancharatna had been dropped. We like to request the Transport Minister to take up the matter with all seriousness with the Government of India so that this rail cum road bridge is constructed at the earliest possible time.

With these suggestions, sir, I conclude.

শ্ৰী দেব কুমাৰ বৰা : মাননীয় সভাপতি মহোদয়, আজি আমাৰ পৰিবহনৰ শিতানত মঞ্জুৰী নং ৯ৰ ওপৰত যি আলোচনা হৈছে তাৰ ওপৰত দুয়াৰমান কথলৈ ওলাইছো আৰু বিৰোধী পক্ষ্যই অনা কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধিতা কৰিছো। ইতিমধ্যে পৰিবহনৰ শিতানত যি ১৮ কোটি ৪০ লাখ ৩৮ হাজাৰ টকা দাবী মঞ্জুৰী মাননীয় পৰিবহন মন্ত্ৰী ডাঙৰীয়াই উত্থাপন কৰিছে তাৰ ওপৰত বহুতো পৰামৰ্শ আলোচনাৰ মাজেৰে আহিছে আৰু পৰিবহনৰ সম্পৰ্কত কিছু গঠনমূলক সমালোচনা ইতিমধ্যে হৈ গৈছে। মাননীয় সভাপতি মহোদয়, পৰিবহনৰ শিতানত যি অনুদান বিচৰা হৈছে সেই অনুদানেৰে কম সময়ৰ ভিতৰত সকলো কাম নহলেও পৰ্য্যায়াক্ৰমে অসমৰ পৰিবহন ব্যৱস্থাটোৰ যে কিছু উন্নতি সাধন অদূৰ ভৱিষ্যতে হব তাৰ এটা ইঙ্গিত আমি দেখিবলৈ পাইছো। কিন্তু পৰিবহনৰ ক্ষেত্ৰত কেৱল পৰিবহন নিগমৰ কাৰ্য্যকলাপৰ ওপৰত দৃষ্টি নিক্ষেপ কৰি ৰাকী ইয়াৰ লগত সম্পৰ্ক বা সাঙোৰ খাই থকা কথাবিলাক আলোচনা নকৰি এৰাই গলে মোৰ বোধাৰে আলোচনাটো আধৰুৱা হব। সেইকাৰণে পৰিবহনৰ লগত জৰিত থকা কথা বিলাকৰ লগত সংগতি ৰাখি কেইটামান কথা উত্থাপন কৰিবলৈ বিচাৰিছো। তাৰে এটা হ'ল অসমত যি ৰেইলওৱে ট্ৰেন্সপোৰ্ট আছিল সেই ৰেইলওৱে ট্ৰেন্সপোৰ্টৰ ওপৰত আমাৰ পৰিবহন বিভাগে কেন্দ্ৰীয় চৰকাৰক মাজে মাজে সকিয়াই

থাকিব লাগে আৰু তেওঁলোকৰ দায়িত্ব আছে। এই ক্ষেত্ৰত মই কব লাগিব যে অসমত, যি ৰেইলওৱে পৰিবহন ব্যৱস্থা আছে সেই ব্যৱস্থাই অসমৰ ৰাইজক যিমানখিনি সকাহ দিব লাগিছিল সিমান খিনি পৰা নাই। কাৰ্য্য ক্ষেত্ৰত অসমৰ থলুৱা অসমীয়া মানুহে ৰেইলওৱেৰে যাত্ৰা কৰে কেৱল দাতিকাষৰীয়া অঞ্চলৰ বাদে বাকী সকলোতে ৰেইলওৱেত চলাৰ অভ্যাস নাইকিয়া যেন লাগে কিয়নো এই ৰেইলওৱে ব্যৱস্থাই অধিকাংশ অসমৰ ৰাইজক আকৰ্ষন কৰিব পৰা নাই। সেইকাৰণে পৰিবহনৰ ক্ষেত্ৰত উন্নতিসাধন কৰিবলৈ হলে ৰেইলওৱে অথোৰিটিৰ লগত যোগাযোগ কৰাতো অত্যন্ত প্ৰয়োজন হৈছে। ইয়াৰ ভিতৰত ডিব্ৰুগড়ৰ পৰা গুৱাহাটীলৈ অহা যোৱা কৰোতে বাচৰ ওপৰত নিৰ্ভৰ নকৰি যাতে সীমিত সময়ৰ ভিতৰত এই দূৰত্বটো ৰেইলেওৱেৰ জৰিয়তে অহা যোৱা কৰিব পৰা এটা ব্যৱস্থা কৰিব লাগে। কিন্তু বৰ্ত্তমানে যি ব্যৱস্থা আছে ৰেইলওৱেৰে অহা যাৱা কৰিলে ২৩/২৪ ঘন্টা সময় ডিব্ৰুগড়ৰ পৰা গুৱাহাটীলৈ লাগে, গতিকে উপায় নাপাই যাত্ৰী সকলে বাচেৰে আহিবলৈ বাধ্য হয়। আৰু আন উপায় নাথাকে। এখন পেচেঞ্জাৰ ট্ৰেইন কাজিৰঙা এক্সপ্ৰেচ নাম দি কেন্দ্ৰীয় মন্ত্ৰীৰ দ্বাৰা উদ্বোধন কৰা হৈছিল, কিন্তু সভাপতি মহোদয় আপুনি শুনিলে দুখ পাব যে এই এক্সপ্ৰেচ ট্ৰেইনখনৰ এতিয়া কোনো অস্তিত্ব নাই। অথচ এই কাজিৰঙা এক্সপ্ৰেচ খনতেই আমাৰ দুখীয়া মানুহখিনিৰ অহা যাৱা কৰাতি সুবিধা হৈছিল, ১৯৭৪ চনত তাত বগীৰ সংখ্যা আছিল ১৪টা এতিয়া মাত্ৰ দুটা হৈছে। তাকো সেই খনতো যোৰহাটৰ পৰা গুৱাহাটীলৈ ১২ ঘন্টা লাগিছিল কিন্তু এতিয়া ১৮ ঘন্টা ২০ ঘন্টা সময় লাগে। তিনিচুকীয়া এক্সপ্ৰেচৰ অৱস্থাও তদৰূপ, কেতিয়াবা ফৰকাটিং ষ্টেশ্যনত অসম মেইলৰ লগত লগ লগাই দিয়ে নহয়তো কামৰূপ এক্সপ্ৰেচৰ লগত লগ লগাই দিয়ে আৰু বিভিন্ন লাইনৰ লগত সংযোগ কৰি দিয়ে। সেইদৰে বৰাক ভেলী এক্সপ্ৰেচৰ কাৰণে লামডিং ষ্টেশ্যনত ৩ ঘন্টাৰ ওপৰ সময় বৈ থাকিব লগীয়া হোৱাই আমাৰ যাত্ৰীসকলে ৰেইলওৱেৰ ব্যৱহাৰ নকৰি বাচত অহা যোৱা কৰাটোকে বিচাৰে। কিন্তু ভাৰতবৰ্ষৰ অন্যান্য ঠাইত অসমৰ নিচিনাকৈ বাচত অহাযোৱা কৰাতকৈ ৰেইলওৱেৰ ব্যৱহাৰটো বেচি। অন্যান্য ঠাইত পৰিবহনৰ প্ৰধান মাধ্যম হিচাবে যাত্ৰী সকলে ৰেইলওৱেৰ ব্যৱহাৰ কৰে কিন্তু অসমত তাৰ ওলোটাতো। পৰিবহন মন্ত্ৰী তথা আমাৰ পৰিবহন বিভাগে অলপ ক্ষিপ্ৰতাৰে আৰু কঠোৰ ভাবে কেন্দ্ৰীয় চৰকাৰক কিছু পৰিমানে সৈমান কৰিব পাৰে যাতে পৰিবহনৰ ক্ষেত্ৰত ৰেইলৱেৰ যি খিনি সুবিধা আছে

সেই খিনি পুৰাদমে ইয়াত চালু কৰা হয় আৰু কম মূল্যতে আৰু সীমিত সময়ৰ ভিতৰতে যাতে যাত্ৰী সকলে ৰেইলওৱেৰে অহা-যোৱা কৰিব পাৰে। তাৰ পাচত গুৱাহাটীৰ পৰা ত্ৰিবানন্দ্ৰমলৈ যি খন এক্সপ্ৰেচ ট্ৰেইন দিছে তাৰ দ্বাৰাও আমাৰ অসমৰ ৰাইজ বিশেষ ভাবে উপকৃত হোৱা নাই কিয়নো এই ট্ৰেইনখন অসমৰ ৰাইজে সিমান ব্যৱহাৰ নকৰে। ইয়াৰ দ্বাৰা কেৱল কানেকটেড ষ্টেট বিলাকৰ মানুহৰ বেচি সুবিধা হৈছে। এই ক্ষেত্ৰত ৰেইলওৱেৰ ওপৰত বেচি মনোযোগ দিব লাগে।

মাননীয় সভাপতি মহোদয়, এইক্ষেত্ৰত আমি অমনি বাচৰ ওপৰত নজৰ দিব লাগে। অসমৰ বাহিৰৰ অমনি বাছ সমূহে অসমৰ বাহিৰৰ পৰা পাৰ্মিট লয়। আৰু অসমত চলায় গতিকে এনেকুৱা ধৰণৰ বাছ বিলাক অসমত চলাবলৈ দিয়াটো বন্ধ কৰি দিব লাগে। আমাৰ থলুৱা মানুহৰ দ্বাৰা এই পৰিবহন ব্যৱসায়টোত উন্নতি সাধন কৰিব লাগে। লগতে পৰিবহন ব্যৱস্থাটো সকলো ফালৰ পৰা ঠিক ঠিক কৰি লব লাগে। যদি পৰিবহন ব্যৱস্থাটো সকলো ফালৰ পৰাই ঠিক কৰি উন্নত কৰি তোলে তেতিয়াহলে বাহিৰৰ পৰা যিবিলাক বাছে ভাৰা মাৰে সেইটো বন্ধ কৰিব পৰা যাব। এখন অমনি বাছে ক'ত কেতিয়া আহি ভাৰা মাৰি যায় সেইটো গম পোৱাত অসুবিধা হয়। বাহিৰৰ মানুহে ইয়াত বাচ চলাচল কৰাৰ কাৰণে আমাৰ বিপদ ঘটিছে। মাননীয় সভাপতি মহোদয়, অসমৰ নেচনেল হাইওৱেৰ ওপৰত যথেষ্ট পৰিমাণৰ দুৰ্ঘটনা হবলৈ ইতিমধ্যে আৰম্ভ হৈছে। এই দুৰ্ঘটনা বন্ধ কৰিবৰ কাৰণে এটা মাৰ্চ অধিবেশনত পৰামৰ্শ দিছো আৰু এতিয়াও দিব বিচাৰিছো। নেচনেল হাইওৱেৰ কাষত যিবিলাক ট্ৰাক পাৰ্কিং কৰে, এই ট্ৰাক বিলাকৰ দ্বাৰা নিশা বাছৰ চলাচল কৰাত বাধাৰ সৃষ্টি হয়। দ্বিতীয়তে যতে ততে ট্ৰাক বিলাক ৰখোৱাৰ ফলত দুৰ্ঘটনা ঘটাৰ উপক্ৰম হয়। গতিকে এই ব্যৱস্থাটোৰ পৰিবৰ্ত্তন সাধন কৰিব লাগে। ট্ৰাক পাৰ্কিঙৰ ক্ষেত্ৰত চৰকাৰে কিছুমান অঞ্চলত অনুমতি প্ৰদান কৰিব লাগে আৰু তেনে কেতবোৰ অঞ্চল বাচি উলিয়াই প্ৰশাসনীয় ভাবে একোখন ঠাইত ট্ৰাক পাৰ্কিং খুলিবলৈ অনুমতি দিব লাগে। এই ট্ৰাক পাৰ্কিংবোৰৰ ওচৰত দোকান, পেট্ৰোল পাম্প আদি দিয়াৰ অনুমতি প্ৰদান কৰিলে আৰু এই বিলাক আমাৰ থলুৱা নিবনুৱা যুৱকৰ দ্বাৰা কৰিলে নিবনুৱা সমস্যাতো অধিক সহায় হব। যদি এই পাৰ্কিং বিলাক কৰি দিয়া নহয় তেনেহলে নেচনেল হাইওৱেৰ এই

অসুবিধা বিলাক দূৰ কৰাতো সম্ভৱ নহব। গুৱাহাটীৰ ক্ষেত্ৰতো এই সমস্যাবিলাক দিনক দিনে বাঢ়ি গৈছে। ইতিমধ্যে ট্ৰেফিক ভীৰ বহুত হৈ আছে। এই অশান্তিকৰ পৰিস্থিতিবোৰ আতৰ কৰাৰ কাৰণে আমি কিছুমান নতুন নিয়ম কৰিব লাগিব। এইখিনিতে মই এটা কথা কব বিচাৰিছো, দিল্লীত এনেকুৱা ধৰণৰ এটা সমস্যা হৈছে বা অন্যান্য চিটি বিলাকতো এনেকুৱা সমস্যা হৈছে। আমাৰ ইয়াত পুৱা ১০ বজাৰ ভিতৰত কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী সকল একেলগে ওলাই অহাৰ পৰিপ্ৰেক্ষিতত ট্ৰেফিক ভীৰ হৈ থাকে আৰু সেইটো হোৱাটো স্বাভাবিক। সেইকাৰণে দিল্লীৰ স্কুল আৰু কলেজৰ ছাত্ৰ-ছাত্ৰী সকলে এক ঘণ্টা আগতে ওলায়। এই এক ঘণ্টাৰ ব্যৱধান ৰাখি এই দুটা সময় নিৰ্দ্ধাৰণ কৰা হৈছে। অৰ্থাত, স্কুল আৰু কলেজৰ টাইম আৰু অফিচৰ টাইম দুটা বেলেগ বেলেগ সময়ত নিৰূপণ কৰা হৈছে আৰু স্কুল, কলেজ আৰু অফিচ টাইমত যাতে ট্ৰেফিক ভীৰ নহয় সেইটো তাত ব্যৱস্থা কৰা হৈছে। গুৱাহাটীৰ ক্ষেত্ৰত এই ব্যৱস্থাতো কৰিলে পৰিবহনৰ ক্ষেত্ৰত অধিক সুবিধা হব আৰু অধিক উন্নতি হব, দুৰ্ঘটনাও কমিব আৰু বহুতো মানুহৰ শান্তি হব আৰু পৰিবহন ব্যৱস্থাৰো যথেষ্ট উন্নতি সাধন হব। সেই কাৰণে কেইবাটাও বিভাগ, অফিচ আৰু স্কুল কলেজৰ অভিভাৱকৰ লগত যোগাযোগ কৰি আৰু আলোচনা কৰি এনেকুৱা এটি সময়ৰ পাৰ্থক্য ৰাখিলে ট্ৰেফিক ভিৰৰ এই অশান্তিবোৰৰ পৰা হাত সাৰিব পৰা যাব। মাননীয় সভাপতি মহোদয়, এইখিনিতে মই আন এটা কথা কব বিচাৰিছো। এইটো হৈছে, গুৱাহাটীত যি টেক্সী ভাৰাত চলে, সেই টেক্সীবিলাকত এতিয়াও মিটাৰ টেক্সী চিচটেমত কৰা হোৱা নাই। মিটাৰ টেক্সী চিচটেমতো ভাৰতবৰ্ষৰ সকলো ঠাইতে হৈছে। বাহিৰৰ পৰা অহা মানুহক ইয়াৰ টেক্সী ড্ৰাইভাৰে অপদস্ত কৰা দেখিবলৈ পাইছো। তেনেকুৱা ধৰণৰ বে আইনী কাম যাতে নকৰে তাৰ কাৰণে এই মিটাৰ টেক্সী চিচটেম কৰিব লাগে আৰু সেয়েহে এই চিচটেম কৰাৰ কাৰণে মই পৰামৰ্শ আগবঢ়ালো। ইয়াৰ উপৰিও মই ওৱাটাৰ ট্ৰেন্সপোৰ্টৰ বিষয়ে কবলৈ বিচাৰিছো। এই ওৱাটাৰ ট্ৰেন্সপোৰ্ট যি ধৰণে ব্যৱহাৰ হব লাগিছিল সেই ধৰণে হোৱা নাই। নোহোৱাৰ পৰিপ্ৰেক্ষিতত আমাৰ যি অসুবিধা হৈ আছে আৰু তাৰ ভিতৰত নেচনেল ওৱাটাৰ ওৱেজ হিচাবে ব্ৰহ্মপুত্ৰৰ ওপৰত যিখিনি কৰা হৈছে সেই খিনি এই ওৱাটাৰ ট্ৰেন্সপোৰ্টৰ

ওৱাটাৰ ট্ৰেন্স‌পোৰ্টৰ ক্ষেত্ৰত থকা অসুবিধা বিলাক দূৰ কৰিব পৰা নাই। আন নহলেও অন্ততঃ চৰকাৰী যি বিলাক সংস্থা আছে সেই বিলাকে অন্ততঃ জল পৰিবহনৰ জৰিয়তে পৰিবহনৰ কাম বিলাক কৰিলে পৰিবহনৰ ক্ষেত্ৰত মূল্য বৃদ্ধি বোধ কৰিব পাৰিব। শেষত মই আন এটা কথা কব বিচাৰিছো। এখন বাচৰ কাৰণে যদি এজন নিবুনৱা যুবকে বেংকৰ পৰা লোণ বিচাৰে তেতিয়া তেওঁক এখন হেভী প্ৰফেচনেল লাইচেঞ্চ এসপ্তাহৰ ভিতৰত দিবলৈ কোৱা হয়। কিন্তু এখন হেভী প্ৰফেচনেল লাইচেঞ্চ এসপ্তাহৰ ভিতৰত উলিয়াওতে কিমান খৰচ পৰিব বা কিমান খৰচ হব। গতিকে আমাৰ নিবুনৱা যুবক সকলে এই প্ৰফেচনেল লাইচেঞ্চ খন যাতে দিবলগীয়া নহয় তাৰ ব্যৱস্থা কৰিব লাগে। কাৰণ তেওঁলোকে এখন লাইচেঞ্চ উলিয়াওতে ১ হাজাৰ বা ৫ শ টকা ভৰিবলগীয়া হয়। জানি শুনিও এই ভুলটো কিয় কৰা হৈছে। এই ধৰণৰ ফৰ্ম বিলাক আতৰ কৰিব লাগে। পাৰ্মিট খন দিলেই হব। কাৰোবাক এক হাজাৰ টকা খুৱাব লাইচেঞ্চৰ বাবে, তাৰ পাচত পাৰ্মিটৰ বাবে আৰু তাৰ পাচতহে বেংকে লোণ দিব। অৰ্থাত গাড়ী চলোৱাৰ কোনো অভিজ্ঞতা নাই। গাড়ী চলালেই যেন দুৰ্ঘটনা হব। এইখিনিতে আন এটা কথা মই কব বিচাৰিছো। অসমৰ ড্ৰাইভাৰ সকলে যেতিয়া গাড়ী চলায় তেতিয়া পাচত যে গাড়ী আহিছে সেইটো তেওঁলোকে খেয়ালেই নকৰে। এই ড্ৰাইভাৰ সকলৰ কোনো ট্ৰেইনিং নাই। কিন্তু অন্য ঠাইত ড্ৰাইভাৰে গাড়ী চলাওতে পাচত গাড়ী আহিছে নে নাই সেইটো সদায় লক্ষ্য কৰে আৰু পাচৰ গাড়ী অতিক্ৰম কৰি যোৱাৰ কাৰণে সুবিধা দিয়ে। কিন্তু সাধাৰণতে আমাৰ ইয়াত ড্ৰাইভাৰ সকলে পাচৰ গাড়ীলৈ লক্ষ্যই নকৰে আৰু অতিক্ৰম কৰি যোৱাৰো সুবিধা নিদিয়ে। গতিকে মই এটা পৰামৰ্শ আগবঢ়াব খুজিছো যে, ড্ৰাইভাৰ সকলৰ কাৰণে ট্ৰেইনিং ইনষ্টিটিউত এটা খুলিব লাগে। এই ট্ৰেইনিং ইনষ্টিটিউতত যি প্ৰশিক্ষণ লয় সেই সকলক বিভিন্ন ঠাইত চৰকাৰী অনুষ্ঠান সমূহত ড্ৰাইভাৰ হিচাবে নিযুক্তি দিব পাৰি। নহলে আজি দেখা যায় কিছুমান ড্ৰাইভাৰে মাজ ৰাস্তাৰে গাড়ী লৈ যোৱাৰ কাৰণে কেতিয়াবা এক্‌চিডেণ্ট হয়, কাজিয়া হয়। এই যি ধৰণৰ খেলি মেলি আৰু এই হুৰেগুলৰ কথা বিলাক কোনে বন্ধ কৰিব। এনেকৈয়ে চলি থাকিব নেকি? সেই কাৰণে মই কব খুজিছো এই পৰিবহন ব্যৱস্থাৰ লগত বহুতো কথা জড়িত হৈ আছে। গতিকে ট্ৰেঞ্চপোৰ্টৰ লগত সম্পৰ্কীয় এই গোটেই কথা বিলাক এটা সমন্বয় আনিব লাগে। আজি এনেকুৱা এটা

অৱস্থা হৈছে যেতিয়া ঘৰৰ পৰা মানুহ এজন ওলাই যায় তেওঁ ঘূৰি আহিবনে নাহে নানা ধৰণৰ চিন্তা আহি পৰে। আন নালাগে আমাৰ গুৱাহাটীতেই এনেধৰণে গাড়ীৰ চলাচল আৰু যাতায়তৰ ক্ষেত্ৰত বিপদজনক হৈ পৰিছে আৰু ঠায়ে ঠায়ে ট্ৰেফিক ভীৰ হোৱাৰ কাৰণে ৰাইজৰ যথেষ্ট অসুবিধা হৈছে। গতিকে এই পৰিস্থিতিৰ এটা শান্তিৰ পৰিবেশ আনিব লাগে।

বোম্বেত ৮০ লাখ / এৰকোটি মানুহৰ কাৰণে ৮ হাজাৰ বাচ দেইলি প্লাই কৰিছে। ১ হাজাৰ বাচে ১০ লাখ মানুহক পৰিবহণ কৰে। ঠিক একে পৰিমানে গুৱাহাটীত কি হৈ আছে? গুৱাহাটীৰ জনসংখ্যা ডেৰ লাখৰ ওপৰ হৈছে। কিন্তু গাড়ী কিমান আছে কথাটো পৰীক্ষা কৰি চাব লাগে। সৰ্ব্বভাৰতীয় পাৰচেণ্টটেজ কি? সেইতুলনাত আমাৰ ডেফিচেনঞ্চি হৈছে। ফলত বাচত ওলমি যোৱা আদি ঘটনা হৈছে। পৰিবহন নিগমৰ ক্ষেত্ৰত বহুতো কথা আলোচনা হৈছে। পৰিবহন নিগমৰ কাৰণে এজন ভাল মেনেজাৰ লাগে। A Managing Director from ACS Cadre cannot manage the affairs of the Corporation and he cannot give any profit to the Government Experts Manager should for giving profit to the Government. ভাৰত হেভী ইলেট্ৰিকেলছলিমিটেডৰ ১০ বছৰ লোকচান হৈছিল। প্ৰেকটিকেলী এতিয়া কি হৈছে? It is running below Profit average. বি, এইচচ, ই, এল যোৱা তিনি বছৰ লাভ হৈছে? getting resources from the governmen and giving nothing to the Government ষ্টেট চেকটৰত যিবিলাক কৰপোৰেচন আছে তেওঁলোকে ষ্টেট চাবচিডিৰ ওপৰত চলি আছে। বাস্তৱ কথাত এই কেইটাই আয় কৰিব পাৰিব লাগিছিল। আজি এই ধৰণে চলিলে নহব। সেইকাৰণে এই ব্যৱস্থাৰ সলনি কৰিব লাগিলে এজন দক্ষ প্ৰশাসক দিব লাগে। সেই প্ৰশাসক জনে পাৰচনেল মেনেজমেণ্ট, মেটেৰিয়েল মেনেজমেণ্ট এই সকলো বিলাক জানিব লাগিব। সেই বিলাক নজনা দোষত আজি এই বিলাক কথা হৈ আছে। ডাঙৰ ফেক্টৰী চলিবলৈ হলে তিনিমাহৰ কাৰণে পাৰ্টচৰ স্টক থাকিব লাগিব। টায়াৰ, মটৰ পৰ্টচ, বিয়েৰিং আদিৰ ষ্টক থাকিব লাগিব। মেকানিকচ, ড্ৰাইভাৰ সকলক দোষ দিয়া হয়। Failling in work, এইটো আচলতে মেনেজমেণ্টৰহে কথা। অসম ষ্টেট কৰপোৰেচনৰ ভিতৰত বহুত ডাঙৰ কথা হৈ আছে। এদিনত যিখিনি পাৰ্টচ লগোৱা হয়, পিচদিনা সেই খিনি ফিলাপ কৰিব লাগিব। তিনিমাহ ইনটেক্ট ষ্টক থাকিব

লাগিব । এই নিয়মটো পালন কৰা হোৱা নাই। সেই কাৰণে বাচ ভাঙি পৰিছে, লুটি খাই পৰিছে। আজি এই বিলাকৰ পৰিবৰ্ত্তন আনিব লাগিলে মেনেজমেণ্টটত চকু দিব লাগিব। আৰু চকু দিব লাগিলে ভাল দক্ষ মানুহ লাগিব। দক্ষ মানুহৰ দ্বাৰা নচলালে প্ৰফিট আনি দিব নোৱাৰে। এইটো ইউটিলিটি চাৰ্ভিচ হলেও মিনিমাম চেটিচফেকচন দিব লাগিব। ৰিজনেবল ইনকাম থাকিব লাগিব। চৰকাৰৰ ওচৰত হাত পাতি কৰপোৰেচন চলি থাকিলে ৰাইজ অসন্তুষ্ট হব। এই গোটেই বেমাৰটোৰ ওপৰত অধিক ভাবে নজৰ দিব লাগিব। যোৱা এবছৰত পৰিবহন মন্ত্ৰীয়ে বহুখিনি ইমপ্ৰোভমেণ্টলৈ আনিছে। তেখেতৰ কামখিনি অতি ফলপ্ৰসু ভাবে পাবৰ কাৰণে দক্ষ মানুহৰ প্ৰয়োজন হব। Otherwise he cannot get any response we want managers not anybody else. মেনেজ কৰিব পৰা লোক লাগে। এই খিনিকে কৈ সামৰণি মাৰিলো।

* শ্ৰীসুৰেন স্বৰ্গীয়াৰী: মাননীয় অধ্যক্ষ মহোদয়, পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে তেখেতৰ বিভাগৰ কাৰণে ১৭ কোটি ৪১ লাখ ৩৮ হাজাৰ টকাৰ মঞ্জুৰী বিছাৰিছে। সেই টকাৰ ওপৰত মই পূৰ্ণ সমৰ্থন জনাইছো। আৰু বিৰোধী সকলৰ পক্ষৰ পৰা যিটো কাটমোচন আনিছে, তাৰ মই বিৰোধীতা কৰিছো। এই বিষয়টোত মাননীয় সদস্য সকলে বহুতো আলোচনা কৰিছে। এই আলোচনা সম্পৰ্কত ভাগ লৈ মইও কেইটামান পৰামৰ্শ আগবঢ়াবৰ কাৰণে ঠিয় হৈছো। আমাৰ পৰিবহণ নিগমৰ যিবিলাক বাচ চলাচল কৰে, সেই বিলাক বাচৰ অৱস্থা সচাকৈ শোচনীয়। আমাৰ ৰাইজে সেই বাচ কেইখনক খেৰখেৰীয়া বাচ বুলি নামাকৰণ কৰিছে। এই শব্দটো মই ভাল ধৰণে লব পৰা নাই। সেই কাৰণে মই ধৰি লৈছো যে বাচ কেইখনৰ অৱস্থা বেয়া কাৰণে এই ধৰণৰ শব্দ ব্যৱহাৰ কৰা হৈছে। আমাৰ পুৰণিকলীয়া গাড়ী কেইখন আতৰ কৰিব লাগে। আগৰ চৰকাৰৰ দিনত যিবিলাক বাচ দিছিল সেই বিলাক বাচৰ অচল অৱস্থা হৈছে। সেইবিলাক নাইকীয়া কৰি নতুন গাড়ী দিয়াৰ কাৰণে যত্ন কৰিব লাগে। ইতিমধ্যে আমাৰ চৰকাৰে ১০০ খন নতুন গাড়ী আনি বিভিন্ন ঠাইত বিতৰণ কৰাৰ ব্যৱস্থা কৰিছে। এইটো আমাৰ কাৰণে এটা সুখবৰ। আগৰ চৰকাৰেও যদি প্ৰতি বছৰে ১০০ খন গাড়ী কিনাৰ ব্যৱস্থা কৰিলেহেতেন, মই ভাবো যানবাহনৰ অৱস্থা উন্নত হলহেতেন। সেইকাৰণে মই আশা ৰাখিছো যাতে আগৰ চৰকাৰে দিয়া গাড়ী

* Speech not Corrected.

বিলাক বৰ্ত্তমান চৰকাৰে পৰিত্যাগ কৰিব যদি আমাৰ চৰকাৰে আগৰ গাড়ীবিলাকৰ সচাকৈয়েই মোহ এৰিব নোৱাৰে, তেনেহলে এই ক্ষেত্ৰত মই এটা পৰামৰ্শ দিব বিছাৰিছো। যাত্ৰীসকলৰ যাতে কোনো অসুবিধা নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰত্যেকখন গাড়ীতেই এজন কণ্ডাক্টৰৰ সৈতে এজন মেকানিক যাবতীয় যন্ত্ৰপাতি-সহ পঠোৱাৰ ব্যৱস্থা কৰিব লাগে। যাতে ৰাস্তাত গাড়ী বেয়া হলে সেই মেকানিক জনে তত্ক্ষণাত ভাল কৰি দি গাড়ীখন চলাৰ সুবিধা কৰি দিব পাৰে। তেতিয়া ৰাইজৰ যিখিনি অসুবিধা হল হতেন সেই অসুবিধাৰ সন্মুখীন হব লগীয়া নহয়। এই বাচবিলাক বাটে-বাটে বৈ থকাৰ কাৰণে ৰাইজৰ ব্যক্তিগত বাচৰ প্ৰতি ধাউতি বাঢ়ি গৈছে। কিন্তু ব্যক্তিগত বাচত যিবিলাক ড্ৰাইভাৰ কণ্ডাক্টৰ থাকে তেওঁলোকৰ বাচ বেয়া হলে তৎক্ষনাত নামি গৈ বাচখন ভাল কৰি চলাৰ সুবিধা কৰি দিয়ে। ফলত ৰাস্তাত বৈ থাকিব লগা নহয় আৰু যাত্ৰী সকল আহুকলীয়া পৰিস্থিতিৰ পৰা ৰক্ষা পৰে। গতিকে এইবিলাক দূৰ কৰাৰ ব্যৱস্থা কৰিব লাগে। আমাৰ এই বিভাগটো বছৰে বছৰে লোকচানৰ সন্মুখীন হব লগা হৈছে। এই বিষয়ে, মাননীয় সদস্য সকলে বহুতো আলোচনা কৰিছে। এই বিভাগটোতো যে কৰাপচন নোহোৱাকৈ আছে তেনে নহয়। আমি স্বচক্ষে দেখা কথা। বাচত যিবিলাক কণ্ডক্টৰ আছে তেওঁলোকে অলপ পইচালৈ যাত্ৰী সকলক বাচত টিকট ইচু নকৰাকৈ থাকে ফলত চৰকাৰৰ ঘৰত আহিবলগা টকাটো নাহে আৰু লোকচান হয়। এই বিলাক দুৰ্নীতি দুৰ কৰিব লাগে। এই ক্ষেত্ৰত এটা পৰামৰ্শ দিব বিছাৰিছো প্ৰতি ৰাস্তাতে এই বাচ বিলাক চেক কৰিব পৰা কৈ ব্যৱস্থা লব লাগে। আমাৰ যিবিলাক আস্থান আছে সেই বিলাক কম দূৰত্বত কৰিব লাগে। তেতিয়াহলে হয়তো মই ভাবো এই দুৰ্নীতিৰ পৰা হাত সাৰিব পৰা যাব। মোৰ সমষ্টিৰ দুটামান অসুবিধাৰ কথা কবলৈ ওলাইছো। মোৰ চাপাগুৰি সমষ্টিৰ পৰা ৪।৫ খন বাচ গুৱাহাটী লৈ চলা চল কৰে। গুৱাহাটীৰ পৰা জালাহ মছলপুৰ হৈ লক্ষীবজাৰলৈ গুৱাহাটীৰ পৰা বাঘমৰা হৈ লক্ষীবজাৰলৈ, বৰপেটা পাটাচাৰকুচি হৈ লক্ষীবজাৰলৈ, বৰপেটাৰ পৰা বাঘমৰা হৈ লক্ষীবজাৰলৈ বাচ যায়। এই লক্ষীবজাৰত সকলো ধৰণৰ বাচ গৈ তাত ৰয়। কিন্তু এই লক্ষীবজাৰত যিটো আস্থান আছে সচাকৈ দুখলগা অৱস্থা। তাত এটা কৰ্মচাৰী বিলাক থকাৰ কাৰণে ঘৰ আছে। কিন্তু সেইটো ঘৰ বুলি কব নোৱাৰি এটা জুপুৰীহে। ঘৰটোৰ ভিতৰত বিচনা পাৰিবলৈ ঠাই

নাই। ভাত ৰান্ধিবলৈ জাগা নাই। শৌচ-প্ৰচাব কৰিবলৈ পায়খানা নাই। গতিকে লক্ষীবজাৰত এটা ভাল ধৰণৰ ব্যৱস্থা কৰি দিয়াৰ কাৰণে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। তাৰওপৰি গুৱাহাটীৰ পৰা মচলপুৰ হৈ নিকাচিলৈ এখন বাচ চলিচিল, কিন্তু হথাত বন্ধ কৰি দিয়া হ'ল। এই বাচ বন্ধ কৰি দিয়াৰ ফলত সেই অঞ্চলৰ ৰাইজৰ যথেষ্ট অসুবিধা হৈছে। মই আশা ৰাখিছো মন্ত্ৰী মহোদয়ে সেই বাচ পুনৰ চলাচলৰ ব্যৱস্থা কৰি দিব। মই আৰু বেচি কথা নকওঁ। বেচিকৈ আলোচনা কৰিলে হয়তো মন্ত্ৰী মহোদয়ে বেয়াও পাবপাৰে। যোৱা পৰহি তেওঁলোকৰ বিভাগৰ আলোচনা কৰাৰ কাৰণে মাননীয় সদস্য জয়নাথ শৰ্মাক গাড়ী দিয়া নহব বুলিয়েই কলে। সেই কাৰণে ভয় খাইছো বেচিকৈ আলোচনা কৰিবলৈ। সেই কাৰণে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাওঁ যে এই বেয়া অৱস্থাত থকা গাড়ী বিলাকৰ ভাল কৰাৰ ব্যৱস্থা কৰিব লাগে। সদো শেষত দাবী মঞ্জুৰীটো পুণৰ সমৰ্থন কৰি আৰু বিৰোধী পক্ষৰ কাটমোচনটোৰ বিৰোধীতা কৰি মোৰ ব্যক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীমচিকুদ্দিন শেখ : মাননীয় অধ্যক্ষ মহোদয়, আজি যিটো কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰা হৈছে তাক সমৰ্থন কৰি দুবাৰমান কব বিচাৰিছো। আজি এই কৰ্ত্তন প্ৰস্তাৱ টকা হ্ৰাস কৰিবৰ কাৰণে অনা নাই। এই কৰ্ত্তন প্ৰস্তাৱৰ জৰিয়তে কিছু কথা আলোচনা কৰিব বিচৰা হৈছে। এই বিষয়ৰ ওপৰত যথেষ্ট আলোচনা হৈছে। মইমাত্ৰ দুটামান কথা কব বিচাৰিছো। শ্ৰীবৰা ডাঙৰীয়াই কৈ গৈছে যে আচলতে আমি বেল সেৱাৰ ওপৰতো গুৰুত্ব দিব লাগে। আজি আমাৰ যি বাচ সেৱা চলি আছে তাৰ পদ্ধতিত যথেষ্ট আসোৱাহ আছে। এই বিষয়ত আজি প্ৰায় বিলাক মাননীয় সদস্যই উদ্বেগ প্ৰকাশ কৰিছে। আজি বিভিন্ন কাৰণত অসম ৰাজ্যিক পথ পৰিবহন সেৱাৰ ওপৰত মানুহৰ আস্থা কমি গৈছে। শ্ৰীবড়ো ডাঙৰীয়াই বাচৰ অৱস্থাৰ বিষয়ে কৈ গৈছে। বাচৰ চিৰি ভঙা, চিটত উৰহ আদি আছে। মুঠতে কব লাগিলে এই বাচবিলাকৰ অৱস্থা একেবাৰে দুখলগা। মুখ্যসচেতক শ্ৰীজয় নাথ শৰ্মাই কৈ গৈছে আমাৰ বিচৰ্চাৰ কাৰণে পইচা আছে। আজি প্ৰাইভেট বাচৰ ভাড়া বেচি হোৱা সত্বেও মানুহে প্ৰাইভেট বাচত যাব বিচাৰে। চৰকাৰী বাচত মানুহ উঠিব নিবিচৰা এটা মানসিকতাৰ সৃষ্টি হৈছে। আজি আমি পৰিবহন সেৱাৰ পৰা যিটো ধন পাব লাগে সেইখিনি পোৱা

* Speech not Corrected.

নাই। টেন্সপর্ট বাচত গলে গন্তব্য স্থান পামগৈ নে নাই কোনো ঠিক নাই। হয়তো নাপাবগৈ পাৰো। গতিকে বাচ সেৱা নিয়মীয়াকৈ চলাচল কৰাৰ ব্যৱস্থা কৰিব লাগে। মোৰ বোধেৰে ইয়াতো যথেষ্ট আসোৱাহ আছে। শতকৰা ৫০ ভাগ কাম হলেও বহুত কাম হলহেতেন। আমাৰ ফাৰ্ষ্ট এইড বক্স যিটো আছে তাত ড্ৰাইভাৰৰ চোয়েটাৰ ওলমি থাকে। চিট ভাঙি গৈছে ভাল কৰা নাই। নো মেনচ প্ৰপাৰটি হৈ গৈছে। বাচ এখন ষ্টেচনত ষ্টাৰ্ট কৰি থয়। ইয়াৰ ফলত কিমান তেল পুৰে তাৰ হিচাব নাই।

মাননীয় অধ্যক্ষ মহোদয়, দেখা গৈছে আজি সকলোতে 'ন মেন প্ৰপাৰটি হৈছে। কোনেও এইবিলাক কথা চিন্তা নকৰে। উদাহৰণ স্বৰূপে মই কব বিচাৰিছো যে, ধুবুৰীৰ পৰা গুৱাহাটীলৈ অহা বাছ ৰাতি ৮ বজাত আহে আৰু পুৱা ৭। বজাত গুৱাহাটী পায়হি। কিন্তু দুখৰ বিষয় যে, ৮ বজাত আহিব লগা বাছৰ ড্ৰাইভাৰে বাছ গেৰেজৰ পৰা ৯ বজাত উলিয়াই আৰু তাৰ পিচতো আহি কাউন্টাৰত সোমাই আৰু আধাঘণ্টা দেৰী কৰে। তাৰোপৰি বাছ ষ্টেচন বিলাকত যেতিয়া বাছ ৰখে তেতিয়া কন্দাক্টৰ কাউন্টাৰত সোমাই বহুতো সময় পলম কৰে আৰু আহোতে দেখা যায় যে, দুজনমান পেছেঞ্জাৰ লৈ আহি আছে। পেছেঞ্জাৰে আমনি পায়। অনৰ্থক অলাগতিয়াল ভাবে যাত্ৰীক ৰাষ্টাত পলম কৰা হয়। গতিকে সময় যাতে ঠিকমতে মানি চলিব পাৰে তাৰ বাবে দৃষ্টি ৰাখিব লাগে। মই অলপতে এ, এচ, টি চি বাছত ধুবুৰীলৈ যাওতে ৪ জনমান পেছেঞ্জাৰৰ লগত এখন এক্সপ্ৰেছ বাছত গৈছিলো। সেইদিনা কোনোবা এটা ঈদৰ আগদিনা আছিল। ধুবুৰীৰ ফালৰ যিবিলাক মানুহে ইয়াত কাম কৰে সেইসকল লোকৰো ঈদত ঘৰলৈ যোৱাটো ধাউতি আছে। আমি অলপ দূৰ যোৱাৰ পিচত চাংচাৰিত প্ৰথমে গাড়ী বেয়া হল। কন্দাক্টৰে কলে যে, ভাল কৰা সম্ভৱ নহয় গতিকে গুৱাহাটীলৈ গৈ গাড়ী ৰিপ্লেচ কৰিবৰ লাগিব। এইদৰে ৰাতি ১॥ বজাত বাছ গৈ পুৱা ৭। বজাত ধুবুৰী পাইছেগৈ। গৌৰীপুৰত পুনৰ বাছ বেয়া হল। গাড়ীয়ে ঘেৰ ঘেৰ কৰিবলৈ আৰম্ভ কৰিলে। নামি চাই দেখিলো যে, পেট্ৰলৰ টেংকিটো ড্ৰামৰ পৰা ওলাই পৰিছে। তেতিয়া এদাল জৰিৰে টেংকিটো গোটেই বাছখনতে মেৰিয়াই বান্ধি দিয়াৰ পিচত কোনোমতে ধুবুৰী পোৱা হল। এনেকুৱা ঘটনা প্ৰায় সময়তে হয়। ৰাতি ১০ বজাত ধুবুৰী পাবলগা বাছ পুৱা ৮ বজাত পালেগৈ। সিদিনা কোনোবা এজনে এ, এচ,টিচিৰ

বাচত টিকেট কৰোতে আনজনে প্ৰশ্ন কৰিছিল যে, আৰজেণ্ট কাম নাইনেকি ? অৰ্থাত আৰজেণ্ট কাম থকা মানুহ এ, এচ,টি,চিৰ বাছত নাহে কাৰণ সময় মতে নাপায়হি। আজি দেখা গৈছে যে, এ, এ.চটি,চিৰ বাছ আৰু প্ৰাইভেট বাছৰ মাজত প্ৰতিযোগিতা চলিছে। আৰু ইয়াত এ,এচ,টি,চিৰ বাচৰ অফিচাৰ সকল প্ৰাইভেট বাছৰ মালিক সকলৰ লগত জৰিত আছে। আমাৰ নলবাৰীৰে এজন ড্ৰাইভাৰ পাঠক মোৰ চেম্বাৰলৈ সঘনে গৈ থাকে। তেতিয়া মই ধুবুৰীৰ চুপাৰ এক্সপ্ৰেছ বাছৰ কথা ভাল বুলি কোৱাত তেওঁ কলে যে, এ,এচ, টি,চিয়ে ভাল বাছ দিলেও নচলে। কাৰণ ইৰেগুলাৰ হব। অৰ্থাত ইৰেগুলাৰ কৰা হব। সচাকৈ দেখা গৈছে যে, ১৫/২০ দিন চলাৰ পিচতে গাড়ীৰ অৱস্থা বেয়া হৈছে সময়মতে নাপায় গৈ। আজিকালি এজন কন্দাক্টৰে ড্ৰাইভাৰ আৰু মালিকক পোহপাল দিব পৰা হৈছে। গতিকে প্ৰাইভেট বাছ এ, এচ, টি, চি বাছৰ ভিতৰত প্ৰতিযোগিতা চলি আছে। ধুবুৰীৰ নাইট চুপাৰখন ৰাতি ৭ বজাত এবে আৰু ৰাতিপুৱা ৭ বজাত গুৱাহাটী পায়হি। গতিকে এই ব্যৱস্থা কৰিব লাগে। এই সম্পৰ্কত এ,এচ, টি, চিৰ পৰিচালক সঞ্চালকলৈ লিখা হৈছে। অমনিবাছ বিলাক সময় মতে পায়হি। এই দৰেই অমনিবাছে আমাৰ বাছৰ লগত প্ৰতিযোগিতা কৰি আছে আৰু ষড়যন্ত্ৰত লিপ্ত হৈছে। এইবিলাকৰ প্ৰতি নজৰ দিব লাগে। মাননীয় সদস্য ডালিম বয়ে প্ৰশ্ন কালত প্ৰশ্ন তুলিছিল যে. বক্সিহাটৰ পৰা এ, এচ, টি,চিৰ বাছ ধুবুৰীলৈ চলে। তাৰ পৰা প্ৰাইভেট বাছ আৰু মেটাদৰো চলে। এতিয়া দেখা গৈছে যে, এ, এচ, টি,চিৰ বাছ বন্ধ হৈ গৈছে। বক্সিহাট আৰু তামৰ হাত বাছ সম্বাই উপায়ুক্তকো হাত কৰি লৈছে। গতিকে এই বিলাক ষড়যন্ত্ৰ অনতি পলমে আতৰ কৰিব লাগে। ইয়াকে কৈ মই কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰিলো।

* শ্ৰীপ্ৰফুল্ল গোস্বামী : মাননীয় চেয়াৰমেন মহোদয়, আজি পৰিবহন বিভাগৰ পৰিবহন মন্ত্ৰী মহোদয়ে প্ৰায় যি টকা এই শিতানত আনিছে তাক মই সমৰ্থন জনায় মোৰ বক্তব্য ৰাখিবলৈ আগবাঢ়িছো। এইপ্ৰস্তাৱৰ ওপৰত ভালেমান আলোচনা ইতিমধ্যে মাননীয় সদস্য সকলে ৰাখিছে, গতিকে মই আৰু এই বিষয়ে দীঘলীয়া নকৰো। মাত্ৰ দুটামান কথা এই সম্পৰ্কে কব বিচাৰিছো।

* Speech not Corrected.

মাননীয় অধ্যক্ষ মহোদয়, এখন দেশৰ উন্নতি, এখন ঠাইৰ উন্নতি যোগাযোগৰ ওপৰত নিৰ্ভৰ কৰে। অসম ভাৰতৰ প্ৰায় সকলো ৰাজ্যতকৈ পিচপৰা এই কথা আমি সকলোৱে স্বীকাৰ কৰিব লাগিব। ৰাস্তা-ঘাটৰ ক্ষেত্ৰত যি অনুপাতে আগবাঢ়িব লাগিছিল সেই অনুপাতে আগবাঢ়িব পৰা নাই। আজি অসমৰ ৰাজহুৱা খণ্ডত যি উন্নতি হৈছে এ, এচ, টি, চি আৰু ইলেকট্ৰিচিটিয়ে বিশেষ উন্নতি লাভ কৰিব পৰা নাই। তেওঁলোকৰ লষ্ট হৈছে। ইয়াৰ কাৰণ কি এই সম্পৰ্কে আগতেই এজন মাননীয় সদস্যই প্ৰকাশ কৰিছে। যিবিলাক ব্যক্তিগত মালিকিস্বত্ব বাচ সেই বাচ বিলাকত এনেকুৱা ষড়যন্ত্ৰ চলিছে যে ইয়াৰ লগত বহুতো সংখ্যক কৰ্মচাৰী জড়িত আছে। এই মালিকিস্বত্ব বিলাকে আমাৰ ট্ৰেন্সপৰ্টৰ কোনো ভাল কামত যে আগবাঢ়িবলৈ নিদিয়ে সেইটো সঁচা কথা। আজি দেখা যায় যে চৰকাৰী নীতি মতে ঠিকেই আছে। তেওঁলোকৰ মেনেজমেণ্টত এজন চুপাৰিনটেনডেণ্ট, জেনেৰেল মেনেজাৰ আদি বিষয়া সকল আছে। কিন্তু আজি ট্ৰেন্সপৰ্ট বিলাকত যিবিলাক লৈট্ৰিন যি বিলাক ইউৰিন আছে সেইবিলাকৰ অৱস্থা একেবাৰে বেয়া। তালৈ কোনো পেচেঞ্জাৰ যাব নোৱাৰে। তাৰ ওপৰত আজি কৰ্তৃপক্ষই একো ভাল ব্যৱস্থা লোৱা আমি দেখা পোৱা নাই। কিন্তু আমাৰ দেশৰ তুলনাত অন্য ৰাজ্যৰ অৱস্থা বহুত উন্নত। মোৰ এটা সৌভাগ্য হৈছিল যে মই এবাৰ মহাৰাষ্ট্ৰলৈ গৈছিলো, তাত দেখিছিলো যে পেচেঞ্জাৰ বিলাকে শাৰি পাতি সুন্দৰকৈ বেঞ্চ বিলাকত বহি থাকে, সময় হোৱাৰ লগে লগে কন্দাক্টৰ আহে তেওঁ নিজৰ ইউনিফৰমত। আহিয়েই তেওঁ টিকট দিয়াব আৰম্ভ কৰে আৰু সেই অনুপাতে পেচেঞ্জাৰ শাৰি পাতি নিজৰ আসন গ্ৰহন কৰে। অন্যথাই বিনা টিকটে কোনো পেচেঞ্জাৰ বাচত নবহে বা বহিলেও কন্দাক্টৰে বাহিৰ কৰি দিয়ে। সেইবিলাক ৰাজ্যত কন্দাক্টৰৰ ইমান পাৱাৰত সেই তেওঁলোকে সদব্যৱহাৰ কৰিছে। কিন্তু আমাৰ ৰাজ্যত আজি কি হৈছে। আজি পৰিবহন বিভাগত বহু বাচ চলিছে আৰু একলাখৰো অধিক যাত্ৰী অহাযোৱা কৰিছে। তাৰ বিনিময়ত আমাৰ ট্ৰেন্সপৰ্টত যি লাভ হব লাগিছিল সেই অনুপাতে পৰিবহন বিভাগৰ একো লাভ হোৱা নাই। আমাৰ লাভ হ'লহেঁতেন যদিহে মেনেজমেণ্ট ভাল হ'লহেঁতেন। আজি আমাৰ ৰাজ্যত ওৱৰ্কস্বপত কাম কৰা মানুহৰ টকা পইচা বেচি। যিহেতু ভালগাড়ী এখন মেৰামতি কৰিবলৈ তেওঁলোকে ভাল পাৰ্টচ্ বিলাক ৰাখি বেয়া পাৰ্টচ্ বিলাক গাড়ীত লগাই দিয়ে, এনেকৈয়ে আজি ওৱৰ্কস্বপ

বিলাকত কাম কৰি আছে। ভাল গাড়ীখন তেওঁলোকে ৰেয়াহে কৰি পেলায়। আজি আমাৰ চৰকাৰে, নতুন উৎসাহেৰে, নতুন উদ্যমেৰে কাম কৰিম বুলি চেষ্টা চলাইছে, সেই চেষ্টাত চেচাপানী দিয়াৰ মূলতে হল ইয়াৰ মাজত এটা ভীষন ষড়যন্ত্ৰ চলি আছে।

মাননীয় অধ্যক্ষ মহোদয়, এখন স্কুলৰ ওচৰত যদি সম পৰ্য্যায়ৰ এখন স্কুল থাকে তেনেহলে তেওঁলোকে কমপিটিচন কৰে। কেনেকৈ ইখন স্কুলতকৈ সিখনে ভাল ৰিজাল্ট কৰে সেইটোহে চেষ্টাত থাকে। কিন্তু আজি এ, এচ, টি, চি আৰু প্ৰাইভেট বাচ বিলাকৰ মালিক বিলাকৰ লগত ভীষণ কমপিটিচন চলিছে। যিটোত নেকি আজি এ, এচ, টি, চি বিভাগৰ লগত এটা পেৰেলেল গতিত চলি আছে। আজি কণ্ডাক্টৰ বিলাকে ভাল কাম কৰিলে তেওঁলোকৰ চাকৰি বেচি দিন নিটিকে। আজি আমাৰ-দেশত পৰিবহন বিভাগত দুৰ্নীতিয়ে বেচিকৈ শীৰ্ষস্থান অধিকাৰ কৰিছে। এই দুৰ্নীতিৰ লগত ওপৰৰ কৰ্মচাৰী সকল জড়িত আছে। এইটো নিৰ্মূল কৰিবৰ কাৰণে চেকিংৰ ব্যৱস্থা থাকিব লাগে। আজি পৰিবহন মন্ত্ৰী মহোদয়ে ভ্ৰমনত যাওঁতে তেওঁ গাড়ী ৰাখি কিছুমান গাড়ীৰ লাইচেঞ্চ আছেনে নাই চেক্ কৰা আমি দেখিছো। তেখেতে এই বিভাগটোৰ উন্নতি তথা দুৰ্নীতি মূক্ত কৰিবৰ কাৰণে চেষ্টা কৰিছে। কিন্তু অকল তেখেতে কৰিলেই নহব, সকলোৱে উমৈহতীয়া চেষ্টাতহে যদি এইবিলাক নাইকিয়া কৰিব পাৰে। আজি আমি দেখিছো যে এখন পাৰ্মিটলৈ ৪/৫ খন গাড়ী চলিছে। গতিকে এনেকুৱা বিলাক যাতে হব নোৱাৰে তালৈ মন্ত্ৰী মহোদয়ে দৃষ্টি দিব লাগে।

গতিকে এখন পাৰ্মিটত কেইখন গাড়ী চলিছে সেইটো অনুসন্ধান কৰাৰ ব্যৱস্থা কৰিব লাগে। কোনোলোকে কোনো নীতি নিয়ম মানি চলা নাই। আজি ইমান বছৰে দুৰ্নীতিৰ মাজত থাকি হঠাত ১৪ মাহৰ ভিতৰতে কিবা এটা হব বুলি নাভাবো। তথাপি প্ৰচেষ্টা চোলোৱা হৈছে, মন্ত্ৰী মহোদয়ে নিজে ৰাস্তাত গাড়ী ৰখাই, অমনীবাছ চেক কৰি এটা শুভ পৰিস্থিতিৰ সৃষ্টি কৰিছে কিন্তু যিমানেই নকৰ কিয় ইমান সোনকালে ইতিমধ্যে গঢ়ি উঠা নৈতিক চৰিত্ৰৰ সলনি কৰা সম্ভৱ নহয়। প্ৰথমে টপ লেভেলত যিবিলাক বদমাচি আছে সেইবিলাক আতৰ কৰিব লাগিব তাৰ পিচতহে তলত ঠিক কৰিব পৰা যাব। আজি সকলোৱে কয়-পইচা কাৰ আছে? টেকনিকেলত কাম কৰা কোনোবা অভিযন্তা বা অভা-

ৰচিয়াৰ আৰু তাৰ পাছতে পইচা আছে কণ্ডাক্টৰৰ, এইটো সৰ্ব্বজনবিদিত। এচ,টি, চিত যিবিলাক ঘটনা ঘটি আছে-অৱশ্যে বেয়াও লাগে এই পইচা খোৱা কৰ্মচাৰী বিলাক কোন ? দেখা যায় এই বিলাকেই আমাৰ থলুৱা অসমীয়া, সেইকাৰণে কেতিয়াবা ভাবো যে ফুলনি কৰিলেও বা ঘৰবাৰী কৰিলেও অসমৰ মাটিতে থাকিব বাহিৰলৈ নাযায়। তাৰ পিচত ব্যক্তিগত মালিকনা স্বত্বৰ যিবিলাক প্ৰাইভেট বাছ সেইবিলাকৰ টিকটৰ বাবদ যিথিনি টেক্স পায় সেই চেল টেক্স চৰকাৰে পোৱা নাই। গতিকে প্ৰাইভেট বাছ সমূহে যিথিনি চেল টেক্স দিব লাগে সেইখিনিযাতে আহে তাৰ প্ৰতি নজৰ দিব লাগে। এম,তি,আইৰ পৰা এচ,টি,চি লৈ এটা বিৰাট ষড়যন্ত্ৰ আছে তেওঁলোকে আমাৰ যিটো লাভাংশ সেইটো শেষ কৰি দিছে। অসমত ভাল মানুহৰ এতিয়াও অভাব হোৱা নাই। অসমত ভাল নৈতিক চৰিত্ৰৰ মানুহ এতিয়াও আছে, তাৰ প্ৰমাণ বিগত ৬ বছৰীয়া আন্দোলনত পাইছো। গতিকে আমি উন্নতি সাধিব লাগিব। লেট্ৰিনটো কিয় বেয়া হৈ থাকে তাতো ষড়যন্ত্ৰ, মানুহ তালৈ নাযাওক, আস্থানলৈ বেছি মানুহ নোযোৱাতো ষড়যন্ত্ৰ আছে। মই নিজে ঢেকিয়াজুলী আস্থানত বহি চাইছো, আস্থানৰ সন্মুখৰ পৰাই ওমনি বাছে যাত্ৰী কঢ়িয়াই লৈ যায়, মই কৈছো পুলিচ লগাই দিয়ক। আমি নিজে জানো এতিয়াও যদি আমাৰ লৰা ছোৱালী ক'ৰবাত যাবলগীয়া হয় তেতিয়াহলে মাক দেউতাকে কয় 'বাপু পৰিবহনৰ বাছত যাবা' কাৰণ জানে পৰিবহন বাছত দুৰ্ঘতনাৰ সম্ভাবনা কম। আমাৰ মানুহে সৌ সিদিনালৈ ওলাই ওলাই ৰঙা বাছ চাইছিল। ৰঙা বাছৰ প্ৰতি সকলোৰে মৰম আছে। গতিকে যি সকলে অসম দেশৰ মঙ্গল কামনা কৰে এতিয়াও এই বিষয়টোত বেছি গুৰুত্ব দিব লাগে। টিকট নিদিয়াকৈ গাড়ীত উঠিলে যে পইছাতো কণ্ডাক্টৰৰ পকেটত যাব এই কথা সকলোৱে জানে। গতিকে এই কথাবিলাক ৰাজহুৱাভাবে গাওঁৰ ৰাইজক বুজাই দিয়াৰ ব্যৱস্থা কৰিব লাগে যে প্ৰাইভেট হওক বা চৰকাৰী বাছতে হওঁক টিকট লোৱাৰ ব্যৱস্থা কৰিব লাগে। নহলে চৰকাৰৰ ধন হেৰাব। এদিন মই এখন বাছত গৈ আছো দেখিলো কণ্ডাক্টৰ জনে কেইজনমান ট্ৰাইবেল মানুহক কিছুমান পুৰণা টিকট দিছে সুধিলো কিমান টকা দিছে, তেওঁলোকে কলে ১০ টকা দিছো। তাৰ পিছত টিকট চাই দেখিলো টিকটত ১৫ টকা লিখা আছে, তাৰ পিছত কণ্ডাক্টৰক ধৰিলত কণ্ডাক্টজনে মোৰ ভৰিত ধৰি খুব কান্দিলে, তেতিয়া ৰাইজে মোক ধৰিলে যে তেওঁক ক্ষমা কৰি দিব লাগে। গতিকে দেখিছো পৰিবহন বাছত কোনো চেকিং নাই, এই ধৰণে চলি আছে। আমি মন্ত্ৰী মহোদয়ৰ উত্সাহ দেখিছো, ৰাস্তাতে

গাড়ী ৰখাই তেখেঁতে চেকিং কৰিছে। কিন্তু পৰিবহন বিভাগৰ যিবিলাক ডাঙৰ ডাঙৰ বিষয়া বা কৰ্ম্মচাৰী তেওঁলোকৰ মাজত পৰিবৰ্ত্তন আনিব নোৱাৰিলে একো লাভ নহব।

এইখিনিকে কৈ পৰিবহন শিতানত যি চাৰে ৩ঠৰকোটি টকাৰ দাবী আনিছে তাক সমৰ্থন কৰিছো আৰু বিৰোধীপক্ষই অনা কৰ্ত্তন প্ৰস্তাৱটো উঠাই লবলৈ অনুৰোধ কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

জয় আই অসম।

* শ্ৰীপ্ৰদীপ হাজৰীকা: মাননীয় চেয়াৰমেন মহোদয় পৰিবহন সেৱাৰ যি দাবী সেই দাবীক সমৰ্থন কৰি তাৰ ওপৰত অৰজাৰভেচন আৰু চাজেচচন আগবঢ়াব খুজিছো। মই এটা কথাই কব বিছাৰিছো যে ডেভেলপমেণ্ট সদায় প্ৰপোৰচনেট হব লাগে। যদি ডেভেলপমেণ্টটো প্ৰপোৰচনট নহয় তাৰ পৰা কিবা অলপ ভালো যদি হয় সেই ভালৰ পৰা কোনো বিশেষ উপকাৰ নহয়। এখন ঘৰ বেয়া কৰোতে বেছি দেৰী নালাগে কিন্তু সেই ঘৰখনক ভাল কৰিবলৈ যথেষ্ঠ সময় লাগিব। স্বাধীনতাৰ ৩৯ বছৰ পাছতো অসমত অন্য ৰাজ্যৰ কথা নকও কাৰণ অন্য ৰাজ্যৰ ভিতৰুৱা কথাবিলাকৰ ভেনে কোনো অভিজ্ঞতা মোৰ নাই অসমত যিটো দেখিছো তাৰ ওপৰতে কব বিছাৰিছো অসমখনক ধ্বংশ কৰা হ'ল শেষ কৰা হ'ল। অসম গণ পৰিষদ চৰকাৰ হোৱাৰ আজি ১৪ মাহ হ'ল এই ১৪ মাহৰ ভিতৰত ভাল কৰাতো বৰ কঠিন কাম। কোনোবা এটা বিভাগ বেয়া হলে হয়তো ভাল হোৱাৰ সম্ভাবনা থাকিলহেতেন কিন্তু এনেকুৱা এটাবিভাগ নাই যিটো বিভাগ ভাল হৈ আছে। আমাৰ এটা কথা আছে, 'কাকনো বুলিবা ৰুকা সকলোৰে ডাঢ়ি চুলি পকা'। গোটেইবিলাকেই মামৰে ধৰা। গতিকে মামৰেধৰা বস্তু এটাৰ মামৰ গুচোৱা ইমান সোনকালে সম্ভবপৰ নহয়। এই দাবীটোৰ ওপৰত বিভিন্নজন মাননীয় সদস্যই বক্তৃতা ৰাখিছে মযো ছুটামান পৰামৰ্শ দিব বিছাৰিছো। আমাৰ মন্ত্ৰী মহোদয় এজন দাইনেমিক আৰু ৱংমেন। তেখেঁতে যত্ন কৰিলে নিশ্চয় কিছু কাম কৰা সম্ভব হব। কিন্তু আমাৰ যিটো বুৰোক্ৰেটিক মনোভাব সেইটো পৰিহাৰ কৰিব লাগিব। আমি দেখিছো কিছুমান মানুহ খাই খাই একেবাৰে নৰখাদকত

---

* Speech not Corrected.

পৰিনত হৈছে অর্থাত মেন ইটাৰ। কোনোবা বিষয়াই বাক এনে মনোভাব লৈছে নে যে আমাৰ সেৱাৰ পৰা মই মোৰ পুত্র পুত্রী ককাইদেউ আদি কাৰোবাৰ সেৱা কৰিছো ?

মাননীয় অধ্যক্ষ ঃ আপুনি চমু কৰক।

শ্রীপ্রদীপ হাজৰিকা ঃ মই কিমান সময় কব পাৰিম ? (২ মিনিট কওঁক) সেইকাৰণে মই প্রপোৰচনেট ডেভেলপমেণ্টৰ কথা কৈছো। এজন মানুহৰ সকলো ফালে সমানে আগবাঢ়ি যাব লাগিব।

ডিচিপ্লিন সকলোৰে জনা উচিত। সকলো কাম সমানে হবৰ কাৰণে সকলোৰে ডিচিপ্লিন মানি চলিব লাগে। সেয়ে টাইম ফেক্টৰটো মেইনটেইন কৰিবৰ কাৰণে আমাৰ বিভাগৰ তৰ্ফৰ পৰা সকলোকে পৰামর্শ আগবঢ়োৱাটো ইতিমধ্যে প্রয়োজন হৈ পৰিছে বুলি ভাবিছো। Man power utilisation and selection of proper man should be selected তেতিয়াৰ গোপীনাথ বৰদলৈ প্রাইম্ মিনিষ্টাৰ আজিকালি মুখ্যমন্ত্রী পদটো তেতিয়া প্রধান মন্ত্রী বুলি কৈছিল, তেখেতে দুজন মানুহ বাছি উলিয়াইছিল গুৱাহাটী বিশ্ববিদ্যালয় প্রতিষ্ঠা কৰিবৰ কাৰণে। এজন হল কৃষ্ণকান্ত সন্দিকৈ আৰু আন এজন হল কৃষ্ণ দত্ত। এই দুজন মানুহেই গুৱাহাটী বিশ্ববিদ্যালয় প্রতিষ্ঠা কৰিছিল। এটা সৰু ঘৰত এতিয়াও সেই ঘৰটো আছে। আমাৰ যি সকল ইঞ্জিনীয়াৰিং বা টেকনিকেল ন'হাউ থকা মানুহ আছে তেওঁলোকৰ মেমৰিটো মামৰে ধৰিছে। গতিকে সেইটো অলপ কামত খটুৱাৰ ব্যৱস্থা কৰিব লাগে যাতে তেওঁলোকৰ মেমৰিটো মামৰে ধৰিব নোৱাৰা হয়। আমাৰ গোটেইকিটা পৰিবহন যেনে জল, স্থল আৰু বায়ু এই গোটেইকিটা সেৱা সমানে ভাল হব লাগিব। মই সকলোৰে কথা কব খুজিছো কাৰণ সকলোদিশ সমানে ডেভেলাপ কৰিলেহে দেশৰ উন্নতি সম্ভৱ হব। আমাৰ গোটেইবোৰ সেৱা সমানে চলিথাকিলে প্রেচাৰটো কমি যাব। নতুন কিছু লোকেল ট্রেনৰ ব্যৱস্থা কৰিলে অন্যান্য সেৱাটো প্রেচাৰ কমি যাব। গতিকে আমাৰ মন্ত্রী মহোদয়ে এই সকলোবিলাক ভালদৰে নিৰীক্ষন কৰি ব্যৱস্থা লব লাগে। কাৰণ এই পৰিবহন সেৱা উন্নত কৰিব নোৱাৰিলে বাইজক কেতিয়াও এই ফালে আকর্ষণ কৰিব নোৱাৰে আৰু ৰাইজৰ উপকৃত কৰিবও নোৱাৰে। সেই কাৰণেই ৰাইজে বিচৰা ধৰণে এই সেৱাকিটাৰ উন্নতি কৰিবলৈ মই তেখেতক অনুৰোধ কৰিলোঁ।

তাৰোপৰি ইতিমধ্যে বিভিন্ন সদস্যই এই বিভাগৰ কথা বা এনমেলিজ বিলাক উল্লেখ কৰিছে সেইবোৰৰ প্ৰতি শক্তিশালী পদক্ষেপ লৈ সমাজখন আগবঢ়াই নিব বুলি আশাৰাখি মই মোৰ বক্তব্যৰ সামৰনী মাৰিলোঁ।

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (পৰিবহন মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, আমাৰ পৰিবহন শিতানত ১৮ কোটি, ৪১ লাখ, ৩৮ হাজাৰ টকা ধাৰ্য্য কৰা হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত আমাৰ বিৰোধী পক্ষৰ সদস্য সকলে যি কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছিল তাৰ লগত আমাৰ বাকী সদস্য সকলেও অংশ গ্ৰহণ কৰি তেখেতসকলৰ বহুমূলীয়া পৰামৰ্শ আগবঢ়াইছে আৰু এই পৰামৰ্শ বিলাক মই বাস্তৱত ৰূপায়িত কৰিবৰ কাৰনে মোৰ ফালৰ পৰা যত্ন কৰিম। সদস্য সকলে বহু কথাই কৈছে,। ময়ো ভাল পাইছো। ইতিমধ্যে ২৪ জন সদস্যই ইয়াত ভাগ লৈ বহুতো পৰামৰ্শ আগবঢ়াইছে। মোৰ কৰলগীয়া বহু কথাই আছিল আৰু কথাখিনি লিখিতভাৱে আনিছিলোঁ কিন্তু বহুত সময় লাগিব সেয়ে মই এতিয়া মুল কথাবোৰ কৈ যাবলৈ বিছাৰিছোঁ মাত্ৰ। মই দেখিছোঁ আপোনালোক সকলোৱে সমস্যা সমূহৰ বিষয়ে উপলব্ধি কৰিছে আৰু বুজিব পাৰিছো যে এই বিভাগ-টোৰ গুৰুত্ব কিমান? অৰ্থাত এই বিভাগটো জনসাধৰনৰ লগত জড়িত আৰু এই বিভাগটো যদি অচল হৈ যায় তেন্তে প্ৰত্যেকজন ব্যক্তিয়েই অসুবিধাত পৰে। আপোনালোকে ব্যক্তিগতভাৱে প্ৰত্যেকজনেই এই সম্পৰ্কে উল্লেখ কৰিছে। এই বিভাগটোত যিমান টকা ইতিমধ্যে ধাৰ্য্য কৰা হৈছে সেইয়া যথেষ্ট নহয়, সেই সম্পৰ্কে আপোনালোকে নিজেই উপলব্ধি কৰিছে। এই বিভাগৰ লগত তিনিটা বিভাগ জড়িত হৈ আছে, আভ্যন্তৰীন জল পৰিবহন, পৰিবহন আযুক্ত, আৰু অসম ৰাজিক পৰিবহন নিগম। এই তিনিটা একেলগে জড়িত হৈ আছে। গতিকে এই সকলো বিলাক সমস্যা। সমানে সমাধান কৰিবলৈ হলে যথেষ্ট টকাৰ প্ৰয়োজন হব। আমাৰ বিভাগে এবছৰৰ বাবে যি খিনি কাম হাতত লৈছিল সেইখিনি কাম ইতিমধ্যে কৰিবলৈ আৰম্ভ কৰিছে। আৰু কিছুমান কাম কৰিবৰ বাবে ব্যৱস্থা লোৱা হৈছে। আপোনালোক সকলোৱে জানে যে ১৯৭১ চনতে এইটো ট্ৰেন্সপৰ্ট কৰপোৰেচন কৰা হৈছিল। যোৱা ১৫ বছৰে ইয়াত কিছুমান খেলিমেলি বা বেমেজালি চলি আছে। গতিকে অসম গণপৰিষদ চৰকাৰ হল বুলিয়েই এবছৰতে সকলো খেলিমেলি শেষ কৰি দিয়াতো সম্ভৱ নহয়। আমাৰ তৰফৰ পৰা সম্ভৱপৰ সকলোখিনি ইতিমধ্যে কৰাহৈছে। এইখিনিতে এটা কথা

হল যে আমাৰ লক্ষ্যটো জনসাধাৰণৰ লগত জড়িত সেয়ে কিছুমান ক্ষেত্ৰত লাভৰ প্ৰশ্নৰ কথা উঠা নাই। যদিও কিছুমান ক্ষেত্ৰত লাভৰ কথাটো সম্ভৱ হৈ উঠা নাই তাৰ বহুতো কাৰণ আছে।

অধ্যক্ষ মহোদয়, লাভ কৰাটো সম্ভৱ হৈ উঠা নাই। ইয়াৰ বহুতো কাৰণ আছে। আমি এই কথাও উপলব্ধি কৰিছো যে যিবিলাক ভিতৰুৱা অঞ্চল আছে সেই বিলাকতো বাছ দিব লগা হৈছে। কিন্তু এই অঞ্চলত লাভৰ প্ৰশ্ন উঠা নাই। সেই ভিতৰুৱা অঞ্চল বিলাকলৈ জনসাধাৰণৰ সুবিধাৰ বাবেহে বাছ দিয়া হৈছে। অসম চৰকাৰে এই ব্যৱস্থা লৈছে। যেনে ধৰণে যি যি আশ্বাস দিয়া হৈছিল, সেই আশ্বাসৰ প্ৰায়বিলাক পূৰণৰ কাৰণে ইতিমধ্যে আমি যত্নপৰ হব পাৰিছো। যিবিলাক ব্যৱস্থা এতিয়াও কৰিব পৰা হোৱা নাই, মই ভাবিছো তাক আমি নিশ্চয় কৰিব পাৰিম। যি ১৭৩ খন বাছ কিনা হৈছিল, সেইবিলাকৰ ভিতৰত বিভিন্ন জিলালৈ বাছ দিয়াৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ ভিতৰত গুৱাহাটীত ২০ খন, বঙ্গাইগাওঁত ১২ খন, নগাওঁত ১৯ খন, যোৰহাট ১২ খন, তিনচুকীয়া ১৬ খন, তেজপুৰ ১৭ খন, উত্তৰ লক্ষীমপুৰ ১০ খন, শিলচৰ ৭ খন, চিটি, চাৰ্ভিচ ৪৩ খন। ইয়াৰোপৰি ৫৩ টা নতুন চাৰ্ভিচ খোলা হৈছে। ইতিমধ্যে ১০ টা নতুন চাৰ্ভিচ পাৰ্ব্বত্য জিলাত চলোৱা হৈছে। ডিফু বোকাখাটলৈ নাইট চাৰ্ভিচ দিয়া হৈছে। ৰাজ্যিক পৰিবহন নিগমৰ বাছ উল্লেখিত পিচ পৰা অঞ্চলত দিয়া হৈছে। মাজুলী, শদিয়া, হাফলং- গুৱাহাটী, বমদিলা- তেজপুৰ, খুনচা- ডিব্ৰুগড় নামচৈ- ডিব্ৰুগড়, ডিব্ৰুগড়- ডিফু আদি।

অধ্যক্ষ মহোদয়, এই অঞ্চল বিলাকৰ পৰা লাভৰ প্ৰশ্ন উঠা নাই। কিন্তু ইয়াৰ যোগেদি যাইজৰ সুবিধাৰ কথা চিন্তা কৰা হৈছে। আপোনালোকক মই কথা বিলাক জনাইছো যে ১৯৮৪-৮৫ চনৰ তুলনাত ১৯৮৬-৮৭ চনত ২০০শ লাখ টকা বৃদ্ধি পাইছে। ইয়াৰ শতকৰা হাৰ হৈছে ১৬ ভাগ। মই সকলো সদস্যৰে জ্ঞাতাৰ্থে কওঁ যে আগৰ তুলনাত বেছি পোৱা গৈছে। আগৰ তুলনাত বেয়া হোৱা কথাটো সত্য নহয়। ১৯৮৪-৮৫ চনৰ তুলনাত ১৯৮৬-৮৭ চনত ৪৫ লাখ কিঃ মিঃ অৰ্থাৎ শতকৰা ১২ কিঃ মিঃৰতকৈ বেছি পথত বাছ চলোৱা হৈছে। চেণ্ট্ৰেল ভিজিলেনছ চেল শক্তিশালি কৰা হৈছে। এই ক্ষেত্ৰত প্ৰত্যেক কাৰ্য্যালয়লৈ নিৰ্দ্দেশ দিয়া হৈছে।

অধ্যক্ষ মহোদয়, ১৯৮৬-৮৭ চনত প্ৰত্যেক বাছৰআয় ৬৭০.০০ টকাৰ পৰা ৭০০.০০ টকালৈ বৃদ্ধি পাইছে। ১৯৮৭ চনৰ জানুৱাৰীত আটাইতকৈ বেছি বৃদ্ধি হৈছে। সেইটো হৈছে ১,৩৪,৩৫,০০০ হেজাৰ টকা। কিন্তু ইয়াৰ আগতে এক কোটি সাত, লাখ পৰ্য্যন্তহে বৃদ্ধি পাইছিল। মই এইটো কবলৈ যোৱা নাই যে লোকচান হোৱা নাই। লোকচান হৈছে, কিয় হৈছে ? এই কথা আপোনালোকে জানিব পাৰিছে এখন বাছত খৰছ হয় প্ৰায় ১ কোটি ৭০ লাখ টকা। তাৰ তুলনাত আমাৰ সৰ্বোচ্চ আয় হৈছে। মই ১৯৮৭ চনৰ জানুৱাৰী মাহৰ কথা কৈছো-১,৩৪,৩৫,০০০ টকা আয় হৈছে, তাৰ ভিতৰত যিটো এটা গেপ থাকি গ'ল, এই খৰছটো কেনেকৈ মেকআপ হব তাক আপোনালোকে পিচত জানিব পাব। কৰ্মচাৰী সকলৰ বাবে দিশপুৰত ৮ খন বাছৰ ব্যৱস্থা কৰা হৈছে। নগৰ পৰিবহনৰ আয় যোৱা বছৰৰ তুলনাত এই বছৰ বৃদ্ধি পাইছে। ১৯৮৪-৮৫ চনৰ তুলনাত ৫ শ ৬০ লাখ টকাৰ বিপৰিতে ৫ শ ৮০ লাখ বৃদ্ধি পাইছে। বৰ্ত্তমান আমি কিছুমান নতুন প্ৰস্তাৱ গ্ৰহণ কৰিছো। অসমৰ প্ৰতিটো ভিতৰুৱা অঞ্চললৈ বাছ দিয়াৰ ব্যৱস্থা লোৱা হৈছে। ১৩৪ খন নতুন বাছ কিনিবৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। নতুন সংমণ্ডল ওৱৰ্কশ্বপ খোলাৰ ব্যৱস্থা, টেকনিকেল উইঙচৰ যোগ্যতা বঢ়াবৰ বাবে ব্যৱস্থা কৰা হৈছে। নাইট চাৰ্ভিচ বঢ়োৱাৰ ব্যৱস্থা কৰা হৈছে। এনেকুৱা ব্যৱস্থা লম বুলি আমি সিদ্ধান্ত লৈছো। ইয়াক কাৰ্য্যকৰী কৰিবৰ কাৰণে বেছি টকাৰ প্ৰয়োজন হব।

অধ্যক্ষ মহোদয়, পৰিবহন আয়ুক্ত বিভাগটো হৈছে কৰ ৰাজহ আদায়ৰ বিভাগ। আমাৰ মাননীয় কেবাজনো সদস্যই এই ক্ষেত্ৰত উল্লেখ কৰিছিল, কেনে ধৰণৰ ব্যৱস্থা লব লাগে তেনে ধৰণে ব্যৱস্থা লোৱা নাই। কিন্তু এইটো সত্য নহয় এই ক্ষেত্ৰত ব্যৱস্থা লোৱা হৈছে আৰু ইয়াৰ পৰা যথেষ্ট পৰিমানৰ কৰ আদায় হৈছে। মোৰ তৰফৰ পৰা কৰ্মচাৰী সকলক বাৰে বাৰে আহ্বান জনাইছো যে সকলোৰে সহযোগিতা অবিহনে পৰিবহন ব্যৱস্থা ভাল হব নোৱাৰে। ইয়াত ৰাইজৰো সহযোগিতা লাগিব। যদি তেওঁলোকে ভাবে যে ৰাজ্যিক পৰিবহন নিগমৰ বাছত বেছি পইচা যায় তাত নাযাওঁ, তেতিয়া হলে নহব। তেওঁলোকে টিকট কিনিবলৈ আগবাঢ়ি আহিব লাগে। কণ্ডাক্টৰৰ ওপৰতো ব্যৱস্থা গ্ৰহণ কৰিছো। তেওঁলোকৰ দোষ ক্ৰুটি পালে ৰাইজে যাতে কমপ্লেইন দিব পাৰে তাৰ ব্যৱস্থা কৰা হৈছে। ইতিমধ্যে কিছুমান কণ্ডাক্টৰৰ ব্যৱস্থা লোৱা হৈছে। বহুতৰে চাকৰি গৈছে। প্ৰত্যেক মাহতে বাৰ তেৰ টাকৈ ব্যৱস্থা লোৱা হৈছে। গতিকে মই ভাবো সকলোৰে সহযোগিতাৰ পৰিপ্ৰেক্ষিতত এই কামখিনি

ভাল ধৰণে চলাব পাৰিম। গোচৰৰ ক্ষেত্ৰত জৰিমণাৰ পৰিমাণ ১৮ লাখ ৯৫ হেজাৰ ৬৯ টকা আয় হৈছে।

অধ্যক্ষ মহোদয়, আমাৰ মাননীয় বহুত কেইজন সদস্যই পৰামৰ্শ আগবঢ়াইছে। আমাৰ মাননীয় শ্ৰীজয়নাথ শৰ্মা ডাঙৰীয়াই পোষ্টৰ কথা উল্লেখ কৰিছে। পৰিবহন বিভাগৰ বিষয়ে প্ৰতিজন ব্যক্তিয়ে পৰামৰ্শ দিছে। এই কথা চিন্তা কৰাৰ ফলত বেছি কাম হব লাগিব। গতিকে, মই ভাবিছো যিবিলাক পোষ্ট নহ'লেও কাম হয় তাক উঠাই দিব পাৰো। যি তিনিটা পোষ্টত মানুহে ৰিটায়াৰ কৰিলে তাৰ কাৰণে এখন কমিটি পাতি দিয়া হৈছে। এই পোষ্ট কেইটা উঠালেও কোনো অসুবিধা নহব। আমাৰ পৰিবহন বিভাগৰ ক্ৰুটি নাই বুলি কব যোৱা নাই। এই ক্ৰুটিৰ দুৰীকৰণৰ চেষ্টা কৰিছো। এই বিভাগত লাভ হোৱা নাই বুলি কৈছে। অৱেশ্যে আন্দোলনৰ সময়ত মানুহে গাড়ীত উঠা নাছিল। যিটো সচা তাক কৰিব, যি কাম কৰিবলগীয়া তাক কৰিব লাগে আৰু যিটো নকৰিবলগীয়া তাক কৰিব নেলাগে। কাছাৰত ৪ খন বাছ জ্বলোৱা হৈছিল। সেইটো আমাৰেই লোকচান। এতিয়াও তাৰ ক্ষতিপূৰণ দিয়া হোৱা নাই মই মাননীয় সদস্য সকলে আলোচনা কৰাৰ বাবে তেখেত সকলক ধন্যবাদ জনাইছো। পৰিবহন বিভাগৰ যথেষ্ট খেলি মেলি আছিল আৰু তাক দুৰীকৰণৰ বাবে আমি গণপৰিষদ চৰকাৰে ব্যৱস্থা হাতত লৈছো। মই আগতেই উল্লেখ কৰিছো যে বিভিন্ন ঠাইলৈ বাছ দিবলগীয়া হৈছে। তাৰ পৰা আমাৰ লাভ হোৱা নাই। প্ৰত্যেক জাগাতে সকলোৰে যাতে উপকাৰ হয় তাৰ কথাহে চিন্তা কৰিছো। হাফলং, শিলচৰলৈও বাছৰ ব্যৱস্থা কৰা হৈছে। মাজুলীলৈও বাছ দিয়া হৈছে। আমাৰ জনসাধাৰণৰ যাতে উপকাৰ হয় তাৰ প্ৰতি গুৰুত্ব দিয়া হৈছে। মই নকলেও আপোনালোকে নিজে কৈছে যে শিতানত টকা কম হৈছে। মই আশা কৰিছো যাতে এই কামত টকাটো সৎ ভাবে খৰছ কৰিব পৰা হয়।

অধ্যক্ষ মহোদয়, মই প্ৰত্যেক জন বিষয়াকে আহ্বান জনাইছো আৰু আমাৰ বিৰোধী পক্ষৰ সদস্য সকলোকো অনুৰোধ কৰিছো এই মঞ্জুৰীৰ ক্ষেত্ৰত তেখেত সকলে যি কৰ্তন প্ৰস্তাৱ কৰিছিল, তাক উঠাই লব বুলি আশা কৰিছো। এই খিনি কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

Mr. Speaker : Now, Hon'ble Shri K. Bhattacharjee and Hon'ble Shri Abdul Muqtadir Choudhury- will you withdraw your cut-motion.

(Cut-motion was not pressed and by leave of the House the Cut-motion was withdrawn.)

Mr. Speaker : Now, Hon'ble Member Shri Gopi Nath Das. Will you withdraw your cut-motion.

(Cut-motion was not pressed and by leave of the House the Cut-motion was withdrawn.)

শ্ৰীগোপীনাথ দাস : অধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাব উঠাই লোৱাৰ আগতে মই মন্ত্ৰী মহোদয়ৰ পৰা আশ্বাস বিচাৰিছোঁ যে প্ৰথমতে নগৰবেৰাত ১৯৭৮ চনৰ পৰাই এ, এচ,টি, চি ৰ বাছ চলি আছিছে, কিন্তু আস্থান নাই। তাত এটা নতুনকৈ আস্থান কৰিব্লে ভাল হয়। দ্বিতীয়তে গুৱাহাটীৰ পৰা গোৱালপাৰালৈ নগৰ বেৰা হৈ যি দুখন বাছ বৰ্তমান আছে সেইকেইখনৰ অৱস্থা বৰ বেয়া, ৰাস্তাত প্ৰায়েই বেয়া হৈ থাকে, সেইকেইখন বদলাই নতুন বাছ দিব লাগে।

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী): অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য জনক ধন্যবাদ জনাইছোঁ। অকল তেখেতৰ সমষ্টিতেই নহয়, অসমৰ সকলো ঠাইলৈ বাছ চলাব পাৰিলে ভাল পাম, কিন্তু টকা পইচাৰ কথা আছে আৰু ইয়াৰ ওপৰতে বাইজৰ সকলো কাম নিৰ্ভৰ কৰে।

Mr. Speaker : Now, Hon'ble Member Shri Ramendra De. Will you withdraw your cut-motion ?

(Cut-motion was not pressed and by leave of the House the Cut-motion was withdrawn.)

Now, Hon'ble Member Shri Jonendra Basumatari. Will you withdraw your cut-motion ?

শ্ৰীজনেন্দ্ৰ বসুমতাৰী : অধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱটো উঠাই লোৱাৰ আগতে দাস ডাঙৰীয়াৰ নিচিন্নাকৈ মই কব খোজো যে আমাৰ বক্তব্যটো উঠিয়েই গল, এতিয়া কাৰ্য্যকৰী হয়নে নহয় মন্ত্ৰী মহোদয়েহে জানে। মই আশা কৰিছোঁ আমাৰ কথাবিলাকলৈ মন্ত্ৰী মহোদয়ে মন দিব। এই আশা ৰাখি মই কৰ্ত্তন প্ৰস্তাৱটো উঠাই লৈছোঁ।

(Cut motion was not pressed and by leave of the house the Cut-motion was withdrawn.)

Mr. Speaker : Now, I put the main motion. The motion is that a sum of Rs. 18,41,38,000, be granted to the Minister in charge to defray the charges which will come in course of

payment during the year ending the 31st March, 1988, for the administration of Transport Service.

(The grant is passed. The motion is passed.)

Mr. Speaker : Now, Grant No. 45,

Shri Prafulla Kumar Mahanta (Chief Minister) : Sir, on the recommendation of the Governor of Assam, I beg to move that a sum of Rs. 2,39,15,000, be granted to the Minister-in-charge to defray the charges which will course of payment during the year ending the 31st March, 1988, for the administra tion of Economics and Statistics.

Mr. Speaker : Now, there is a cut-motion; Shri Golok Rajbanshi, Shri Abdul Muqtadir Choudhury, Will you move ?

(Cut motion was not pressed and by leave of the House the Cut-motion was withdrawn.)

Mr. Speaker : Now, I put the main motion. The motion is that a sum of Rs. 2,39,15,000, be granted to the Minister-in -charge to defray the charges which will come in course of payment during the year ending the 31st March, 1988, for the administration of Economics and Stastics.

(The grant is passed.)

Now, Grant No 16

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে প্ৰস্তাৱ কৰিব খোজোঁ। যে ১৯৮৭ চনৰ ৩১ মাৰ্চত শেষ হব লগীয়া বছৰটোৰ কালছোৱাত কেতবোৰ ব্যয় বহন কৰিবলৈ "আৰক্ষীৰ" ক্ষেত্ৰত ভাৰপ্ৰাপ্ত মন্ত্ৰীক অতিৰিক্ত ১৬,০০,০০০ টকা মঞ্জুৰ কৰা হওক।

Mr. Speaker : There is one cut-motion. Hon'ble Member Shri Abdul Muqtadir Choudhury will you move the cut-motion?

(Cut-motion was not pressed and by the leave of the House the Cut-motion was withdrawn.)

Now, I put the main motion. The motion is that a sum of Rs. 2,62,65,000, be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1988 for the administration of Stationery and printing.

(Grant is passed.)

Now, Grant No. 40.

Shri Prafulla Kumar Mahanta (Chief Minister): Sir, on the recommendation of the Governor of Assam, I beg to move that a sum of Rs. 3,28, 26,000, be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1988, for the administration of "Freedom Fighters, Rajya Sainik Board and other Relief Programmes".

Mr. Speaker : There is one cut-motion. Shri Ramendra De-will you move ?

(Cut-motion was not pressed and by the leave of the House the Cut-Motion was withdrawn.)

Now, I put the motion. The motion is that a sum of Rs. 3, 18.26,000, be granted to the Minister-in- charge to defray charges which will course of payment during the year ending the 31st March, 1988, for the administration of "Freedom Fighters, Rajya Sainik Board and other Relief programmes"

(Grant is Passed.)

Now, Grant No. 47.

Shri Prafulla Kumar Mahanta (Chief Minister) : Sir, on

the recommendation of the Governor of Assam, I beg to move that a sum of Rs. 11,10,000, be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1988, for the administration of "Trade Adviser".

Mr. Speaker : There is no Cut-motion. Now, I put the main motion. The motion is that a sum of Rs. 11,10,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March. 1988, for the administration of "Trade Adviser".

(Grant is passed.)

Now, Grant No. 26. H n'ble Minister, Shri Brindaban Goswami to move.

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষামন্ত্ৰী ): অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে মই প্ৰস্তাৱ কৰিব খোজোঁ। যে ১৯৮৮ চনৰ ৩১ মাৰ্চত শেষ হ'বলগীয়া বছৰটোৰ কালছোৱাত 'শিক্ষা' শিতানৰ প্ৰশাসনৰ ক্ষেত্ৰত বহন কৰিবলগীয়া ২৮৭,১৩,১৬,০০০ পৰিমানৰ টকা ভাৰপ্ৰাপ্ত মন্ত্ৰীক মঞ্জুৰ কৰা হওঁক।

Mr. Speaker : Over this Grant, there are as many as 6 Cut-Motions-first one by Hon'ble Shri Golok Rajbanshi, Shri Karnendu Bhattacharjee, Shri Adbul Muqtadir Choudhury, and Shri Altaf Hussain Mazumdar.

Shri Abdul Muqtadir Choudhury : Mr. Speaker Sir, I beg to move that the total provision of Rs. 2,87,13,16,000 under Grant No. 26 in respect of "Education" at Pages 1—96 of Volume II, Part VIII of the Budget be reduced to Rs. 1·00 i.e. the amount of the whole grant of Rs. 287,13,16,000 do stand to Rs. 1.00.

Mr. Speaker : Next Cut-Motion by Shri B. K. Basumatary.

Shri Binai Khungur Basumatary : Sir, I beg to move that the total provision of Rs. 287,13,16,000 under Grant No. 26 in respect of "Education" at peges 1—96 of Vol. II, Part VIII of the Budget be reduced to Rs. 1·00 i.e., the amount of the whole grant of Rs. 287,13,16,000 do stand reduced to Rs. 1.00.

Mr. Speaker : Next Cut-Motion by Hon'ble A. F. Golam Osmani, Shri Sheikh Abdul Hamid and Shri Gopinath Das.

Shri A.F. Golam Osmani : Sir, I beg to move that the total provision of Rs. 287,13,16,000 under Grant No.26 in respect of "Education" at pages 1—96 of Volume II, part VIII of the Budget be reduced by Rs. 100.00 i.e. the amount of the whole grant of Rs.287, 13,16,000 do stand reduced by Rs. 100.00.

Mr. Speaker : Next Cut-Motion by Hon'ble Shri Hemen Das, and Hon'ble Shri Ramendra De.

Shri Hemen Das : Sir, I beg to move that the total provision of Rs. 287,13,16,000 under Grant No. 26 in respect of "Education" at pages 1—96 of Volume II, Part VIII of the Budget be reduced by Rs. 100·00 i.e., the amount of the whole grant of Rs. 287,13,16,000 do stand reduced by Rs. 100·00.

Mr. Speaker : Then the Cut-Motion by Shri Aminul Islam. (after a pause) He is absent. Then the last Cut-Motion by Hon'ble Shri Charan Narzary, Shri Jonendra Basumatari and Shri Ganesh Boro.

Shri Ganesh Boro : Sir, I beg to move that the total provision of Rs. 287,13,16,000 under Grant No. 26 in respect of "Education" at pages 1 – 96 of Volume II, part VIII of the Budget be reduced by Rs. 100·00 i.e the amount of the whole grant of Rs. 287,13,16,000 do stand reduced by Rs 100.00.

Mr. Speaker : Now Shri Abdul Muqtadir Choudhury to speak on his Cut-Motion.

Shri Abdul Muqtadir Choudhury : Mr. Speaker sir, while moving the Cut-Motion, I like to make a few observations. Sir, about 30 % of the people of Assam are educated including those who know how to read and write, and the rest 70 % are illiterate. So sir, emphasis should be given to the Education Department and appropriate action should be taken, so that proper education can be given to the people requiring it. Sir, out of the total budget one of the lion shares are being taken by the Education Department, and we hope to see that the Hon'ble Education Minister will not have any need to come up with a supplemtary budget in future.

Sir, after assuming the office, the new Government issued a circular that the academic year would be changed and the final examinations would be completed by December every year, and the new academic year would start from January next. The people of Assam were very happy at that, and they thought that some radical change would be there because Education Minister himself is an educationist; but sir, we find that a complete deadlock has been created. The total number of primary schools in Assam, I am giving the 1984 figure, it is still being followed, is 25,915. That is the number of primary schools and junior basic schools. Sir, the previous Government had Sanctioned about 2000 stipendary posts but because of the sudden declaration of General Elections the post could not be filled up in many places- in Karimganj district, in Cachar district and in some other districts of the State also. These posts are

still lying vacant sir; all these posts are still lying vacant till to-day. An Advisory Board has been constituted with a specific circular, and a specific instruction that 50% of the posts would be filled up on merit basis; 10% should go to the sons and daughters of retired teachers, like this way there was some other reservation of 10% for other groups and so on. This circular is on very reasonable one. We donot dispute about this; but sir, whether the Government will make an enquiry about this that how the selecton Board or the so-called Advisory Board has prepared the list. So far as Karimganj district is concerned, the list hasb een prepared and sent to the office for sending it to the Director of Elementary Education for approval but it is still lying there because the list was prepared not on the basis of the instructions sent by the Government. It was prepared on some other considerations. So sir, I shall appeal to the Government to make an enquiry about this. It is high time that the Government conducts an enquiry into it.

Sir, about the middle schools, there are 4590 Middle Schools in Assam, but sir though these schools have been provincialized, the posts of classical teachers have not yet been sanctioned. The same is the case with Middle Schools as is happening in the case of primary schools. There also hundreds of posts are lying vacant. There are L.P. schools in the rural areas where there are only one teacher, and unless the vacant posts are filled up immediately what will happen sir ?

Sir, with regard to higher secondary education, the present Government has converted only 6 High Schools

into Higher Secondary Schools till today. There are 18 districts in the State. So the ratio will be 1 school in every three districts. Sir, collages are centralised in towns. So rural students are not getting proper facilities for college education. So sir, the High Schools should be converted into Higher Secondary Schools in the rural areas. Government should give emphasis in the rural areas. Sir, during 1985 good number of High Schools were converted into Higher Secondary Schools both in arts stream and science stream. But because of sudden declaration of general election, posts could not be filled up and teachers could not be appointed. Sir, till now these Higher Secondary Schools are running without teacher, without any grant for construction of building, no room for the classes either in arts stream or in science stream. So, Sir I urge upon the Government to appoint Higher Secondary School teachers immediately. They can very well constitute Higher Secondary Board as they constitute Advisory Board for Elementary Education, if the Government so desire. Sir, regarding this thing we will not mind of the members are selected even from our opposite side. Let it function properly, let the teachers be appointed without any delay and let better persons be selected. Sir, our Hon'ble Chief Minister, in his Budget Speech, stated that more emphasis would be given for the universaliation of elementary education. But, Sir, what action Government has taken to implement it, is not yet known. Earlier some Middle Schools were provincialised, but no classical post have been sanctioned. It has been stated that within 3 Kilo-meter radius, there would be one middle School in the rural areas and some of the primary Schools have been upgraded to Middle

Schools. To entend facilities for middle school studies in Mamalaries where there is no middle school. But that has also been stopped now. Now, Sir, I will urge upon the Government to give proper thinking on it and atleast to fill up the vacancies of Higher Secondary Schools, Middle Schools and Primary Schools, so that atleast we can make some progress in the sphere of education and the back-log can be removed. Sir let me come to some points in the Budget. Sir, there is a head 053 'Maintenance of Buildings' and an amount of Rs. 1.12 crores has been earmarked for maintenance of buildings, but there was no provision in 1985—86 and 1986-87. For what purpose this amount will be spent it is difficult to understand. Sir, the buildings have been constructed very recently and how they will spent this amount of Rs 1.12 crores it is difficult to understand. Sir, again under Head 053 Maintenance of Buildings' another sum of Rs 5,25,000/— has been earmarked. So we hope we will get correct answer from the Education Minister.

Sir, there is another Head 103 – Rural Functional Literary Programme. It is a good programme no doubt, but where is the scheme ? Let the Hon'ble Education Minister come up with proposal for more money, we will welcome it. Let every Block should have a Library and for this any amount can be given. It is a good programme, but it is difficult to understand where is the scheme. The Rural Functional Literacy programme has been given Rs. 12 lakhs. Sir, I have earlier mentioned about the machinery and equipments for the Primary Schools and Rs. 84 lakhs has been earmarked for this year i.e., next year 1987—88 at page 13. But sir,

what kind of mechinery can be given to the Primary Schools better known to the Government alone. Earlier there had been provision for supply of globe, table clock etc. But that has been withdrawn now. Only some maps have been given occasionally. So, Sir, it is difficult to understand what kind of equipments will be provided to the Primary Schools. Sir, there are thousands and thousands of droop-out children 6–11 years of age. The existing arrangement is not enough. So, I will request the Hon'ble Minister, Education that he should give a though on it and see that a proper education can be imparted to the children and the teachers and instructors of non-formal Education should be trained how to teach the children who are not having any school education. Sir, though it has been discussed earlier, still I want to mention about grants given to the Primary Schools. I will mention about Sadiya Constituency, Tinsukia Constituency and Doomdooma Constituency, Digboi Constituency. In Sadiya Constituency 36 Schools, Doomdooma nil, Digboi nil but Chabua Constituency gets 36 Primary Schools to receive grants. Sir why there should be so much of discripency? This disparity should go. Let the good sense prevail. I would request the Hon'ble Education Minister to examine the matter and see that there should not be any discrimination.

Sir, as regards National Education Policy, the Government has stated that 100 percent enrolment of children of 6–11 years by 1990. But what is the programme? How the proposed target of 100 percent enrolment by 1990 will be achieved? Now it is 1987. There are so many school less villages. As per Hon'ble Minister's Statement there should be atleast one school in each village. Sir, survey should be made

as to how many villages are still school less and Government should make proper arrangement for setting up schools in the villages where is no facilities for primary schools. As per State ment of the Education minister atleast one room for every class is to be provided. This is very good. But it should be implemented in a phased manner and at the same they should see that atleast one teacher in each school is appointed where there is single teacher. Sir, with regard to the creation of more posts for Elementary education, I am sorry to say that no additional post has been created for the purpose of elementary education as yet since the assumption of office by this new Government. So, I request the Government to create post immediately according to necessity where Schools are suffering for want of additional posts for L.P. and M.E. Schools. Next, Sir, about the purchase of text books from the Assam Text Book Production and Publication Corporation. Large number of books are purchased by the Government at double the prescribed rate from this Corporation. This point has already been discussed in this House on some other occasion earlier. Now, I have got the list of those books purchased at a higher rate by the Government. So I, demand an enquiry into this affair. I request the Hon'ble Education Minister to look in to this matter and give us a reply here in this House as to what is happening in this matter of purchase of books at double the rate. I would also request the Hon'ble Minister Education to see that all the vacant posts in the Schools including the Higher Secondary Schools are filled up immediately. With these few words, I commend my Cut-Motion for the acceptance by the House. Thanking you, Sir.

Shiri Binai Khungur Basumatary : Mr. Speaker, Sir. We find that there is an increase of about Rupees twenty crores in Education budget this year and while calculating the details we find that in two stages of education three-fourth of the budget will be spent. That is, in the elementary education we are going to spend more than 168 crores, in secondary education it will be more than 170 crores and while in the University education we are going to spend only a little over about 26 crores. That itself depicts the picture and the policy adopted by the Government in the matter of education. Through this allocation we have seen that this Government is trying to give importance to elementary and secondary education which is more reasonable and more correct. But as regards University education, we have come to a stage in Assam when we should give more importance to University Education, we are reducing the allocation for it. I wish to record my resentment for this low rate of allocation of Rupees 26 crores for University education. In the budget before us we can find the last year's allocation also. If we make a comparative study of the last year's allocation and the present year's allocation, we find, in regard to Tribal Sub-Plan education last year we got almost 7 crores of Rupees but as on date this expenditure on Tribal Sub-plan is not clear. Moreover, we find that most of the Tribal Sub-Plan allocation are merged with the General Areas Education allocation. Sir, there is a furore here in this House about the allocation of number of schools in each constituency. It has been said by many Hon'ble members that the constituency belonging to members of the Treasury

Benches got about 35 schools per constituency and the constituencies of the Members in the opposition got 12 schools per consituency. The other day, I went to the Education Secretary to know about the number of schools to be taken up in my constituency. But I had to come back with a shocking experience that not a single school in my constituency has been taken up. And, Sir, till today the list has not been finalised. Then I went to Minister Education because I am told that the lists of schools are coming from the Government that is from the Minister. And the Hon'ble Minister admitted that the schools in my constituency would be finalised within a week or so. Today is the 26th day of March, there is 4/5 days left for the current financial year to come to a close and till today the list of L.P. schools in my constituency has not been finalised.

Next, Sir, about the quantification of the Tribal Sub-Plan allocation,— it is a policy enunciated by the Government of India and accepted by all the State Governments. But here in Assam, unfortunately this quantification is not followed. D.P.I. is distributing all the money under diffierent Heads. But in the DPI's office you will find, Sir, all the Heads are mixed up in such a manner that you will not be able to find out from which Head the money is paid resulting in that nobody cannot say whether the money is being paid from the quantified amount under Tribal Sub-Plan or not. So, I would suggest that this quantification of Tribal sub-plan allocation should be marked clearly from the top and followed up to the lower level. It should not be left to the lower level unmarked.

I would like to raise some more issues, now, Sir. In the elementary education Rupees 86 lakhs will be spent for purchase of equipments for schools. In elementary stage of education what are the equipments necessary? The major item required is blackboard. In my constituency, 60 Percent of the schools do not have any blackboard. During my tenure as an MLA I have come across some mad Director of Elementary Education. When I wanted to know from him the programme for supplying blackboards to Schools I was told by him that I should go to my constituency and tell the school authorities to purchase some tea chests and colour them black and then use it as a blackboard (laughter from the Opp. benches). This sort of Director is also there in the Government of Assam. I hope our new Government will put some sensible Directors who are really capable of doing work and can speak to the members of the House properly.

Then, Sir, I find at the elementary stage, rupees one crore thirty lakhs has been allocated for the maintenance of school buildings. This allocafion to be a new one. It is very good because venture schools so long as they remain venture, it is the people's responsibility to maintain the schools. But once it is provincialised it becomes nobody's properly. I only hope that this amount will be utilized properly and distributed by the Government equally to all schools irrespective of their Iocaton. And I hope the Government will not make any Partisan issue that the members of the treasury benches will get more and the opposition members will get less.

Then Sir, the other aspect of Elementary education is the "inspection" and we find that a sum of Rs. 3 crores 30

lakhs has been allocated under this. This allocation is a sizeable one. But what happens about inspection ? The Sub-inspectors of Schools and D.I. of schools continue to stay in one place; they appear to be stationary. It is the teachers and the unit secretaries, who are to go to the S.I's and D.I. It is the duty of the S.I's to verify whether the teachers attend the classes or not. I think every one will agree with me that the primary school teachers are lords in their own areas. None of them goes to the school at 10 o'clock and none remain there till 3 o' clock. Recently a decision by the previous Government was taken to take care of the teachers so that they work properly. According to that decision Saturday was olso declared a holiday. But that did not satisfy the teachers. Probably they wanted the Friday also to be declared a holiday. This way the inspection of the schools are not carried out. I have been repeatedly mentioning in this House about these things. Once I went to the DPI's office and obtained a form for S.I. of schools. I found out why the S.I's do not go for inspection of the schools. Because Government do not give them adequate allowance for travelling. They gave me a form which says that S.I.s can draw a "horse allowarnce" for visiting schools. We do not know whether horses are still used in this state and whether horse allowance is still there. This horse allowance was decided by the Britishers because in those days there was no good road communication and the S.I's were expected to ride on horse and visit the schools in the interior places. We do not know whether there is any sense in keeping this sytem still now or whether this has been changed, we have no information.

If not, I would request the Minister that this form should be up-dated and provision of providing travelling allowance to the S.I's should be made. Government can give them loan for purchase of motor cycles or scooters because in these days any place in the State can be reached by a motor cycle or a scooter.

Then of course, the sub-head 102, I think there is a printing mistake. I think it should be formal education. In Formal education we have 1.42 crores. This way we are trying to highlight the necessity of elementary education. But what happens in the interior places ? There are places in Assam where the people are poor. They cannot provide clothing and they cannot send their children to schools because of clothes. We were fortunate to have some provision for supply of school uniform to primary school children. But this Government decided to stop this provision of supplying uniform and diverted the amount to school buildings. But the poor people who are living in the interior or rural areas of Assam this necessity of supply of uniform is essential one and I would request Government for rural areas, particularly Tribal areas a provision for supply of uniforms should be revived.

Then I would like to come to the allocation of 6.68 crores for Tribal Sub-Plan in Elementary Education. We do not Know what is being done with this money. Is it that the TSP area schools and teachers and also Inspectors salaries are made from this allocation or they are made from non-plan or plan budget ? This allocation of TSP is there and the total amount is mentioned, but no other details are there, whether

this money will be provided for salaries or for the purpose of incentive for education among the Tribals, nothing is mentioned. Probable estimate of literacy among the Tribals is about 11%. So the Tribal population of Assam is most backward in regard to education. Government should, therefore, give more importance to the elementary education. The TSP allocation of 6 crores should be increased. The total allocation for education is 286 crores; and total of Tribal population being 10 to 11%. the 10% of the total allocation of 286 crores, the TSP allocation shoud have been at least 28 crores. If we total this 6 crores in elementary education and 1 crore 32 lakhs for Secondary education then we will find that it comes to appx. 8 crores. On that score alone TSP is missing an amount of 20 crores, depending on the ratio of population of Tribals. This disparity should be removed and I would like to record my feeling that a total of 10% of the whole Education budget should be ear-marked for TSP.

Then Sir, about Higher Secondary education in my areas and many areas of the State, there are Bodo medium schools and some schools are having dual medium schools. The problem is with the dual medium Schools. When there is a school having dual medium viz: Assamese and Bodo, the Assamese mediums get provincialised leaving the Bodo medium which is provincialised after 4 or 5 years. I can cite an instance. The Paneri Higher Secondary School was provincialised in 1980 but the Bobo medium section was provincialised only during this financial year. This is known to the Education Minister. Why it has happened so ? It happens in dual medium schools where the Headmasters or principals

are mostly non-Tribal. I do not have any other explanation than to say that this happened because of the fact that the headmasters or principls are anti-Tribals. When I met the principal of Paneri Higher Secondary School, he said that Government does not recognise the Bodo medium section. I asked him whether he made the demand and he said he did not. The public became restive and ultimately the Headmaster had to place the demand. In another school at Murnala also Bodo medium was not provincialised but the Assamese medium was provincialised. When we see this sort of disparity, atleast I do not find any other explanation than to say that these people are anti-Tribals. I hope the Government will

Mr. Speaker : The time is up. You will continue to-morrow.

মাননীয় অধ্যক্ষ : সদন অহাকালি ৰাতিপুৱা ৮-৩০ বজালৈ স্থগিত থাকিব।

## ADJOURNMENT

The House then rose and stood adjourned till 8-30 A.M. on Friday, the 27th March, 1987.

P. N. Hazarika,
Secretary,
Assam Legislative Assembly.

DISPUR
The 26th March, 1987.